# শ্ৰীমদ্ভাগৱতৰ দশ লক্ষণ



নীতি বাগীশ উমেশ কলিতা বৈষ্ণৱ

ওঁ

# শ্ৰীমদ্ভাগৱতৰ দশ লক্ষণ

"সুৱৰ্ণ পুষ্পাং পৃথিৱীং চিন্বন্তি পুৰুষস্ত্ৰয়ঃ
শূৰশ্চ কৃতবিদ্যশ্চ যশ্চ জানাতি সেৱিতুম।"

সুৱৰ্ণ পুষ্পাং (স্বৰ্ণ পুষ্প বা সোণৰ ফুল) পৃথিৱীং (পৃথিৱীক) চিন্বন্তি (চয়ন কৰে) পুৰুষ স্ত্ৰয় ঃ (তিনি পুৰুষে, তিনি ধৰণৰ লোকে) শূৰশ্চ (বীৰ পুৰুষে) কৃতবিদ্যশ্চ (আৰু জ্ঞানী পুৰুষে) যশ্চ (যিজনে) জানাতি (জানে) সেৱিতুম্ (সেৱা কৰিবলৈ) অৰ্থাৎ বীৰ পুৰুষ, জ্ঞানীলোক আৰু সেৱা কৰিবলৈ জনা লোক, যথাৰ্থতে এওঁলোকেই সুৱৰ্ণ পুষ্প স্বৰূপা পৃথিৱীক চয়ন কৰে।

- নীতি বাগীশ উমেশ কলিতা বৈষ্ণৱ

## শ্ৰীমদ্ভাগৱতৰ দশ লক্ষণ

লেখক - নীতি বাগীশ উমেশ কলিতা বৈষ্ণৱ সহকাৰী শিক্ষক, দম্‌দমা উচ্চতৰ মাধ্যমিক বিদ্যালয় সভাপতি আৰু প্ৰাক্তন সম্পাদক, কামৰূপ সাধু সেৱক সন্মিলনী। সাধাৰণ সম্পাদক, অসম সাধু সেৱক সন্মিলনী।
গাঁও - বাউসী, ডাক -তেতেলীয়া - ৭৮১১০৪, কামৰূপ (অসম)

প্ৰকাশক -

শ্ৰীধনেশ্বৰ কলিতা বৈষ্ণৱ - ধৰ্মপুত্ৰ (বৰজোঁৱাই)
গাঁও - বাউসী
ডাক - তেতেলীয়া - ৭৮১১০৪
কামৰূপ (অসম)

১৪ বহাগ শ্ৰীশ্ৰী দামোদৰ দেৱৰ তিৰোভাৱ মহোৎসৱ
১৮ এপ্ৰিল ২০০৬ ইং চন।

অৰিহণা - ওম্ শান্তি (১০.০০ টকা।)

মুদ্ৰক ঃ সূৰুয প্ৰিণ্টাৰ্চ্ছ, বোৰ্কা।
ফোন ঃ ৯৮৬৪৩-৮৮০৪৬
৯৮৬৪১-৩১৫৪৬

শ্ৰীমদ্ভাগৱতৰ দশ লক্ষণ

## অৱতৰণিকা



কলি কালৰ নিগম কল্পতৰু শ্ৰীমদ্ভাগৱত শাস্ত্ৰ জিজ্ঞাসু ভক্ত সকলৰ সন্মুখত পাঠ কৰিবলৈ হলে কেইটি মান দুৰ্বোধ্য অধ্যায়ত স্তম্ভিত হব লগীয়া হয়। সেইবোৰৰ ভিতৰত ভাগৱতৰ দশ লক্ষণ, পুৰঞ্জন আখ্যান, বেদৰ ব্ৰহ্মস্তুতি, পৰমাৰ্থ নিৰ্ণয়, সাংখ্যজ্ঞান কথন আদি প্ৰধান ভাবে উল্লেখযোগ্য। ইয়াৰ ভিতৰত "ভাগৱতৰ দশ লক্ষণ" অধ্যায়টিয়ে আটাইতকৈ জটিল বুলি ভাবো। কাৰণ সৰ্গ, বিসৰ্গ, স্থান, পোষণ, উতি, মন্বন্তৰ, ঈশানকথা, নিৰোধ, মুক্তি আৰু আশ্ৰয়তত্বৰ বিষয়ে ভাগৱতত ইমান সংক্ষেপে বৰ্ণনা কৰা হৈছে যে ইয়াৰ প্ৰত্যেকটো তত্বৰ বিষয়ে পাঠৰ সময়ত বহলাই ব্যাখ্য কৰাটো অতি দুৰূহ।

আমি অভাজনেও অসমৰ বিভিন্ন জিলাৰ জিজ্ঞাসু আৰু সুজন ভক্ত সকলৰ সন্মুখত উল্লিখিত অধ্যায় কেইটি পাঠ কৰিব লগীয়া হলে আশঙ্কাত আমাৰো খোকোজা লাগে। কাৰণ "ৰাম কল" নামতহে, ফলৰ খোৱাদ তথৈবচ হোৱাৰ দৰে আমাৰো ভাগৱতৰ ভগৱত জ্ঞানফলৰ আস্বাদ তেনেকুৱাই। তথাপিতো এনেদৰে কালক্ষেপণ কৰাত অমস সাধু সেৱক সন্মিলনীৰ তত্বজ্ঞানী সুজন পৰম শ্ৰদ্ধাৰ শ্ৰীমৎস্বামী দেৱৰাজ মহন্ত, কুলহাটীৰ শ্ৰীবাবুল দাস বৈষ্ণৱ আৰু শ্ৰীঅৰুণ দাস বৈষ্ণৱ দেৱ প্ৰমুখ্যে ভালেমান সাধুয়ে উল্লিখিত বিষয় কেইটি সণ্টালনিকৈ প্ৰবন্ধ আকাৰে লিখিবলৈ পৰমাৰ্শ দিয়াত আমিও গৰুড়ক দেখি ঘৰ-চিৰিকাই উৰা-মাৰাৰ দৰে প্ৰয়াস কৰিলো। অৱশ্যে এই ক্ষেত্ৰত "ভাগৱতাংক" (হিন্দী) নামৰ গ্ৰন্থখনক আধাৰ গ্ৰন্থ হিচাবে গ্ৰহণ কৰা হৈছে। কিতাপ খনে জিজ্ঞাসু পাঠক মণ্ডলী আৰু হংস-শ্ৰৱণী অৰ্থাৎ নীৰ এৰি ক্ষীৰ গ্ৰহণ কৰা শ্ৰোতা সমূহৰ মানসপটত অকণ মান ৰেখা-পাত কৰিলে আমাৰ শ্ৰম সাৰ্থক হব।

প্ৰবন্ধ কেইটিত অজ্ঞাত ভাবে বৈ যোৱা ভুল ক্ৰটি আৰু হেৰ-ফেৰৰ বাবে সজ্জন পুৰৈৱ সমাজে কৃপা দৃষ্টি আৰু সহানুভূতিৰে চালে ভক্তিহীন, জ্ঞানহীন কৃষ্ণদাসে পৰম কৃতাৰ্থ হম। যিহেতুকে "গুণান্ গৃহ্নন্তি সাধবঃ" অৰ্থাৎ সাধু সকলে গুণকহে গ্ৰহণ কৰে।

কিতাপখন অতি কম মূল্যত ছপা কৰি দিয়া বাবে বোৰ্কাৰ সূৰু প্ৰিণ্টাৰ্চ্ছৰ স্বত্বাধিকাৰী আৰু কমীবৃন্দলৈ ধন্যবাদ থাকিল।

### ঃ নিৰ্ঘণ্ট ঃ

১। ভাগৱতৰ দশ লক্ষণ।
২। বেদৰ ব্ৰহ্মা স্তুতি।
৩। পৰমাৰ্থ নিৰ্ণয়।
৪। পুৰঞ্জন তত্ব।
৫। গুৰু দামোদৰ দেৱ।

দাসানুদাস
উমেশ বৈষ্ণৱ।

# প্ৰণীত প্ৰৱচন

১। যিজনৰ মন গুৰু স্থানত নিবিষ্ট হৈছে, তেওঁ বনতে থাকক কিম্বা ঘৰতে থাকক একে কথা।

২। প্ৰাণায়ামে শ্বাসৰ গতি ৰোধ কৰাৰ দৰে সুষম আহাৰেহে ইন্দ্ৰিয়ৰ গতি নিয়ন্ত্ৰণ কৰে।

৩। চকা ঘূৰিবলৈ ধুৰাৰ যেনে প্ৰয়োজন মুক্তি পাবলৈ হলেও আত্ম-জ্ঞানৰ তেনে প্ৰয়োজন।

৪। বহিঃ দৃষ্টিৰে বিভূতি দেখি কিন্তু অন্তঃ দৃষ্টিৰে বিভূতিৰ কৰ্ত্তাক দেখিব পাৰি।

৫। অন্তৰ বিশুদ্ধ জনকহে সচ্চিদানন্দই সৎপথে পৰিচালনা কৰে।

৬। স্ৰষ্টাৰ নীতি উলঙ্ঘা কাৰীয়ে শাস্তিকে ভোগৰূপে গ্ৰহণ কৰিব লাগিব।

৭। সন্ধ্যাহীন বৈষ্ণৱ সকলো কাৰ্য্যতে অযোগ্য। তেওঁ শূদ্ৰ তুল্য।

৮। ধৰ্মজ্ঞ, নীতিজ্ঞ বালক এজনো নীতিহীন, ধৰ্মহীন বৃদ্ধ জনৰ পিতৃ তুল্য হয়।

৯। ধৰ্মীয় লিখনি লিখোতা জন ধাৰ্মিক লোক নহবও পাৱে, কিন্তু ধৰ্মীয় সজ আচৰণ দেখুৱাজন স্ববিজ্ঞাপন স্বৰূপ।

১০। ইন্দ্ৰিয় সংযম নোহোৱাকৈ কৰা সাধনা ধুমুহাত উৰি যোৱা তৃণৰ দৰে অস্থায়ী।

১১। শিষ্যৰ ত্ৰিসন্ধ্যাৰ দ্বাৰাইহে গুৰু বৰণ হয়, ধন বস্ত্ৰৰ দ্বাৰা নহয়।

১২। অনুকূল আৰু প্ৰতিকূল পৰিবেশ একে মানসিক সুস্থিৰতাৰে গ্ৰহণ কৰিব পৰা জনহে প্ৰকৃত ধীমান লোক।

১৪। গৃহত নামঘোষা এখন নথকা লোকে মাৰুটী গাড়ীত উঠি ফুৰিলেও তেওঁহে আচল দৰিদ্ৰ।

১৫। সাধন বীৰ্য্যৰ শোধন ফল অক্ষয় অব্যয়।

১৬। বিষয়ী গুৰুত শৰণ, সৰ্প পোৱালিয়ে সহ ভেকুলী মুখত লৈ ভিতৰলৈকো নিব নোৱাৰে এৰি দিবও নোৱাৰাৰ দৰে শিষ্যৰ অৱস্থা হয়।

১৭। নাজানি যিজনে প্ৰশ্ন শোধে তেওঁ অজ্ঞ নহয়, যিজনে জীৱনত প্ৰশ্ন সোধাৰ অভ্যাস কৰা নাই তেওঁহে অজ্ঞ।

১৮। চাৰিবেদ জানিলেও সৰ্ব্ব ভক্ষক জন ৰাক্ষস ৰূপে পৰিগণিত হয়।

১৯। বেদজ্ঞান হীন ১০০ বছৰীয়া বৃদ্ধজনো বালক হে।

২০। জন্মদাতা পিতৃ-মাতৃতকৈ ব্ৰহ্মবিদ্যা (আত্মবিদ্যা) শিকাই পুনৰ্জন্ম দিওঁতা আচাৰ্য্য জনহে শ্ৰেষ্ঠ।

২১। কামনা আৰু বাসনা অগ্নি আৰু সৰ্পতকৈ বেছি ভয়ানক।

২২। ইন্দ্ৰিয় জয় কৰিব পৰা জনেহে বিশ্বজয় কৰিব পাৰে।

২৩। আবদ্ধৰ এদিনৰ মিছা সাক্ষীয়ে প্ৰাৰব্ধৰ সমস্ত পুন্যৰ ভাণ্ডাৰ বিনাশ কৰে।

২৪। নদীৰ পানী সাগৰত পৰিলে যেনেকৈ লুণীয়া হয় দুষ্ট লোকো সাধুৰ সঙ্গ পালে শুদ্ধ হয়।

২৫। পুনঃ পুনঃ গৰ্ভবাস যন্ত্ৰণাতকৈ আৰু শ্ৰেষ্ঠ যন্ত্ৰণা একো নাই।

২৬। সোণ ৰূপৰ অলংকাৰতকৈ সদাচাৰেহে নাৰীক অধিক উজ্বল কৰে।

২৭। অন্ধ আৰু পংগুৰ বন্ধুত্ব যেনেদৰে ফলদায়ক জ্ঞান আৰু ভক্তিৰ বন্ধুত্বও সাধন মাৰ্গৰ বাবে একে ফলদায়ক।

২৮। সাঁচ হাতত থাকিলে যেনেকৈ ইচ্ছা মতে পুতলা প্ৰস্তুত কৰিব পাৰি তেনেদৰে ভক্তিৰ ভাণ্ডাৰ থাকিলেও ঈশ্বৰক য'তে ত'তে দৰ্শন কৰিব পাৰি।



ওঁ

যুগজয়ী আৰু ইদানীন্তন অমোঘ নিগম নিগূঢ় শাস্ত্ৰ, শ্ৰীমদ্ভাগৱতৰ দ্বিতীয় স্কন্ধত "ভাগৱতৰ দশলক্ষণ" যথাক্ৰমে সৰ্গ, বিসৰ্গ, স্থান, পোষণ, উতি, মন্বন্তৰ, ঈশানকথা, নিৰোধ, মুক্তি আৰু আশ্ৰয় তত্ত্ব বৰ্ণিত হৈছে। ইয়াৰ ভিতৰত সৰ্ব্ব প্ৰধান হৈছে আশ্ৰয় তত্ত্ব। এই আশ্ৰয় তত্ত্বৰ উপলব্ধিৰ কাৰণে অন্য নৱবিধ বিষয়ৰ বৰ্ণনা কৰা হৈছে। এইবোৰ বৰ্ণনাৰ দ্বাৰা ভগৱান শ্ৰীহৰিৰ অনন্ত মহিমা আৰু সাক্ষীত্বৰ জ্ঞান বোধ জন্মাই তাৰ স্বৰূপত স্থিতি কৰি দিয়াটোৱে ভাগৱতৰ মুখ্য উদ্দেশ্য।

# সৰ্গ

সৰ্গ শব্দৰ সবল অৰ্থ হৈছে সৃষ্টি। সৰ্গ অৰ্থাৎ প্ৰকৃতিৰ গুণ বৈষম্যৰ দ্বাৰা যি বিৰাটৰ সৃষ্টি হৈছে তাৰ নাম সৰ্গ। এই জগতখন কি আৰু প্ৰথমেই কেনেকৈ উৎপত্তি হ'ল এই সম্বন্ধে বেদ, উপনিষদ, দৰ্শন আৰু পুৰাণবোৰত বহুল মতবাদ পোৱা যায়। ভাগৱততো সৃষ্টিৰ বৰ্ণনা ভিন্ ভিন্ প্ৰকাৰে পোৱা যায়। আস্তিক মতবাদৰ গ্ৰন্থবোৰত পৰমাত্মাক আধাৰৰূপে স্বীকাৰ কৰা হৈছে যদিও সৃষ্টিৰ ক্ৰমত অলপ-অচৰপ হলেও মতভেদ দেখা যায়। অৱশ্যে এই মতভেদবোৰৰ বৰ্ণনা কৰাও অতিশয় দুৰূহ। এই বিষয়ৰ ছয়টা মতবাদৰ ভিতৰত তিনিটা প্ৰসিদ্ধ- আৰম্ভবাদ, পৰিণামবাদ আৰু বিবৰ্তবাদ। ন্যায় আৰু বৈশেষিক দৰ্শনবোৰৰ পৰমাণু ৰূপত আকাশ, কাল, দিশ, আত্মা আৰু মনক নিত্য দ্ৰব্য বুলি মানি লোৱা হৈছে। সৃষ্টিৰ আৰম্ভণিতে অনেক জীৱাত্মা যুক্ত বিলক্ষণবোৰক পৰমাত্মাই নিমিত্বহৈ সিচৰতি হৈ থকা পৰমাণুবোৰক একত্ৰিত কৰে। ফলত পৰামাণুবোৰৰ সংযোগতে নানা ধৰণৰ পদাৰ্থৰ সৃষ্টি হ'ব ধৰে। এই কাৰণে এই মতটোৰ নাম আৰম্ভবাদ। যিবিলাক পৰমাণুৰ সংযোগত ঈশ্বৰক নিমিত্ব বুলি মানে তেওঁলোকে সেশ্বৰ আৰু যিয়ে নামানে তেওঁলোক নিৰীশ্বৰ। সনাতন ধৰ্মৰ শাস্ত্ৰবোৰত সেশ্বৰ ন্যায় আৰু বৈশেষিক ন্যায়ে স্বীকৃত হৈছে। যোগদৰ্শনে বিভিন্ন পৰমাণুবোৰক সৃষ্টিৰ কাৰণ বুলি ধৰি নলৈ ত্ৰিগুণাত্মিকা প্ৰকৃতিকে ধৰি লয় আৰু ভগৱানৰ দ্বাৰা প্ৰকৃতিক শুদ্ধ কৰাত ত্ৰিগুণৰ বিকাশ বুলি মানে। অতত্ৰৱ ত্ৰিগুণৰ পৰিণামতে সৃষ্টি হয়। কোনো কোনোৱে পৰিণামত ঈশ্বৰক নিমিত্ত বুলি ভাবে আৰু কোনো কোনোৱে পৰিণামত হোৱাতো প্ৰকৃতিৰ স্বভাৱ বুলি ভাবে। তেওঁলোকে পুৰুষ বিশেষৰ ৰূপত ঈশ্বৰক উদাসীন আৰু অসঙ্গ বুলি ভাবে। নাইবা নামানে। মাধৱাচাৰ্য্যই পৰমাত্মাৰ পৰা প্ৰকৃতিক সমুলি ভিন্ন বুলি ভাবে আৰু সেই কাৰণে প্ৰকৃতিকে জগতৰ কাৰণ বুলি ভাবে। কিন্তু ৰামানুজে প্ৰকৃতি, জীৱ আৰু ঈশ্বৰ এই তিনিও তত্ত্বকে মানিও সকলোকে ব্ৰহ্ম বুলিহে কৈছে। এই কাৰণে তেওঁৰ মতে ব্ৰহ্মাই অংশ বিশেষে প্ৰকৃতিত পৰিণত হয় আৰু তেনেকৈ জগত তৈয়াৰ হয়। এই কাৰণে পৰিণাম বাদৰ দুটা ৰূপ হ'ল — গুণ পৰিণামবাদ আৰু ব্ৰহ্ম পৰিণামবাদ। ব্ৰহ্মত পৰিণাম হলে ব্ৰহ্মাও বিকাৰী হয়। এই আপত্তিটোৰ নিৰাকৰণ কৰাৰ কাৰণে বল্লভাচাৰ্য্যই অবিকৃত পৰিণামবাদ মানিছে। কিন্তু আচাৰ্য্য প্ৰধান শংকৰাচাৰ্য্যই ব্ৰহ্মাৰপৰা পৃথক পৰমাণু, প্ৰকৃতি আৰু তাৰ কাৰ্য্যৰ সত্ত্বা স্বীকাৰ নকৰে। তেওঁ আৰম্ভবাদো নামানে আৰু পৰিণামবাদো নামানে। তেওঁৰ মতে সৃষ্টিৰ ব্যৱস্থা কেৱল বিবৰ্তবাদ যেনেহে লাগে। সত্য বস্তুৰ বাস্তৱিক পৰিবৰ্তনক পৰিণাম বোলা হয় আৰু অবাস্তৱিক হোৱা সত্বেও ভ্ৰম দৃষ্টিত দেখা পৰিণামক

বিৱৰ্তন বোলা হয়। এই বিৱৰ্তনকে মায়া বোলে। কিন্তু এই মায়া বাস্তৱত কোনো তত্ত্ব নহয়। যাৰ দৃষ্টিত সৃষ্টি সত্য তেওঁলোকক ক্ৰমম্বয়ে জগতৰ উৎপত্তিৰ তত্ত্ব কৈ থাকি প্ৰকৃতি ৰাজ্যলৈ লৈ যোৱা হয়। আৰু এটা অদ্বিতীয় চিৎস্বৰূপ প্ৰকৃতিৰ অসৎ বুলিকৈ একমাত্ৰ সৎ বস্তুকেই প্ৰতিষ্ঠা কৰে। এবাৰ জগতৰ অধ্যাৰোপ হৈ গলে পিচত তাৰ পৰিণাম যেনেকৈ মানা নাযাওক কিয় বিবৰ্তবাদী সকলৰ কোনো আপত্তি নাথাকে। মাত্ৰ এই সকলোবোৰৰ অপবাদ হৈ স্বৰূপৰ উপলব্ধি হব লাগে। তেওঁলোকৰ তাৎপৰ্য্য সেইটোয়ে যিটো সৃষ্টি বৰ্ণন কৰাত নাই। নিম্বাকাচাৰ্য্যিই দৃষ্টিভেদেৰে সকলো প্ৰকাৰৰ সিদ্ধান্তকেই সম্ভৱ বুলি ভাবে। এই সন্ত সকলৰ মতবোৰৰ উপৰিও আৰু বহুতো মত আছে যিসকলৰ মত অনুসৰি ভিন্ন ভিন্ন ৰূপত সৃষ্টি তত্ত্ব নিৰূপিত হয়। পূৰ্ব মিমাংসক আৰু ব্যৱহাৰিক দৃষ্টিৰে বেদন্তীয়েও জীৱবোৰৰ অদৃষ্টকে সৃষ্টিৰ হেতু বুলি স্বীকাৰ কৰে। কালৰ ধেমালি আৰু দৈৱৰ ইচ্ছা, ঈশ্বৰৰ ৰমণ আদিও ইয়াৰ কাৰণ বুলি কোৱা হয়। পাশ্চাত্য বৈজ্ঞানিক সকলে জগত সৃষ্টিৰ সম্বন্ধে, বিশেষকৈ অতিন্দ্ৰিয় পদাৰ্থৰ সম্বন্ধে এতিয়ালৈকে কোনো এটা শেষ সিদ্ধান্তত উপনীত হব পৰা নাই। আগতে তেওঁলোকেও অনেক পদাৰ্থৰ সংযোগেৰে সৃষ্টি হয় বুলি মানিছিল। কিন্তু পাছত এটা পদাৰ্থৰ বিকাশতে সম্ভৱ বুলি স্বীকাৰ কৰিবলৈ ধৰে। বৰ্তমানো যন্ত্ৰৰে প্ৰত্যক্ষ নোহোৱা কাৰণে তেওঁলোকে জগতৰ মূলতে থকা তত্ত্ব চৈতন্য নে জড় তাক নিৰ্ণয় কৰাত সন্দিগ্ধ হৈ আছে। কিন্তু ভাৰতীয় ঋষি মুনি সকলে সমাহিত হৈ নিজৰ যোগ সাধন দৃষ্টিৰে এই সম্পৰ্কে নিশ্চিতৰূপে জানি লৈছে যে সৃষ্টিৰ মূলতে কেৱল চিত্তহে আছে আৰু চিত্তাকৰ্ষক বস্তুৰ বাহিৰে দ্বিতীয় কোনো বস্তু নাই। সেইবাবে মদ্ভাগৱতত সৃষ্টি তত্ত্বৰ বৰ্ণন বিভিন্ন প্ৰকাৰে কৰা হৈছে। স্বৰ্গৰ লক্ষণ সম্পৰ্কে কোৱা হৈছে যে পৰমাত্মাৰ দ্বাৰা সাম্যৱস্থা প্ৰকৃতিত শোভ হোৱাত গুণবোৰৰ বিশমতাৰে মহতত্ত্ব, ত্ৰিবিধ অহংকাৰ, তন্মাত্ৰ, ইন্দ্ৰিয় আৰু পঞ্চভূতৰ সৃষ্টি হোৱাতোকে স্বৰ্গ বোলে। অব্যক্তৰ পৰা ব্যক্ত হোৱা, এটাৰ পৰা অনেক হোৱা, নিৰাকাৰৰ পৰা সাকাৰ হোৱা, সুক্ষ্মই স্থূল হোৱাতোয়েই সৃষ্টি। এইটোয়ে প্ৰকৃতিৰ পৰিণাম। মদ্ভাগৱতৰ অনেক ঠাইত মায়া আৰু প্ৰকৃতিৰ একাৰ্থক বুলি কোৱা হৈছে। বহু ঠাইত ভগৱানৰ ইচ্ছাকে প্ৰকৃতি বোলা হৈছে। প্ৰকৃতি, জীৱ আৰু বিবিধ ৰূপে স্বয়ং ভগৱানে প্ৰকাশ হয়। এইবোৰত ভগৱানে প্ৰৱিষ্ট নোহোৱা সত্বেও প্ৰৱিষ্ট হোৱা যেন দেখা যায়। তেওঁ নিজে-নিজৰ, নিজে-নিজতে, নিজেই-নিজৰদ্বাৰাই সৃষ্টি কৰে। তেওঁ নিজে স্ৰষ্টা (কুমাৰ) সৃজ্য (মাটি) আৰু সৃষ্ট (কলহ)। আমি দেখা পোৱা বিভিন্নতাবোৰ মায়িক আৰু অসৎ। যেনে সপোনত একো নোহোৱা সত্বেও অনেক বিভূতি দেখা পোৱা যায়। এনে ধৰণৰ অনেক বাক্য ভাগৱতত পোৱা যায়। তৃতীয় স্কন্ধৰ একাদশ অধ্যায়তো পৰমাণুৰ সংযোগতো সৃষ্টিৰ বৰ্ণনা পোৱা যায়। এই বিভিন্নতাবোৰৰ তাৎপৰ্য্য হ'ল সৃষ্টিৰ মূলতে স্থিত তত্ত্ব দৰ্শন। সৃষ্টি সম্বন্ধে যিমান দৃষ্টিভঙ্গি সম্ভৱ হয় সেইবোৰৰ আধাৰৰ ওপৰত বিচাৰ কৰি ঋষি মুনি সকলে সকলোৱে অন্তিম গতি ভগৱান বুলিহে কৈছে। আৰু সৃষ্টিৰ ক্ৰমটোক অনাদি বুলি ধৰি লোৱা হৈছে। সৃষ্টিৰ পাছত প্ৰলয় আৰু প্ৰলয়ৰ অন্তত সৃষ্টি এই পৰম্পৰা অনাদি কালৰ পৰা চলি আহিছে। তমোগুণৰ প্ৰধানতাৰ পৰা প্ৰলয় হয় আৰু ৰজোগুণৰ প্ৰধানতাৰ পৰা সৃষ্টি হয়। জীৱবোৰৰ কৰ্মৰ ফল অনুযাই সৃষ্টিৰ চাৰিটা কাৰণ বুলিব পাৰি। যথা - ধৰ্ম, অৰ্থ, কাম, মোক্ষ। দশম স্কন্ধৰ ৮৭ অধ্যায়ত এই সম্পৰ্কে বৰ্ণনা আছে। কৰুণাৰ সাগৰ ভগৱানে প্ৰলয় কালীন অজ্ঞানৰূপ ঘোৰ নিদ্ৰাত





শুই থকা জীৱবোৰক এইবাবে জাগ্ৰত কৰে যাতে তেওঁলোকে কৰ্মকৰি পুৰুষাৰ্থ সাধন কৰিব পাৰে। পুৰুষাৰ্থবোৰৰ ভিতৰত মোক্ষ হে সৰ্বশ্ৰেষ্ঠ। কাৰণ মোক্ষৰ দ্বাৰাইহে জীৱৰ সংসাৰৰ পৰা মুক্ত হোৱাৰ পথ প্ৰশস্ত হয়। দ্বিতীয় সৃষ্টিটো হ'ল ভক্তৰ দৃষ্টি। এই দৃষ্টিৰে ভগৱানে ধেমালি (ৰমণ) কৰাৰ কাৰণে সৃষ্টি কৰে। এটাৰ পৰা অনেক হোৱা আদি বেদবাক্যবোৰে এই দৃষ্টিকে নিৰূপণ কৰে। ভগাৱানে জীৱ আৰু জগত নিৰ্মাণ কৰি সেই বিলাকৰ লগত ক্ৰিয়া কৰে। চৰাচৰ জগত তেওঁৰ লীলা ভূমি। ভকতৰ দৃষ্টিত কৰ্ম আৰু কৰ্মফলৰূপী সুখ দুখৰ অস্তিত্ব নাই। কৰ্ম আৰু তাৰ ফলো লীলা মাত্ৰহে। এই দৃঢ় ভাৱত নিশ্চিত হৈ ভক্তই প্ৰতিক্ষণ ভগৱানৰ লীলা সমূহ দৰ্শন কৰি থাকে। আৰু সকলো পৰিস্থিতিতে নিজৰ প্ৰিয়তমৰ স্মৰণত মজি থাকে। জ্ঞান দৃষ্টিৰেও সৎযেন দেখা অসৎ জগতখনকে প্ৰত্যেক মুহূৰ্ততে নিজৰ ভাৱা ভাৱৰ সাক্ষী চিন্মাত্ৰ অধিস্থানকে বোধ কৰে। কিন্তু বৃত্তিৰ গাঢ়তা হলে তেতিয়া সংসাৰ বোলা একো নাথাকে। কেৱল নিজ স্বৰূপটোহে মাত্ৰ থাকি যায়। এই নিজ স্বৰূপটোক চিনি পোৱাৰ কাৰণেই সৃষ্টিৰ কৰ্মবোৰ বৰ্ণনা কৰা হৈছে। ইয়াৰ বাহিৰেও বিভিন্ন কল্পবোৰৰ ভেদৰ পৰাও সৃষ্টি বৰ্ণনাত ভিন্নতা দেখা যায়। কেতিয়াবা আকাশৰ পৰা কেতিয়াবা তেজৰ পৰা, কেতিয়াবা জলৰ পৰা, কেতিয়াবা প্ৰকৃতিৰ দ্বাৰা সৃষ্টিৰ উৎপত্তি হয়। সেই সকলোবোৰ কল্পক ভাৱৰ ভিতৰত ৰাখি বিভিন্ন প্ৰকাৰে বৰ্ণনা কৰা হয়। সৃষ্টিৰ ক্ৰমৰ বৰ্ণনা ভাগৱতৰ দ্বিতীয়, তৃতীয় স্কন্ধত বিস্তৰ ভাৱে বৰ্ণনা কৰা আছে, যিবোৰ উপনিষদ, গীতা আৰু মনুস্মৃতি আদিৰ লগত সামঞ্জস্য আছে।

*********

# বিসৰ্গ

বিৰাট পুৰুষৰ এটা অশুত ব্ৰহ্মাৰ দ্বাৰাই যি বিবিধ প্ৰকাৰৰ সৃষ্টি হয় তাৰ নাম বিসৰ্গ। অৰ্থাৎ বাসনা বিশিষ্ট সৃষ্টিৰ নাম বিসৰ্গ। "বাসনা ইৱ সংসাৰ।" বিসৰ্গই পৰমাত্মাৰ অনুভূতি লাভ কৰা কাৰণে পৰমাত্মা দৰ্শন কৰি জীৱ কৃতকৃত্য হয়। সৰ্গ অসীম কিন্তু বিসৰ্গ স্বল্পমাত্ৰ। এখন ব্ৰহ্মাণ্ডক স্বশৰীৰ বুলি ধৰিলোৱা সকলে ৰজোগুণৰ অধিষ্ঠাতা দেৱতা, ব্ৰহ্মা, হংসৰূপ পৰমাত্মাৰ আধাৰত চাৰিও বেদৰ জ্ঞানৰ আশ্ৰয়লৈ জীৱবোৰৰ অতীত ক্ৰিয়া কৰ্মক স্মৰণ কৰে আৰু সেই কৰ্ম অনুসাৰে নানা প্ৰকাৰৰ ভোগ আৰু কৰ্ম কৰিবৰ কাৰণে শৰীৰ বোৰ নিৰ্মাণ কৰে। প্ৰাৰম্ভতে সৃষ্টি সম্বন্ধে ব্ৰহ্মাৰো একো স্মৰণ হোৱা নাছিল। সেই বাবে প্ৰজাপতিয়ে সৃষ্টিৰ আদি মূল বিচাৰি সচ্চিদানন্দৰ প্ৰেৰণাত কৃচ্ছ তপস্যা আৰম্ভ কৰে। সৰ্গৰ আশ্ৰয়ত ভগৱানৰ সাক্ষাৎকাৰ হয়। তেতিয়া ব্ৰহ্মাই পূৰ্ব কল্পৰ সৃষ্টি কৰে। ব্ৰহ্মাৰ এনে সৃষ্টি মানসিকহে হয়। কাৰণ ব্ৰহ্মাই শৰীৰ সহযোগৰে সৃষ্টি নকৰে। এই কাৰণে ব্ৰহ্মাৰ সৃষ্টিত বিবিধতা আৰু বৈষম্যতা আছে। আৰু সেই ভিন্নতাৰ কাৰণ হৈছে জীৱ বোৰৰ পূৰ্ব জন্মৰ বাসনাপূৰ্ণ বাৰে বৰণীয়া কৰ্মৰাজী। ব্ৰহ্মাই ভগৱত প্ৰাপ্ত জ্ঞানৰ দ্বাৰাই সেইবোৰ জানিবলৈ সেই অনুসাৰে সৃষ্টি কৰে। ব্ৰহ্মাৰ দৰে যোগৰূঢ় মৰীচি, কাশ্যপ, মনু প্ৰভৃতি ত্ৰিকালজ্ঞ গুণাতীত ঋষি মুনি সকলেও মানসিক ভাৱে সৃষ্টি কৰাৰ ক্ষমতা পাইছিল। সেই বাবে কাশ্যপৰ দ্বাৰা দেৱ, দৈত্য, পশু, পক্ষী, স্থাৱৰ, জঙ্গম, সকলো প্ৰকাৰৰ সৃষ্টি হৈছিল। নিৰুক্ত মতে কাশ্যপৰ অৰ্থ দেখোতা। দেখা মাত্ৰেই সৃষ্টি কৰিব পৰা ক্ষমতাপন্ন লোক। শ্ৰুতি শাস্ত্ৰবোৰত মানসিক সৃষ্টিৰ বহুল

বৰ্ণনা পোৱা যায়। মানস দৃষ্টিৰে পৰোক্ষ কৰ্ম বোৰকো দেখে। ঋষি মুনি সকলে তপস্যাৰ অসীম বলতে প্ৰথম-প্ৰথমে মানসী সৃষ্টিকে কৰিছিল। ব্ৰহ্মাৰ দ্বাৰা যি বেদমূলক অক্ষয় অব্যয় আৰু ধৰ্মৰ অনুকূলে সৃষ্টি হৈছে সেই সৃষ্টিৰ নাম মানসী সৃষ্টি। বিষ্ণু পুৰাণত সৃষ্টিৰ কেইবাটাও স্তৰৰ বিষয়ে বিস্তৃৰ ভাবে কোৱা হৈছে। এটা স্তৰত সৃষ্টিৰ কেৱল অন্নময় কোষৰ বিকাশৰ কথা কোৱা হৈছে। আনবোৰ অবিকশিত হৈ আছে। দ্বিতীয় সৃষ্টি স্বেদজ, অণ্ডজ আৰু জৰায়ুজ প্ৰাণীবোৰত ক্ৰমে প্ৰাণয়ম মনোময় আৰু বিজ্ঞান ময় কোষবোৰৰ যৎকিঞ্চিৎহে বিকাশ হৈছে। কিন্তু সেই বোৰৰ অন্তঃকৰণত জ্ঞানৰ বিকাশ নাথাকে। সেই বাবে সেই বোৰৰ ধৰ্ম অধৰ্মৰ বান্ধোন শিথিল। আৰু সেই কাৰণেই এইবোৰ প্ৰাকৃতৰূপে অভিমানী হয়। তৃতীয় সৃষ্টি, দেৱতা, যিবোৰৰ অকল ভোগ বিলাসতে অনুৰক্ত হৈ মত্তহৈ থাকে। এই সকলোবোৰ সাধন বিহীন সৃষ্টি। ইয়াৰ পিছতহে মানৱ গণৰ সৃষ্টি হয়, যি সৃষ্টি সাধন ভজন আৰু কৰ্ম প্ৰবণ হয়। অৱশ্যে এই সকলোবোৰ ব্ৰহ্মাৰ মানসী সৃষ্টিহে। শ্ৰীমদ্ভাগৱতত ব্ৰহ্মাৰ এই মানসী সৃষ্টিৰ বৰ্ণনাকে পোৱা যায়। মনুস্মৃতিৰ মতে ব্ৰহ্মাৰ মানস পুত্ৰবোৰেও মানসী সৃষ্টিৰ দ্বাৰা দেৱতা, দৈত্য, মহৰ্ষি আদিৰ উৎপত্তি কৰিছিল। কিন্তু কাল ক্ৰমত যোগ পৰিবৰ্তনৰ লগে লগে যোগ শক্তিৰ ক্ষমতা শীৰ্ণ হৈ অহা বাবে মানসী সৃষ্টি বিকল হৈ কেৱল মাত্ৰ মৈথুন সৃষ্টিহে থাকে বা আছে। তথাপিতো জনচেৰেক তপসিদ্ধ যোগী পুৰুষৰ দ্বাৰা মানসী, চাক্ষুষী আদিৰ সৃষ্টিৰ কথা বিশ্বাস কৰিবলৈ টান পায়। সেই সকলৰ মতে স্ত্ৰী-পুৰুষৰ ৰতিক্ৰিয়া অবিহনে সৃষ্টি অসম্ভৱ। এই জ্ঞান সৃষ্টি তত্ত্বৰ ওপৰত সাধন নকৰাৰ ফল। আৰ্য্য শাস্ত্ৰত সৃষ্টিৰ সাতটা স্তৰ নিৰ্ণীত হৈছে। ক) মানসী সৃষ্টি খ) স্ত্ৰী-পুৰুষৰ লিঙ্গ ভেদ নথকা সৃষ্টি গ) একে শৰীৰতে স্ত্ৰী পুৰুষ ওভয়ৰে সৃষ্টি ঘ) স্ত্ৰী পুৰুষ বেলেগ বেলেগ হৈ থাকিও নিজৰ মানসী শক্তিৰ দ্বাৰা সন্তান উৎপন্ন কৰে। আজিৰ বিজ্ঞানৰ মানসী শক্তিৰে অসম্ভৱক সম্ভৱ কৰিছে। মানসী শক্তিৰ বলত গৰ্ভধানো কৰা হৈছে। এনে শক্তিক পাশ্চাত্য বৈজ্ঞানিক সকলেও সম্ভাব্য দৃষ্টিৰে চাইছে। ব্যাসদেৱৰ মানসী দৃষ্টিপাতেৰে ধৃতাৰাষ্ট্ৰ, পাণ্ডু আৰু বিদুৰৰ জন্ম সম্ভৱ হৈছিল। আনহাতে দেৱতা বোৰৰ মানসী প্ৰেৰণাৰ হেতুকে কুন্তীৰ দ্বাৰা পাণ্ডৱ সকল জাত হৈছিল। ঙ) যজ্ঞৰ অৱশিষ্ট হৱিষ্য অথবা অভীপ্সিত চৰুৰ দ্বাৰা সৃষ্টি। চ) কালক্ৰমত ওপৰত উল্লিখিত শক্তিবোৰৰ হ্ৰাস পোৱাত কেৱল স্ত্ৰী পুৰুষৰ কামকেলিৰ ফলত হোৱা সৃষ্টি। ছ) ব্ৰহ্মচৰ্য্য সদাচাৰ সংযম আদিৰ অভাৱত পুৰুষ আৰু স্ত্ৰীবোৰ শক্তিহীন হৈও যৌন সংসৰ্গৰ ফলত অবাঞ্ছিত বৃদ্ধিৰ সৃষ্টি হৈছে। এই ধৰণে ঐশিক শক্তি অৱনমিত হৈ হৈ মানসী সৃষ্টিৰ পৰা পৰম্পৰ শৰীৰ সংযোগেৰে সৃষ্টিৰ শ্ৰেণীত পৰিছে যদিও আগলৈ নপুংসকতা আৰু বন্ধ্যাত্বইহে ঠাই পাব। পুৰাণ শাস্ত্ৰবোৰত নানা প্ৰকাৰ সৃষ্টিৰ বৰ্ণনা কৰা হৈছে যদিও শ্ৰীমদ্ভাগৱততো বিসৰ্গৰ অতি সুন্দৰ, বিস্তৃত আৰু বিজ্ঞান অনুমোদিত বৰ্ণনা কৰা হৈছে। ব্ৰহ্মাৰ দ্বাৰা জীৱবোৰৰ বাসনা অনুসৰি এটা বীজৰ পৰা আন এটা বীজত গৈ জন্ম পোৱাকে বিসৰ্গ কোৱা হৈছে। অৰ্থাৎ ব্ৰহ্মাৰ সৃষ্টিৰ নাম বিসৰ্গ। এই বিসৰ্গ ভগৱানৰ সৰ্ব্বোৎকৃষ্ট জ্ঞান, শক্তি আৰু ক্ৰিয়াৰ বোধক। জগতৰ প্ৰতিটো বিচিত্ৰতাই ভগৱানৰ কৌশলৰ কথাকে স্মৰণ কৰায় আৰু এই ক্ৰিয়াবোৰ দেখি দেখি ভক্তবোৰ বিমুগ্ধ হৈ থাকে। শ্ৰীমদ্ভাগৱতত বিসৰ্গ তত্ত্বৰ বৰ্ণনা এই কাৰণে কৰা হৈছে যাতে জীৱৰ আশ্ৰয় স্থলী ভগৱানক অনুসন্ধিৎসু মানৱে যাতে হৃদয়তে বিচাৰি উলিয়াই লাভ কৰিব পাৰে।





# স্থান

বিৰাট পুৰুষৰ নিৰূপিত স্থল। আশ্ৰয় স্বৰূপ পৰমাত্মাত বিবৰ্তন অথবা পৰিণামৰ দ্বাৰা মহাতত্ত্বাদি আৰু ব্ৰহ্মাণ্ডৰ সৃষ্টি কি ধৰণে হয় সৰ্গ আৰু বিসৰ্গৰ দ্বাৰাই বৰ্ণনা কৰা হৈছে। সৰ্গ সামান্য সৃষ্টি, বিসৰ্গ বিশেষ। এখন ব্ৰহ্মাণ্ডৰ সৃষ্টি প্ৰক্ৰিয়া যেনে, অসংখ্য কোটি ব্ৰহ্মাণ্ডৰ সৃষ্টি প্ৰণালীও একে। এখন ব্ৰহ্মাণ্ডৰ কিমান লোক আছে আৰু সেইবোৰৰ বিস্তাৰ আৰু মৰ্য্যদা কিমান, বিচাৰ কৰি চোৱাহে আচল কথা। এনে ভাৱৰ দ্বাৰা ভগৱানৰ সৰ্ব্বোৎকৃষ্ট প্ৰতিপন্ন হয়। ভগৱান নিজে অসংখ্য ব্ৰহ্মাণ্ডৰ অন্তৰ্গত লোকবোৰৰ ধাৰক, সন্মান প্ৰৱৰ্ত্তক আৰু সংৰক্ষক। মানৱৰ দৃষ্টি অত্যন্ত স্থূল। মানুহে নিজৰ ওচৰ-পাজাৰৰ অলপ স্থূল ঠাইহে দেখে। সূক্ষ্ম জগত সম্বন্ধে সৰ্ব্ব সাধৰণে একো উমান নেপায়। কিন্তু মানুহৰ জিজ্ঞাসা শক্তি অতি বিশাল। সেইবাবে জিজ্ঞাসু মানৱে অতি দূৰবো দূৰ স্থান আৰু সূক্ষ্মতো সূক্ষ্ম বস্তুবোৰ জানিবৰ প্ৰয়াস কৰে। এনে প্ৰযত্নৰ বশীভূত হৈ আধুনিক জগতৰ মানুহে পৃথিৱীৰ সাধাৰণ অংশ বিশেষো বিচাৰি উলিয়াইছে যদিও স্থূল পৃথিৱীখন সম্পূৰ্ণ আৱিস্কাৰ কৰিব পৰা নাই। অনেকবোৰ মৰুভূমি, পৰ্ব্বতৰ শিখৰ আৰু সাগৰৰ তলিবোৰ এনেয়ে পৰি আছে যাৰ এতিয়ালৈকে সম্পূৰ্ণ উদ্ভাৱন হোৱা নাই। আৰু আগলৈকো সম্পূৰ্ণ বিষয়ৰ প্ৰকাশ হোৱাৰ আশা কৰা নেযায়। এনে আধৰুৱা দৃষ্টিৰ লোকে যেতিয়া আমাৰ প্ৰাচীন ঋষি মুনিবোৰৰ দ্বাৰা লোক-লোকান্তৰ, সমুদ্ৰৰাজি আৰু পৃথিৱীৰ নানা স্তৰৰ বৰ্ণনা শুনে, তেতিয়া তেওঁলোকৰ মানস বুদ্ধিয়ে ঢুকি নোপোৱা হয়। আৰু সেই সকলে এইবোৰৰ অস্তিত্বত বিশ্বাস কৰিবলৈ টান পায়। কাৰণ যোগদৰ্শনত চতুৰ্দশ লোকৰ জ্ঞানৰ প্ৰক্ৰিয়াৰ বিষয়ে কওঁতে কোৱা হৈছে যে সূৰ্য্যত সংযম কৰিলেহে চতুৰ্দশ ভূৱনৰ জ্ঞান হয়।

চতুৰ্দশ লোকৰ সংখ্যা গণনাৰ ক্ষেত্ৰত ভাষ্যকাৰ ভগৱান ব্যাসদেৱে ভূঃ, ভুবঃ, স্বঃ, জনঃ মহঃ, তপঃ সত্য এই সপ্ত লোকৰ উপৰিও মাহেন্দ্ৰ স্বৰ্গ, প্ৰজাপত্য স্বৰ্গ আৰু তিনি প্ৰকাৰৰ ব্ৰাহ্ম স্বৰ্গৰ বৰ্ণনা কৰিছে। তেনেদৰে পৃথিৱীৰ তলত থকা অতল, বিতল, সুতল, তলাতল, মহাতল, ৰসাতল আৰু পাতাল এই সপ্ত লোকৰো বৰ্ণনা কৰিছে। এয়ে চৈধ্য ভুৱন। পৃথিৱীৰ তলত বাস কৰা আসুৰিক স্বভাৱৰ দৈত্য, দানৱ আৰু সৰ্পবোৰে অধিক বিষয় ভোগ কৰাৰ সুবিধা পায়। এওঁ লোকক বিলস্বৰ্গ বোলে। ভাগৱতৰ পঞ্চম স্কন্ধৰ ২৪ অধ্যায়ত ইয়াৰ বিস্তাৰ বৰ্ণনা আছে। পৃথিৱী যত আমিবোৰ আছো আৰু অন্তৰীক্ষ য'ত অতি ক্ষুদ্ৰ জীৱবোৰ থাকে তাকে ভুৱৰলোক বোলে। এই দুয়োটাকে ভৌম স্বৰ্গ বোলে। ইয়াৰ উৰ্দ্ধৰ পঞ্চলোকক দিব্য স্বৰ্গ বোলে। স্বৰলোক-মহেন্দ্ৰ স্বৰ্গ, মহৰলোক প্ৰজাপত্য স্বৰ্গ আৰু জনলোক, তপলোক আৰু সত্যলোকক ব্ৰাহ্ম স্বৰ্গ বোলে। এই লোকবোৰত সাত্তিক ভোগ আৰু সাত্তিকতাৰ উৎকৰ্ষ সাধন হয়। ভূঃ লোক আৰু ভুবঃ লোকৰ অন্তৰ্গত চন্দ্ৰ সূৰ্য্য ধ্ৰুৱ নৈক্ষত্ৰ পৃথিৱী আদি সকলো স্থূললোক। ভাগৱতৰ পঞ্চম স্কন্ধৰ বিশ অধ্যায়ত এই সম্পৰ্কে বহলাই কোৱা হৈছে। ভূঃ লোকৰ সাতটা বিভাগক বেলেগ বেলেগ দ্বীপৰ নামত কোৱা হৈছে। ভূঃ লোকৰ অৰ্থ কেৱল পৃথিৱীয়ে নহয়, ইয়াৰ অন্তৰ্গত বহুতবোৰ সূক্ষ্ম আৰু অদৃশ্য লোকালোক আছে। এই বাবে সেই দ্বীপবোৰৰ চাৰিওফালে থকা সমুদ্ৰবোৰক স্থূল জলময় সমুদ্ৰ বুলি ধৰি ল'ব

নালাগে। সেইবোৰ সকলো বাতাৱৰণহে। কাৰণ এটা দ্বীপৰ ওপৰত সমুদ্ৰ, আকৌ দ্বীপ, আকৌ সমুদ্ৰ। এনে ক্ৰমেৰে সাতটা দ্বীপ আৰু সাতটা সমুদ্ৰস্থিত হৈ আছে। এই সপ্ত দ্বীপৰ নাম যথাক্ৰমে - জম্বু, প্লক্ষ, শাল্মলী, কুশ, ক্ৰৌঞ্চ, শাক আৰু পুস্কৰ দ্বীপ। এই দ্বীপবোৰক - লৱণ, ইক্ষু, সুৰা, ঘৃত দধি, ক্ষীৰ, আৰু স্বাদূদক সমুদ্ৰই বেঢ়ি আছে। এই সকলোবোৰ দ্বীপ আৰু সমুদ্ৰ সুমেৰু পৰ্ব্বতৰ আধাৰত স্থিতহৈ আছে। সুমেৰু পৰ্ব্বত স্থূল নহয় দিব্যহে। এই বিষয়ে মৎস পুৰাণৰ ১১৩ অধ্যায়ত বৰ্ণিত হৈছে।

আকাশত বায়ু মণ্ডলৰ অনেক স্তৰ পোৱা যায়। পৃথিৱীৰ পৰা কিছুদূৰ ওপৰলৈ উৰিলে এনে বায়ু মণ্ডলৰ স্তৰ পোৱা যায় য'ত আকাশী যান উৰিব নোৱাৰে। এইটো পৃথিৱী তত্ত্ব প্ৰধান লোকৰ বায়ু মণ্ডল। আৰু যি বোৰ লোক জলতত্ত্ব প্ৰধান নাইবা অগ্নিতত্ত্ব প্ৰধান সেইবোৰৰ বায়ুমণ্ডলত বহুত অন্তৰ হোৱাটো নিশ্চিত। ঋষি মুনিবোৰে সমাহিত বুদ্ধিৰে সকলো বোৰ স্তৰ উপলব্ধি কৰি সেইবোৰৰ পৃথকে পৃথকে নামকৰণ কৰিছে।

সেই সকলোবোৰৰ মাজত জম্বুদ্বীপে প্ৰাধান্য লাভ কৰিছে। কাৰণ বৰ্ত্তমান পৃথিৱীখন স্থূল দৃষ্টিৰে যিমান উপলব্ধি হয়, এই আটাইখিনি জম্বুদ্বীপৰ অন্তৰ্গত। কাৰণ সমস্ত পৃথিৱীখনে লৱণ সমুদ্ৰৰেই পৰিব্যাপ্তিত আৰু জম্বুদ্বীপৰ এটা অংশ। জম্বুদ্বীপত ৯ টা খণ্ড বা বৰ্ষ আছে। তাৰ ভিতৰত ভাৰতবৰ্ষ অন্যতম্। কাৰণ ভাৰতবৰ্ষহে কৰ্মক্ষেত্ৰ, অন্য ৮ টা বৰ্ষ স্বৰ্গৰ পৰা প্ৰত্যাবৰ্ত্তণ কৰা লোকৰ বাবে শেষপুণ্য খিনি উপভোগ কৰা ঠাই। সেই বাবে এইবোৰক ভৌম স্বৰ্গ বোলে। ভাগৱতৰ পঞ্চম স্কন্ধৰ ১৯ অধ্যায়ত বৰ্ণিত হৈছে যে কেৱল এই ভাৰত বৰ্ষত হে পাপ পুণ্যৰ ভেদ আছে আৰু ফলা ফলো আছে। আমি নিশ্চিত হ'ব পাৰো যে এখন ব্ৰহ্মাণ্ডত ১৪ খন লোক আছে। সেইবোৰৰ ভিতৰত ভূঃ লোক এখন য'ত ৭ টা দ্বীপ আছে আৰু সেইবোৰৰ ভিতৰত জম্বুদ্বীপো এটা। জম্বুদ্বীপৰ এখন বৰ্ষৰ নাম ভাৰতবৰ্ষ যি খনত কেৱল মানুহকে আদি কৰি সমস্ত প্ৰাণী থকাৰ বাবে উপযুক্ত। বাকীবোৰ বৰ্ষৰ বৰ্ণনা দেৱলোকৰ বৰ্ণনাৰ লগত মিল আচে। জম্বুদ্বীপ অৰ্থাৎ ভাৰতবৰ্ষৰ বাহিৰে আন বৰ্ষবোৰত শোষ, শ্ৰম, উদ্বেগ আৰু ক্ষুধাৰ ভয় আদি নাই। সেই ঠাইৰ লোক সুস্থ আতংকহীন, সুখী আৰু কুৰাৰি ভাৱহীন। সেইবাবে তেওঁলোকৰ আয়ুস ১০/১২ হাজাৰ বছৰ হয়। তাত বৰষুণ নহয় বাবে অপাৰ্থিৱ জলেৰেই কাম চলে। তাত যোগ ভেদো নাই। ইয়াৰ দ্বাৰা বুজা যাই যে ভাৰত বৰ্ষৰ বাহিৰে অন্য ভাগবোৰ স্থূল নহয়। এতিয়ালৈকে আমেৰিকা ইউৰোপ আফ্ৰিকা আদি যিমানবোৰ স্থূল দেশ আৱিস্কাৰ হৈছে সেই সকলোবোৰ জম্বুদ্বীপ ভাৰত বৰ্ষৰে অন্তৰ্গত প্ৰদেশ বিশেষ। বিষ্ণুপুৰাণত এইবোৰৰ গণনা সুন্দৰ ভাবে দিয়া আছে। ভাৰত বৰ্ষত ৯ টা ভাগ আছে। সেইবোৰ যথাক্ৰমে ইন্দ্ৰদ্বীপ, কসেৰু, তাম্ৰপৰ্ণ, গভস্তিমান, নাগদ্বীপ, সৌম, গান্ধৰ্ব্য আৰু বাৰুণ। এই ৮ টাৰ বাহিৰে নবম দ্বীপ হ'ল ভাৰত দ্বীপ। এই দ্বীপক চাৰিও ফালৰ পৰা সমুদ্ৰই বেৰি আছে। মৎস্য পুৰাণৰ মতে ভাৰত বৰ্ষৰ ৯ টা ভেদ আছে। সেইবোৰ হিমালয়ৰ পৰা কন্যাকুমাৰীলৈকে সাগৰেৰে পৰিবেষ্ঠিত আৰু এই খনেই ভাৰত দ্বীপ। ইয়াৰ তাৎপৰ্য্য এইটোৱে যে বৰ্ত্তমান ভূমণ্ডল বুলিলে আমি যিমানলৈকে ঢুকি পাও সিমানলৈকেই ভাৰত বৰ্ষ। বৰ্ত্তমান সময়ত যিখণ্ড ভূভাগক আমি হিন্দুস্থান কঁও সেই খণ্ড ভাৰত বৰ্ষৰ এটা দ্বীপহে মাত্ৰ। পূৰ্বতে শাস্ত্ৰবোৰত দ্বীপবোৰৰ যি যি নামৰ উল্লেখ আছিল সেই নামবোৰ কালক্ৰমত সলনিহৈ গৈছে। ভাষাও পৰিবৰ্ত্তিত হৈছে। ব্ৰাহ্মণ





শাস্ত্ৰ, বেদ আদিৰ বহুল প্ৰচাৰৰ অভাৱত সেইবোৰ আমাৰ পৰা আতৰি গৈছে। অৰ্থাৎ ইন্দ্ৰদ্বীপ, কসেৰু, তাম্ৰপৰ্ণ আদি নামবোৰ শুনিবলৈ আচাৰ্য্যজনক হৈ পৰিছে। জম্বুদ্বীপৰ ৯ টা খণ্ডৰ ভিতৰত ভাৰত খণ্ডটো সৰ্ব্ব প্ৰধান। অৱশ্যে এই দ্বীপৰ আৰু ৮ টা উপদ্বীপ আচে। সেইবোৰ যথাক্ৰমে স্বৰ্ণপ্ৰস্থ, চন্দ্ৰশুক্ৰ, আৱৰ্ত্তণ, ৰমণক, মন্দহৰিণ, পাঞ্চজন্য, সিংহল আৰু লংকা। এইবোৰৰ ভিতৰত সিংহল আৰু লংকা দ্বীপৰ নামহে একে আছে। বাকীবোৰৰ নাম সলনি হৈ গৈছে। ভূগোল আৰু ইতিহাসৰ অনুৰাগি সকলে এইবোৰৰ অণ্বেষণ কৰি প্ৰাচীন শাস্ত্ৰবোৰৰ সত্যতাক অনুভৱ কৰিব লাগে। আমি জনা উচিত যে ভৌগলিক স্থিতিত নিৰন্তৰ পৰিবৰ্ত্তনহৈ থাকে। কাৰণ হাজাৰ হাজাৰ বছৰ পূৰ্বে যি ঠাইত ডাঙৰ ডাঙৰ পৰ্ব্বত আছিল ভূ-পৃষ্ঠৰ আলোড়নৰ ফলত আজি সেইবোৰ সাগৰত পৰিণত হৈছে। আৰু যিবোৰ সাগৰ আছিল সেইবোৰ পৰ্ব্বতত পৰিণত হৈছে। পুৰাতত্ত্ব বিভাগৰ অনুসন্ধান কাৰীয়ে পৰ্ব্বতৰ টিঙত জলজন্তুৰ হাড়-মূৰ আদি পোৱাৰ আগতে ইয়াত সাগৰ আছিল বুলি নিশ্চিত হৈছে। ইতিমধ্যে বহু দ্বীপ সাগৰত বিলীন হৈ গৈছে। আৰু বহুতো জলময় প্ৰদেশ মানুহৰ বাসস্থানৰ উপযোগী হৈ উঠিছে। এনে ক্ষেত্ৰত যদি পৌৰাণিক ভূগোল আৰু বৰ্ত্তমানৰ মাজত কিবা পাৰ্থক্যও দেখা যায় এইটো কল্পনা প্ৰসূত বুলি ভাবিব নেলাগে। বৰং সেই বোৰৰ প্ৰমাণিতহে স্বীকাৰ কৰা উচিত। মদ্ভাগৱতত তিনি প্ৰকাৰৰ স্থিতিৰ বৰ্ণনা আছে। যথা পৃথিৱী লোকৰ স্থিতি, উৰ্দ্ধলোকৰ স্থিতি আৰু অধঃ লোকৰ স্থিতি। আকৌ পৃথিৱী লোকৰ চাৰি প্ৰকাৰ স্থান আছে। পিতৃলোক, মনুষ্য লোক, পৰলোক আৰু প্ৰেতলোক। ইয়াৰ ভিতৰত মণুষ্য লোকৰ চাৰি প্ৰকাৰৰ শৰীৰ আছে। যেনে উদ্ভিদজ শৰীৰ (বনস্পতি) স্বেদজ শৰীৰ (মহ, উৰহ, ছাল ওকণি আদি) অণ্ডজ শৰীৰ (পক্ষী পিপৰা আদি) আৰু জৰায়ুজ শৰীৰ (মনুষ্য, পশু আদি)। এই সকলোবোৰ মনুষ্য লোকত থাকে। আৰু সকলোৱে নিজৰ নিজৰ মৰ্য্যদা ৰক্ষা কৰি চলাৰ বাবে শাস্ত্ৰত বিধি বিধান নিৰূপণ কৰা আছে। লৱণ সমুদ্ৰৰ পাৰত ভাৰত বৰ্ষৰ আগ্নেয় কোণৰ নিম্ন স্তৰত নৰকৰ স্থান আছে যিটো দেহজ চকুৰে দেখা পোৱা নাযায়। ইয়াক এক প্ৰকাৰ বন্দীশাল বুলি ক'ব পাৰি। কুকৰ্মৰ বাবে হোৱা পাপৰ ফল ভোগ কৰিবৰ বাবে জীৱবোৰে তালৈকে যাবলৈ বাধ্য হয়। সেই বিলাকৰ শৰীৰক যাতনা শৰীৰ বোলা হয়। পৃথিৱীৰ উৰ্দ্ধে অন্তৰীক্ষৰ অলপ দূৰত প্ৰেতলোক আছে য'ত বাসনামুক্ত লোক বিলাকে মৃত্যুৰ পিছত বাসনা ময় শৰীৰ ধাৰণ কৰি তাত নিবাস কৰে। পিতৃলোক হ'ল পুণ্যাত্মা বোৰৰ স্থান। তাত কিছু নিত্য পিতৃও থাকে। এওঁলোকৰ সীমা শাস্ত্ৰৰ দ্বাৰা সুনিশ্চিত হৈ আছে। আৰু অধঃলোক বোৰত তলৰ পৰা আৰম্ভ কৰি পাতাললৈকে সীমা নিৰ্দ্ধাৰণ কৰা আছে। এই সকলোবোৰ নিয়ম ভগৱত ইচ্ছাৰ দ্বাৰাই নিৰ্মিত হৈছে। ভাগৱতত বৰ্ণনা কৰা মতে পৃথিবীৰ সকলো বোৰ বিভাগ সূৰ্য্যৰ দ্বাৰা বিভক্ত হৈছে। অৰ্থাৎ সূৰ্য্যৰ কিৰণ আৰু চন্দ্ৰৰ পোহৰ যিমানলৈকে যাব পাৰে সেই পৰি দৃশ্যমান অংশৰ নামেই পৃথিবী। পঞ্চিকৰণ প্ৰক্ৰিয়া অনুসৰি পৃথিবী তত্ব প্ৰধান বায়ু মণ্ডলক পৃথিৱী বোলে অৰু জলতত্ব প্ৰধান বায়ু মণ্ডলক সমুদ্ৰ বোলে। এই দৃষ্টিৰে পৃথিৱীৰ দীঘল পুতল ৫০ কোটি যোজন বুলি কোৱা হৈছে। সমুদ্ৰ বোৰৰ বৰ্ণনাও এই দৃষ্টিৰে কৰা হৈছে। বৰ্তমান পৃথিৱীৰ মধ্যৰেখাৰ ব্যাস এক হেজাৰ যোজন। অ ৱশ্যে গোলাকাৰ বস্তুৰ ঘনফল উলিওৱা ৰীতিৰে যদি পৃথিৱীৰ পৰিমাণ উলিওৱা হয় তেতিয়াহলে ই ৫০ কোটি যোজন হব। পৃথিৱী, সূৰ্য্য আদি গ্ৰহ নক্ষত্ৰ বোৰৰ সমন্ধ প্ৰাচীন আৰু অৰ্ব্বাচীন শাস্ত্ৰ বোৰত প্ৰায় একেই দেখা যায় যদিও

বৈজ্ঞানিক সকলে এতিয়ালৈকে এই দিশত কোনো এটা সুনিশ্চিত তথ্য উলিয়াব পৰা নাই। সেই বাবে এই বিষয়ত তেওঁলোকৰ অনিশ্চিত মতৰ লগত শাস্ত্ৰীয় মতক তুলনা নকৰি শাস্ত্ৰীয় মতকে প্ৰামাণিক বুলি মানি লোৱা ভাল। প্ৰাকৃত সৃষ্টি (সৰ্গ) আৰু ব্ৰহ্মাণ্ডৰ অন্তৰ্গত বিবিধ সৃষ্টিয়ে (বিসৰ্গ) যেনেকৈ ভগৱানৰ মহিমা প্ৰকত কৰে ঠিক তেনেকৈয়ে এখন ব্ৰহ্মাণ্ড আৰু অসংখ্য ব্ৰহ্মাণ্ডৰ স্থিতিও ভগৱানৰ অদ্ভুত ধাৰণা শক্তি নাইবা আধাৰ শক্তিৰ মহিমাকে প্ৰকত কৰে। সেই বাবে প্ৰত্যেক লোকতেই কৰ্ত্তব্য -অকৰ্ত্তব্য, সুফল-কুফল আৰু মহান নিয়ন্ত্ৰণক দেখি সহৃদয় পুৰুষে নিয়ন্ত্ৰণ কৰোতা শ্ৰীহৰিৰ চৰণত নিজকে সমৰ্পণ কৰে। এই নিয়ন্ত্ৰণ আৰু ন্যায়ৰ লগতেই ভগৱানৰ দয়াও পূৰ্ণ ৰূপত থাকে। এই কাৰণে স্থিতি আৰু মৰ্য্যাদাৰ বৰ্ণন কৰি পোষণ অৰ্থাৎ ভগৱানৰ অনুগ্ৰহৰ বৰ্ণনা কৰাতো প্ৰাসঙ্গিক হৈ পৰে। সেই বাবে ভাগৱতত কোৱা হৈছে "পোষণম্ তদনুগ্ৰহ" পোষণ ভগৱানৰ অহেতুক আৰু সৰ্বতোমুখী দয়া।

*********

# পোষণ

পোষণ মানে পোহপাল্ বা পতিপালন কৰা। ভগৱান শ্ৰীহৰিয়ে সকলো জীৱবে প্ৰতিপালক। শ্ৰীমদ্ভাগৱতৰ ষষ্ঠ স্কন্ধত, দেৱতা আৰু দৈত্য এই তিনিওটাৰ ওপৰতে ভগৱানৰ অহৈতুক অনুগ্ৰহৰ দিগ্‌দৰ্শন কৰা হৈছে। মনুষ্যৰ ভিতৰত অজামিল অতি দুৰাচাৰ আৰু অজীৰ্ণ-পাতকী আছিল। সি জানি বুজিও ভগৱানৰ নাম স্মৰণত আওহেলা কৰিছিল। অৱশ্যে মৃত্যুবেলা যমদূতৰ তাড়নাত পৰি দেহজ লৰাক হে নাৰায়ণ বুলি মাতিছিল। তথাপিতো কাৰুণিক্ শ্ৰীহৰিয়ে তেওঁৰ ওপৰত মহান অনুগ্ৰহ কৰি সদ্গতি প্ৰদান কৰিছিল। দেৱৰাজ ইন্দ্ৰই অহমিকা ভাবৰ বশৱতীহৈ গুৰু বৃহস্পতিক অপমান আৰু আশ্ৰিত ত্বষ্টানন্দন বিশ্বৰূপ ব্ৰাহ্মণক বধ কৰা স্বত্বেও ভগৱানে তেওঁক ক্ষমা কৰিছিল। দৈত্য বৃত্ৰাসুৰে তাৰ ভিঙাকাৰ শৰীৰৰ অহংতাৰ বলত ঐৰৱত সহিতে ইন্দ্ৰক গিলি পেলাইছিল। তথাপিতো কৃপালু বিশ্বন্তৰে তাক আপোন কৰি ল'লে। এই আখ্যান বোৰৰ দ্বাৰা এইটোকে বুজা যায় যে পৰমেশ্বৰে কাৰো জাত-পাত, কৰ্ম-অকৰ্ম আৰু আচাৰ-বিচাৰৰ ওপৰত ঈক্ষণ নাৰাখি সমস্ত জগত খনকে সমভাবে লবৰ বাবে উদ্দত হয় আৰু লৈ আছে। গোটেই বিশ্ব ব্ৰহ্মাণ্ডখনকে ভগৱানে কোলাত লৈ আছে আৰু জীৱ সমস্ত তেওঁৰ দয়াৰ অনন্ত সাগৰত ডুব গৈ আছে। চাৰিও ফালে কেৱল দয়াৰ সাম্ৰাজ্য বিয়পি থকা বাবে যোনে যেনেকুৱাই নহওক তেওঁ ভগৱানৰ অনন্ত দয়াৰ স্মৰণ কৰি চিৰদিনৰ বাবে পৰমানন্দত বিচৰণ কৰি নিজৰ জীৱনক কৃতাৰ্থ কৰিব পাৰে।

*********





# উতি

উতি শব্দৰ সৰল অৰ্থ হৈছে কৰ্ম বাসনা। অৱশ্যে এই ইন্দ্ৰিয় গ্ৰাহ্য কৰ্ম বাসনাবোৰক কেনেকৈ সৎগুণ আৰু সদাচাৰৰ দ্বাৰা মথিমুৰ কৰি আস্তে-ব্যস্তে সুবাসনাৰ অধিকাৰী হ'ব পাৰি সেই বিষয়ে ভাগৱতৰ সপ্তম স্কন্ধৰ শেষৰ পাচটি অধ্যায়ত আস্তীৰ্ণ ভাবে কোৱা হৈছে। এতিয়া প্ৰশ্ন হ'ল ভগৱানৰ অসীম দয়া থকা সত্বেও ইপুৰীৰ জীৱবোৰে অশাশ্বত সংসাৰৰ ক্ষুদ্ৰ সুখৰ বাবে মৰীচিকা ময় বিষয় ভোগত আসক্তহৈ অশান্ত ৰূপে ঘূৰি মৰে কিয়? কাৰুণিক ভগৱানে কৈতৱ এৰি নিজৰ দয়াৰে এই হেপেহুৱা আত্ম-ঘাতী জীৱবোৰক ৰক্ষা নকৰে কিয়?

এই প্ৰশ্নৰ সিদ্ধান্ত দিয়াৰ বাবে ভাগৱতত উতিৰ মাধ্যমেৰে কোৱা হৈছে যে হোল-গোজ জীৱবোৰে কৰ্ম বন্ধনৰ বাবে অবিদ্যাত মোহিত হৈ পুৰুষোত্তমক পাহৰি যায়। ফলত মতিভ্ৰমহৈ এটা শৰীৰৰ পৰা আন এটা শৰীৰলৈ, এখন লোকৰ পৰা আন এখন লোকলৈ, এটা কৰ্মৰ পৰা আন এটা কৰ্মলৈ আৰু এটা সংকল্পৰ পৰা আন এটা সংকল্পলৈ দিক্‌ভ্ৰষ্টহৈ হেকেৰ-পেকেৰ গতিৰে ঘূৰি ফুৰে। মায়াসক্ত জীৱবোৰে গওপ মাৰি ভাবে যে এনে কৰ্ম কৰিলেহে অভিলাষ পূৰ্ণ হব। ফলত পৰমেশ্বৰৰ পৰমনিধি দয়ালৈ পাহৰি অলীক কল্পনাত মাজি থাকে। আৰু এনে সীমাহীন ইঙ্গিত বাসনাৰ বাবে ঈৰ্ষান্বিত হৈ প্ৰিয়-অপ্ৰিয় আৰু শুভ-অশুভৰ মেৰপাকত পৰি কামাৰ্তহৈ নানা ধৰণৰ বাঞ্ছিত অবাঞ্ছিত পথেৰে গতি কৰি থাকে। এইটো পৰম সত্য যে এই দুৰন্ত বাসনা বোৰৰ আস্বাদনৰ বাবেই জীৱে দিবাস্বপ্নত পৰিতুষ্টহৈ আহাহা মাতি থাকে। সেয়েহে এই অশান্ত বাসনাবোৰৰ বিষয়ে এই কাৰণেই বৰ্ণনা কৰা হৈছে যাতে কুৰ্চুটীয়া জীৱবোৰে এই দুখৰ পৰিণাম জ্ঞাতহৈ ইতৰাম ত্যাগ কৰি পৰমাত্মাৰ অনন্তদয়া স্মৰণ কৰি তেওঁক লাভ কৰিব পাৰে।

আনহাতে এই দুৰ্জয় বাসনাক আমি শুভাশুভ ৰূপে পাও। গুণাতীত মহাপুৰুষ সকলৰ দয়াত দুৰাত্মাৰো সুবাসনা উদয় হয় আৰু তেৰা সৰৰ অসন্তুষ্টিত দুৰ্বাসনা জাত হয়। প্ৰমান স্বৰূপে বৈকুণ্ঠৰ ক্ষুদ্ধ দ্বাৰপাল জয় বিজয়ৰ সনকাদিৰ প্ৰতি বিদ্বেষ ভাবৰ উদ্ৰেক হোৱা কাৰণে পৰিবেদনা ভোগী ত্ৰিজন্ম পৰ্য্যন্ত তেওঁলোকে কমলাকান্তৰ দয়াৰ পৰা বঞ্চিত হব লগা হয়। অৱশ্যে ক্ষেমঙ্কৰ ভগৱানে বাৰে বাৰে অৱতাৰ ধৰি এই পাপাচাৰী দুজনক অশুভ বাসনাৰ পৰা মুক্ত কৰে। তৎসত্বেও তেওঁলোকৰ কাঠ-চিতীয়া জীৱনৰ অনেক যুগ উদভ্ৰমৰ বাবে নীৰসহৈ আছিল। আৰু কাম-চৰতৰ হেতু বহুত পলমকৈ ভগৱত জ্ঞান উপলব্ধি কৰে। আনহাতে প্ৰহ্লাদে মাতৃ গৰ্ভতে পৰম ভক্ত নাৰদৰ (সৎসঙ্গ) কৃপা লাভ কৰি ভগৱত জ্ঞান পাই কৃতাৰ্থ হৈছিল।

এই বাবে কৰ্ম অভিলাষ আৰু অসজ বোৰ ত্যাগ কৰি সৎগুণ আৰু সদাচাৰ অনুসাৰে নিজৰ জীৱনটোক গঢ় দিবলৈ ইষ্টদেৱতাৰ ঈক্ষণ অনুভৱ কৰি থাকিব লাগে।

*********

# মন্বন্তৰ

পুৰাণ শাস্ত্ৰৰ মতে মন্বন্তৰ শব্দৰ অৰ্থ হ'ল একোজন মনুৰ ৰাজত্ব কাল। ই এটা দীৰ্ঘম্যাদি সময়। মনুষ্যৰ বছৰৰ হিচাব মতে ৪৩,২০০০০ বছৰত এক চতুৰ্যুগ হয়। আৰু এনে ৭১ চতুৰ্যু হলেহে এক মন্বন্তৰ হয়। সিদ্ধান্ত শিৰোমণিৰ গণনা একোটা মন্বন্তৰত ৩০,৬৭,২০,০০০ বছৰ হয় এনেকুৱা ১৪ মন্বন্তৰ লগহৈ এক কল্প হয়। এনে এক কল্পই ব্ৰহ্মাৰ একদিন আৰু এক কল্পই ব্ৰহ্মাৰ এক ৰাতি হয়। এই হিচাব মতে যেতিয়া ব্ৰহ্মাৰ ১০০ বছৰ পূৰ হয় তেতিয়া ব্ৰহ্মাৰ আয়ুসৰ সামৰণি পৰে। ব্ৰহ্মাৰ একদিনত ১৪ মনু সলনি হয়। শ্বেত বৰাহ কল্পত স্বায়ম্ভুৱ, স্বাৰোচিষ, উত্তম, তামস বৈবত, আৰু চাক্ষুষ নামৰ ছয় মনু পাৰহৈ গৈছে। স্মৃতি শাস্ত্ৰ মনুসংহিতা স্বায়ম্ভুৱ মনুয়ে সম্পাদিত বুলি খ্যাত। বৰ্ত্তমান সপ্তম জনা বৈৱস্বত মনুৰ ৰাজত্ব কাল চলি আছে। অৱশেষে আগলৈকো এনেদৰে সাত জন মনু হব লগা আছে। তেওঁলোক যথাক্ৰমে সাৱৰ্ণি, দক্ষসাৱৰ্ণি, ব্ৰহ্মসাৱৰ্ণি, ধৰ্মসাৱৰ্ণি, ৰুদ্ৰ সাৱৰ্ণি, আৰু ইন্দ্ৰ সাৱৰ্ণি প্ৰত্যেক জন মনুৰ সময়ত বিশেষ বিশেষ দেৱতা, তেওঁলোকৰ পুত্ৰ, ইন্দ্ৰ সপ্তৰ্ষি আৰু ভগৱানৰ অৱতাৰ হয়। এই সকলোবোৰৰ বিষয়ে ভাগৱতৰ ঠায়ে ঠায়ে বৰ্ণিত আছে বৈৱস্বত মন্বন্তৰত ভগৱানৰ বামন অৱতাৰে মন্বন্তৰ অৱতাৰ। মৰীচি, অত্ৰি, আঙ্গিৰা, পুলস্ত্য, পুলহ ক্ৰতু, আৰু বশিষ্ঠই সপ্তৰ্ষি। আদিত্য, বসু, ৰুদ্ৰ, বিশ্বদেৱ মৰুৎগণ, অশ্চিনীকুমাৰ আৰু ৰিভুগণ দেৱতা। পুৰন্দৰ নামে ইন্দ্ৰ। বৈৱশ্বত মনুৰ পুত্ৰ সকলৰ ভিতৰ শৰ্য্যাতি আদি প্ৰধান। এই ধৰণে পৃথকে পৃথকে প্ৰত্যেক মনুয়ে নিজৰ শাসন কালত ধৰ্মক ৰক্ষা আৰু প্ৰচাৰ কৰে। আৰু এওঁলোকৰ পুত্ৰ, ঋষি, দেৱতা, আদি স্থানে স্থানে গুপ্ত ৰূপত থাকি ধাৰ্মিক সকলক সহায় কৰি থাকে। অধিকাৰী পুৰুষৰ আগত প্ৰকতহৈ তেওঁলোকৰ উদ্ধাৰৰ বাট দেখুৱায়। এই কাৰণে ভাগৱতত ব্যাখ্যা ধৰ্ম শব্দৰে আৰম্ভ কৰা হৈছে। সময় গণনা কৰা এই মহান পদ্ধতি দেখি বহুত লোকে আচৰিত হয় এওঁলোকে ধৰি লয় যে ইমান সময় হোৱা নাই। কিন্তু আচলতে সময় সম্বন্ধে ইমান বিশাল কল্পনা কৰি লোৱা হৈছে। তেওঁলোকে বুজিব লাগে যে মন্বন্তৰৰ গণনা অনুসৰি এই কল্পৰ অৰ্থাৎ পৃথিৱীৰ যিমান আয়ুস হয় সিমান বৈজ্ঞানীক দৃষ্টি-পাতেৰেও হয়। এই কল্পৰ ১৪ মন্বন্তৰৰ ভিতৰত ভাৰতীয় শাস্ত্ৰবোৰৰ পৰম্পৰা যেতিয়াৰ পৰা পোৱা যায় তেতিয়াৰ পৰা মন্বন্তৰৰ ভিতৰত সপ্ত-মন্বন্তৰ চলি আছে। যিটো পৃথিৱীৰ তৰপ বোৰ অনুসন্ধান কৰিলেও মিলে। ভাৰতীয় শাস্ত্ৰবোৰৰ পৰম্পৰা যেতিয়াৰ পৰা পোৱা যায় তেতিয়াৰ পৰা মন্বন্তৰৰ গণনাও চলি আছে। ব্ৰহ্মাৰ এক দিনৰ হিচাব গীতাত লিখা আছে। একে হিচাব আৰু একে শ্লোক শাকল্য সংহিতা, নিৰুক্ত, মহাভাৰত, সমস্ত পুৰাণ আৰু জ্যোতিষ গ্ৰন্থ বোৰতো পোৱা যায়। মনুৰ যেনেকুৱা চৰিত্ৰ আৰু কাৰ্য্য-কলাপ ভাৰতীয় গ্ৰন্থবোৰত বৰ্ণিত হৈছে। আন আন দেশতো সেই একে চৰিত্ৰৰ ব্যক্তি বোৰবো কাৰ্য্য-কলাপৰ বৰ্ণনা পোৱা যায়। যেনে বৈৱস্বত মনুয়ে প্ৰলয়ৰ সময়ত সমস্ত বনস্পতিবোৰৰ বীজ আৰু সপ্তৰ্ষিকলৈ এখন নাওঁত উঠি বহে । আৰু সেই নাওখন হিমালয়ৰ শিখৰত বান্ধি দিয়া হয়। সৎপথ ব্ৰাহ্মণত ইয়াৰ বৰ্ণনা বিস্তৰ ভাবে পোৱা যায়। বাইবেলতো সেই একে ধৰণৰ বৰ্ণনা আছে। বাইবেলত বৰ্ণিত আছে যে নোৱা নামৰ এজন ধৰ্মশীল ব্যক্তিয়ে মহা প্ৰলয়ৰ সময়ত পৃথিৱীৰ সমস্ত শস্যৰ বীজ





বোৰলৈ নাঁওত উঠি নাঁওখন পাহাৰৰ শিখৰত বান্ধি দিছিল। প্ৰলয়ৰ অন্তত পানী কমি যোৱাত তেওঁ সেই বীজবোৰৰ দ্বাৰা পুনৰ সৃষ্টি আৰম্ভ কৰে। তেওঁ বহুদিনলৈকে কালক্ষেপণ কৰি আছিল। অকল বাইবেলতেই নহয় বিভিন্ন ধৰ্ম গ্ৰন্থ বোৰতো এই ধৰণৰ বহুতো অবিনশ্বৰ কাহিনী পোৱা যায়।

যদি শীঘ্ৰাতি শীঘ্ৰে মহাপুৰুষ সকলৰ কৃপা লাভ কৰি ভগৱানৰ অনন্ত দয়াক অনুভৱ কৰা নহয় তেনেহ'লে এক দুই জন্ম কিয়, এক দুই, যুগতকৈও অনেক সময় সংসাৰতেই ঘূৰি থাকিব লাগিব যাক বছৰৰ দ্বাৰা তাৰ গণনা কৰিব পৰা নাযাব। সংসাৰত ভ্ৰমণ কৰি থকাৰ সময়ৰ হিচাব কৰিবৰ কাৰণে মন্বন্তৰ এটা সাধন প্ৰণালীহে। লগতে প্ৰত্যেক সময় নিজৰ সহায়ক বোৰৰ লগত ধৰ্ম পালন আৰু প্ৰসাৰ কৰাৰ কাৰণে কিছুমান অধিকাৰী পুৰুষ নিযুক্ত হৈ থাকে। সেইবোৰ যি কোনো সময়ত ধৰ্ম পালনৰ প্ৰেৰণা পাব পাৰে। আৰু ইয়াকে বুজাবৰ কাৰণেই মন্বন্তৰ বোৰৰ বৰ্ণনা কৰা হৈছে।

*********

# ঈশান কথা

ভগৱান আৰু তেৰাৰ ভক্ত সকলৰ বিবিধ আখ্যান যুক্ত চৰিত্ৰকে ঈশান কথা বোলে। এক মন্বন্তৰ, এটা কল্পৰ পিছত দ্বিতীয় কল্প এই ধৰণে সৃষ্টিৰ পৰমপৰা চলি থাকে। সৃষ্টিৰ পিছত প্ৰলয় আৰু প্ৰলয়ৰ অন্তত পুনৰ সৃষ্টি এই ক্ৰম অনাদি কালৰ পৰা চলি আহিছে আৰু চলি থাকিব। জীৱে যদি ভগৱানৰ আশ্ৰয় লৈ এই প্ৰবাহৰ পৰমপৰাৰ পৰা উৰ্দ্ধগামী নহয় তেনেহলে জন্ম মৃত্যু ৰূপ বিসঙ্গতিত থাকিব লাগিব। এই বাবেই ভাগৱতত ঈশান কথাৰ বৰ্ণনা কৰা হৈছে। ধৰ্ম গ্ৰন্থবোৰত স্বীকাৰ কৰা হৈছে যে ভক্তক ৰক্ষা আৰু ধৰ্ম সংস্থাপনৰ বাবে স্বয়ং ভগৱানে সময়ে সময়ে অৱতাৰ গ্ৰহণ কৰি আহিছে। ভাগৱতৰ প্ৰথম স্কন্ধত কুন্তীৰ স্তুতিত আৰু দশম স্কন্ধৰ গৰ্ভ স্তুতিত ভগৱানৰ অৱতাৰৰ অনেক কাৰণ আৰু সেই বোৰৰ সমৰ্থনত অনেক যুক্তি দিয়া হৈছে। ঠায়ে ঠায়ে অৱতাৰৰ সূচী আৰু সেই বিলাকৰ চৰিত্ৰ আৰু মহিমা বৰ্ণনা কৰা হৈছে। ইয়াৰ দ্বাৰা বুজা যায় যে নিজ ভক্তৰ আগ্ৰহৰ হেতু পৰম কৃপাৱন্ত সৰ্ব শাক্তিমান পৰমাত্মাই অৱতাৰ গ্ৰহণ কৰে আৰু এনে লীলা কৰে যাক গাই-বাই বা স্মৰণ কৰি সংসাৰৰ নানা আহুকালত পৰি আহাহা মাত্ৰৃ জীৱে মুক্তি পাব পাৰে। ভাগৱতত ২২ টা অৱতাৰৰ কথা কোৱা হৈছে যদিও শ্ৰীকৃষ্ণ অৱতাৰক পূৰ্ণ অৱতাৰ হিচাবে প্ৰতিপন্ন কৰা হৈছে। এওঁৰ নাম গুণ আৰু চৰিত্ৰৱলী শুনিলে কেনেকৈ অন্তঃকৰণ শুদ্ধ হয়, জ্ঞান বৈৰাগ্য জন্মি ভক্তি কেনেকৈ প্ৰাপ্তি হয় ইয়াৰ বৰ্ণনা ভাগৱতৰ প্ৰায়বোৰ স্কন্ধতে বৰ্ণিত হৈছে। যি প্ৰেমীক ভকতে নিজৰ অন্তঃকৰণেৰে শ্ৰীহৰিক চিন্তা কৰে তেওঁৰ হৃদয়, জীৱন আৰু প্ৰত্যেক ক্ৰিয়া কলাপ ভগৱত ময় হয়। এই কাৰণে নাৰদীয় ভক্তি সূত্ৰত কোৱা হৈছে যে ভক্ত আৰু ভগৱানৰ মাজত ভেদ নাই। যোগ দৰ্শনত চিত্ত-বৃত্তি নিৰোধ কাৰী, ৰাগ দ্বেষ ৰহিত পুৰুষৰ বাবে ধ্যানৰ বিধান দিয়া হৈছে। মায়াময় সংসাৰত থাকিও সাধন ভজনৰ বলত উৰ্দ্ধগামীহৈ কেনেকৈ ভগৱানক পাব পাৰি মহাপুৰুষ সকলৰ চৰিত্ৰৰ পৰা এই শিক্ষা পাব পাৰি। এই বাবেই ভাগৱতত ধ্ৰুৱ, প্ৰহ্লাদ, অম্বৰিষ আৰু মুখ্য ভক্ত সকলৰ চৰিত্ৰ বৰ্ণনা কৰা হৈছে। অৱতাৰ, ভগৱান আৰু তেওঁৰ নিত্য

পাৰিষদ উভয়ৰে হয়। সৰ্ব্ব ব্যপক নিৰাকাৰ আৰু একে ধৰণে থকা পৰমাত্মাৰ কাৰণে কোনো এনেকুৱা স্থান নাই য'ত তেওঁ আগৰে পৰা থকা নাই। এই কাৰণে অৱতাৰ শব্দৰ অৰ্থ এইটো নহয় যে পৰমাত্মা ক'ৰবাৰ পৰা ক'ৰবালৈ অহা যোৱা কৰে। নাইবা ওপৰৰ পৰা তললৈ নামি আহে। এইটো এটা আভিধানিক নাইবা বিনোদনৰ ভাষাহে। অৱতাৰ শব্দৰ তাত্বিক অৰ্থ হ'ল অব্যক্ত ৰূপে বিৰাজমান পৰমাত্মা ব্যক্ত ৰূপে দৃষ্ট হোৱা অৰ্থাৎ অদৃশ্য হৈ থকা পৰমাত্মাই দৃষ্টি গোচৰ হোৱা। আনহাতে যি কিছু লগ লাগি জগতখন হৈছে সেই আটাই বোৰ পৰমাত্মাৰে ৰূপ। এই কাৰণে পৰমাত্মা ব্যক্ত হৈও অব্যক্ত। ব্যক্ত হৈও গুপ্ত। যেতিয়া জগতৰ জীৱে এই ৰূপত পৰমাত্মাক চিনি নেপাই অত্যাচাৰ, অনাচাৰ কৰিব ধৰে তেতিয়াই জগতৰ পৰিত্ৰাণৰ কাৰণে এক ঐশ্বৰিক শক্তিৰ আৱশ্যক হয়। আৰু সেই শক্তিৰ ৰূপত পৰমাত্মাই অৱতীৰ্ণ হয়। কাৰণ এই জগত পৰমাত্মাৰ শক্তি বিশেষৰ প্ৰকাশ মাথোন। শাস্ত্ৰ অনুসৰি পৰমাত্মাৰ ১৬ কলা আছে। ইয়াৰ ভিতৰত এটা কলা উদ্ভিদ যোনিত প্ৰকাশ পায় আৰু এইটো অন্নময় কোষ প্ৰধান। চাৰিটা কলা জৰায়ুক্ত যোনিত প্ৰকাশ হয়। এইবোৰ বিজ্ঞান ময় কোষ। পাচ কলাৰ প্ৰকাশ জৰায়ুজ যোনিত প্ৰকাশ মানুহত থাকে। এইবোৰ আনন্দময় কোষ প্ৰধান। ছয়ৰ পৰা আঠ কলা পৰ্য্যন্ত সেই মহাত্মা সকলত প্ৰকাশ পায় যি সকলৰ কোষ সম্বন্ধীয় সংবেদন বোৰৰ পৰা ওপৰলৈ উঠিছে। অৱশ্যে মানৱ শৰীৰৰ আঠ কলাতকৈ অধিক শক্তি ধাৰণ কৰাৰ ক্ষমতা নাথাকে। এই কাৰণে ইয়াতকৈ অধিক শক্তিৰ স্ফূৰ্ত্তি য'ত থাকে তাত শৰীৰটোও দিব্য উপদানেৰেহে গঠিত হয় আৰু তাৰ নাম অৱতাৰ হয়। ৯ ৰ পৰা ১৫ কলালৈকে প্ৰকাশ হোৱা বোৰ অংশাৱতাৰ নামেৰে অভিহিত কৰা হয়। আৰু শেষৰ ১৬ কলা অৱতাৰক পূৰ্ণ অৱতাৰ বোলা হয়। শ্ৰীকৃষ্ণৰ ১৬ কলা আছিল বাবে তেওঁক পূৰ্ণ অৱতাৰ কোৱা হয়। ভগৱানৰ দয়ালুতা আৰু সৰ্ব শক্তি মত্তাৰ দৃষ্টিৰে চালে এই কথাটোৰে যুক্তি যুক্ত যেন লাগে যে ভগৱানে নিজ ভক্তক ৰক্ষা আৰু আৱশ্যকতা পূৰ্তিৰ বাবে অৱশ্যেই অৱতাৰ ধাৰণ কৰে। ঋক্ সংহিতাত বামন অৱতাৰৰ স্পষ্ট বৰ্ণনা পোৱা যায়। আৰু শতপথ ব্ৰাহ্মণত ইয়াৰ সম্পূৰ্ণ আখ্যান পোৱা যায়। তাত এটা মনোৰঞ্জক কাহিনীত কোৱা হৈছে যে দেৱতা আৰু দৈত্য বোৰে নিজৰ ভিতৰত বিবাদ কৰি দৈত্য বোৰে পৃথিৱীত অধিকাৰ স্থাপন কৰি যেতিয়া নিজৰ ভিতৰত ভাগ বতৰা কৰিব ধৰিলে তেতিয়া প্ৰত্যুৎপন্নমতি দেৱতাবোৰে বামণৰূপী বিষ্ণুক আগতলৈ পিছে পিছে গল আৰু পৃথিৱীৰ ভাগ খুজিলে। কিন্তু মন্দ বুদ্ধিৰ দৈত্য বোৰে বিষ্ণুক বাওনা জ্ঞানে উপহাস কৰি ক'লে যে এওঁ শুই পৰিলে যিমান ঠাই জুৰিব সিমান খিনি ঠাই হে দেৱতা বোৰক দিয়া হব। তেতিয়া দেৱতা বোৰে বিষ্ণুক বেদ মন্ত্ৰৰে সুৰক্ষিত কৰি বিষ্ণুৰ চলনাময় বৃহৎ শৰীৰৰ দ্বাৰা সমস্ত পৃথিৱী অধিকাৰ কৰি ল'লে। তৈত্তেৰীয় আৰণ্যকত দৈৱকী নন্দন শ্ৰীকৃষ্ণৰ কাহিনী বৰ্ণনা কৰা আছে। মহাভাৰত আৰু বাল্মীকি ৰামায়ণতো অনেক অৱতাৰৰ প্ৰসঙ্গ আছে। সেয়েহে সনাতন ধৰ্মৰ শাস্ত্ৰ বোৰত মান্যতা দিয়াৰ পিছত কোনো ধৰণে অৱতাৰ বোৰক অপলাপ কৰিব নোৱাৰি। জৈন আৰু বৌদ্ধ ধৰ্মৰ গ্ৰন্থবোৰতো ব্ৰহ্মা, বিষ্ণু, শিৱ আৰু অন্য অৱতাৰৰ উপাসকৰ বৰ্ণনা পোৱা যায়। খৃষ্টপূৰ্ব্ব ৩০০ শ বছৰ আগত ৰচিত "ললিত বিস্তৰত" আৰু তাতোকৈ আগতে ৰচিত পালী ভাষাৰ গ্ৰন্থতো এই সাম্প্ৰদায়িক উপাসক বোৰৰ বিষয়ে আলোচনা কৰা হৈছে।

কম্বোডিয়াৰ পৰা পোৱা শিলালিপিৰ দ্বাৰাইও প্ৰমাণ হয় যে খৃষ্টাব্দৰ বহুবছৰ পূৰ্বে সেই





উপদ্বীপ বোৰত ব্ৰহ্মা, শিৱ আদিৰ উপাসনা প্ৰচলিত আছিল। এটা এটা অৱতাৰৰ নামত যিবোৰ পুৰাণ ৰচনা হৈছে সেইবোৰত সেই বিষয়ে দিয়া শিক্ষাৰ বিতং বিৱৰণ আছে। যেনে মৎস্য পুৰাণত মৎস্য ভগৱানে বৈৱস্বত মনুক, কূৰ্ম্ম পুৰাণত কূৰ্ম ভগৱানে দেৱতাবোৰক, বৰাহ পুৰাণত বৰাহ ভগৱানে ক্ষৌণীক নৃসিংহ পুৰাণত নৃসিংহ ভগৱানে প্ৰহ্লাদক, বামণ পুৰাণত বামণ ভগৱানে বলিক ইত্যাদি এই ধৰণে অন্যান্য অৱতাৰ বোৰতো ভগৱানে ভক্তবোৰক উপদেশ দিছে। এই নীচ যোনিবোৰত অৱতাৰ গ্ৰহণ কৰি ভগৱানে এইটোকে শিকাইছে যে কোনো যোনিকে হীন বুলি ধৰিব নালাগে। তেওঁৰ দৃষ্টিত সকলো সমান। জল, স্থল আৰু আকাশত বাস কৰা সকলো প্ৰাণীয়ে ভগৱানৰ স্বজাতীয় আৰু তেওঁৰ অভিব্যক্তিৰ স্থান। অতয়েৱ প্ৰত্যেক প্ৰাণীকে আদৰ সন্মান কৰিব লাগে। আৰু সকলো ৰূপতে ভগৱানক দৰ্শন কৰি আশ্ৰয় ৰূপ ভগৱানৰ দয়াক স্মৰণ কৰি মুগ্ধহৈ থাকিব লাগে।

# নিৰোধ

জগতৰ বিপৰীত গতিক আৰু লোকৰ অপ শক্তিক অৱৰোধ কৰি ৰখা কাৰ্য্যক নিৰোধ বোলে। পৰমাত্মাৰ বাহিৰে যি কিছু স্থাৱৰ জঙ্গমাত্মক জগত দেখা গৈছে ইয়াৰ অন্তিম গতি প্ৰলয়। ব্ৰহ্মাণ্ডত যেতিয়া তমগুণ অধিক বাঢ়ে তেতিয়া ভগৱানে নতুন ৰূপেৰে সাত্তিক গুণৰ ৰচনাৰ বাবে প্ৰলয়ৰ সৃষ্টি কৰে আৰু অৱতাৰ গ্ৰহণ কৰি দৈত্য, দানৱৰ বিনাশ কৰে। কংস শিশুপাল আদি পাপিষ্ঠ সকলক প্ৰত্যোক্ষে আৰু কৰ্ণ, জৰাসন্ধ কালযৱন আদিক, ভীম, অৰ্জুন মুচুকুন্দ আদিৰ দ্বাৰা পৰোক্ষ ভাবে বিনাশ কৰিছিল। ইও এক প্ৰকাৰ নিৰোধ। ভাগৱতত প্ৰলয়ৰ লক্ষণ বৰ্ণনাত কোৱা হৈছে যে পৰমাত্মা যেতিয়া নিজ শক্তিবোৰৰ লগত নিদ্ৰিত হৈ থাকে তেতিয়া সম্পূৰ্ণ জগতখনৰ নিৰোধ অৰ্থাৎ প্ৰলয় হয়। এই প্ৰলয় চাৰি প্ৰকাৰৰ- নিত্য, নৈমিত্তিক, প্ৰাকৃত আৰু আত্যন্তিক প্ৰলয়। নিত্য প্ৰলয়ৰ দুটা অৰ্থ আছে। এটা হৈছে জগতত যি নিৰন্তৰ ক্ষয়হৈ আছে ইয়াৰ নাম নিত্য প্ৰলয় আৰু আনটোৰ অৰ্থ হ'ল সদায় নিদ্ৰাৰ সময়ত যেতিয়া সমগ্ৰ সৃষ্টি অজ্ঞানত লয় প্ৰাপ্তহৈ কোনো এটা বিশেষ ভাৱৰ অনুভৱ নাথাকে তেতিয়াও ইয়াক নিত্য প্ৰলয় কোৱা হয়। নৈমিত্তিক প্ৰলয়ো দুই প্ৰকাৰ হয়। এটা আংশিক প্ৰলয় আৰু আনটো পূৰ্ণ প্ৰলয়। এটা মন্বন্তৰ শেষ হোৱাত নাইবা কেতিয়াবা কেতিয়াবা ভগৱানৰ ইচ্ছাত মন্বন্তৰৰ মাজভাগতে যেতিয়া সমস্ত পৃথিৱী জলমগ্ন হৈ যায় আৰু ভুবঃলোক, স্বঃ লোক আদিও বিচ্ছিন্নহৈ যায় কিন্তু মহৎলোক আদি যেনে আছে তেনে থাকি যায় তেতিয়া সেই প্ৰলয়ক আংশিক প্ৰলয় বোলে। যেতিয়া এক কল্পৰ অন্তত ব্ৰহ্মাৰ দিন শেষ হোৱাত তেওঁ নিজে কৰা সৃষ্টিকলৈ ঘোৰ নিদ্ৰাত শুই পৰে তেতিয়া পূৰ্ণ নৈমিত্তিক প্ৰলয় হয়। প্ৰাকৃত প্ৰলয় হ'ল যেতিয়া ব্ৰহ্মাৰ আয়ুস (তেওঁৰ মতে) ১০০ বছৰ পূৰ্ণ হৈ যায় আৰু এই ব্ৰহ্মাণ্ডখন প্ৰকৃতিত বিলীন হৈ যায় তাকে প্ৰাকৃত প্ৰলয় বোলে। আত্যন্তিক প্ৰলয়ৰ কোনো নিৰ্দ্ধাৰিত সময় নাই। সাধন চতুষ্টয় সম্পন্নহৈ শ্ৰৱণ, মনন, নিদিধ্যাসনৰূপ, অন্তৰংগ সাধন কৰি জীৱে যেতিয়া নিজৰ বাস্তৱিক স্বৰূপৰ জ্ঞান প্ৰাপ্ত হয় তেতিয়াই সংসাৰৰ আত্যন্তিক প্ৰলয় হয়। অৱশ্যে এই সকলোবোৰ প্ৰলয়ৰ বিশদ বৰ্ণনা ভাগৱতৰ দ্বাদশ স্কন্ধত দিয়া হৈছে। তদুপৰি প্ৰায় বোৰ পুৰাণ শাস্ত্ৰতো প্ৰলয়ৰ বৰ্ণনা

দিয়া আছে যদিও স্থূল দৃষ্টিৰে চালে সেইবোৰৰ মাজত কিছু পাৰ্থক্য দেখা যায়। অৱশ্যে সূক্ষ্ম দৃষ্টিৰে চালে সকলোবোৰ এক হৈ পৰে। দৰ্শন শাস্ত্ৰবোৰতো প্ৰলয়ৰ অস্তিত্ব স্বীকাৰ কৰা হৈছে। প্ৰাচীন নৈয়ায়িক বোৰে খণ্ড প্ৰলয় আৰু মহাপ্ৰলয় দুয়ো প্ৰকাৰৰ প্ৰলয়কে মানে। তেওঁলোকে জীৰ্ণ দ্ৰব্যৰ অধিকৰণ মাত্ৰাৰ অভাবক খণ্ড প্ৰলয় বোলে আৰু জীৰ্ণ ভাবৰ অধিকৰণ মাত্ৰাৰ অভাবক মহাপ্ৰলয় বোলে। নব্য নৈয়ায়িক বিলাকে মাত্ৰ খণ্ড প্ৰলয়ৰ হে অস্তিত্ব স্বীকাৰ কৰে। সাংখ্য দৰ্শনৰ দৃষ্টিৰেও প্ৰলয় সম্ভব হয়। সাংখ্য বাদীয়ে প্ৰকৃতিৰ দুই প্ৰকাৰৰ পৰিণাম মানে। এটা স্বৰূপ পৰিণাম আৰু আনটো বিৰূপ পৰিনাম। সত,ৰজ, তম এই তিনিওটা গুণ যেতিয়া স্বৰূপত স্থিত হৈ যায় তেতিয়া সত-সতত, ৰজ-ৰজত আৰু তম-তমত লীন হৈ যায়। তেতিয়াই প্ৰলয় হয়। আৰু যেতিয়া সেইবোৰ বিকৃত হৈ বৈষম্য ৰূপ লয় তেতিয়াই বিৰূপ পৰিণামৰ সৃষ্টি হয়। এই মতবাদ অনুসৰি যদিও সৃষ্টি আৰু প্ৰলয়ৰ সঠিক নিৰ্ণয় কৰিব নোৱাৰি তথাপিও প্ৰলয়ৰ অস্তিত্ব স্বীকাৰ কৰা হৈছে। অৱশ্যে এওলোকে কেৱল ভৌতিক দৃষ্টিৰেহে জগতৰ সৃষ্টি আৰু প্ৰলয়ৰ ওপৰত বিচাৰ কৰে। কিন্তু যতিয়া স্থূল জগতখনক তটস্থহৈ আধ্যাত্মিক আৰু আধিদৈৱিক দৃষ্টিৰে বিচাৰ কৰা হয় তেতিয়া ভৌতিক জগতখনৰ ভুল ওলাই পৰে। ফল স্বৰূপে ইয়াৰ প্ৰত্যেক ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াৰ কথা গম পোৱা যায়। ইয়াৰ দ্বাৰাই প্ৰকৃতি আৰু পৰমাণুৰ আধাৰত বিচাৰ কৰিলে বৈজ্ঞানিক আৰু দাৰ্শনিক প্ৰলয় হোৱাটো গম পায় যদিও আত্ম-দৃষ্টিৰ অভাৱত সুনিশ্চিত সময় নিৰ্ণয় কৰিব নোৱাৰে। কিন্তু যোগক্ষেম সকলৰ বাবে প্ৰতিক্ষণ হৈ থকা নিত্য প্ৰলয় আৰু আগলৈ হ'ব লগা প্ৰলয় আৰু মহাপ্ৰলয়ৰ বিষয় জ্ঞান অদৃশ্য হৈ নাথাকে। সেই কাৰণে তেওঁলোকে সঠিক সময়ৰ নিৰ্দ্দেশ দিব পাৰে।

**********

# মুক্তি

আত্যন্তিক প্ৰলয়ৰ তাত্বিক অৰ্থ হ'ল মুক্তি। যেনেদৰে প্ৰলয় আৰু মহাপ্ৰলয় প্ৰকৃতিত স্বাভাবিক গতিতহৈ থাকে তেনেদৰে আত্যন্তিক প্ৰলয় নহয়। এই তত্ব অভিন্ন ভগৱত তত্ব জ্ঞান প্ৰাপ্ত হলেহে পাব পাৰে। পৰমেশ্বৰ বিজ্ঞানানন্দ ধন। তেওঁক প্ৰাপ্ত হলেহে জীৱৰ পুৰুষাৰ্থৰ পৰিসমাপ্তি ঘটে। অৱশ্যে সকলো জীৱে একেলগে মুক্ত হব নোৱাৰে। কিন্তু মুক্ত হোৱাৰ ক্ষেত্ৰত সময়ৰ ব্যৱধানো নাই. যিজনে যি দিশত যি অৱস্থাত, যি সময়ত, যি ৰূপত থাকে সেইজনে তাতে তেনেকৈয়ে চিৰদিনৰ বাবে সংসাৰৰ পৰা মুক্ত হৈ যায়, যাব পাৰে। সেই বাবেই সংসাৰখনৰ আত্যন্তিক প্ৰলয় হৈ যায় আৰু সেইজনে পুনঃ পুনঃ জন্ম চক্ৰত কালক্ষেপণ কৰিব নালাগে। বেদান্তৰ দৃষ্টিৰে মুক্তি কেৱল এক প্ৰকাৰহে - কৈৱল্য মুক্তি। ইয়াক লাভ কৰাৰ এক মাত্ৰ উপায় হল অবিদ্যা নাশ। অৰ্থাৎ অবিদ্যা নাশেই কৈৱল্য মুক্তি। কিন্তু অবিদ্যা নাশ কৰিব পাৰি একমাত্ৰ পৰাবিদ্যা বা পৰম জ্ঞানেৰে। আকৌ জ্ঞান উদয় হবলৈ হলে অন্তঃকৰণ শুচিতাৰ বাবে নিষ্কাম কৰ্ম আৰু নিস্কাম উপাসনা কৰিব লাগিব। তদুপৰি শ্ৰৱণ মননাদি অন্তৰঙ্গ সাধনাৰ দ্বাৰাই কৈৱল্য মুক্তিৰ কাৰণে জ্ঞান সম্পাদন কৰিব লাগিবই। সেই বাবে নিজৰ অজ্ঞান কল্পিত অসত্য ৰূপক এৰি বাস্তাবিক





স্বৰূপৰ স্থিতিয়ে মুক্তি। জগতত এইটো মই আৰু এইটো অন্য এনে ধৰণৰ মতভেদ অনাদি কালৰে পৰা চলি আহিছে। কিন্তু মই কোন আৰু অন্য জন কোন ইয়াৰ যথাৰ্থ বোধ কম লোকৰহে হয়। অধিকাংশ লোকে মন বুদ্ধি, ইন্দ্ৰিয় আদিৰে গঠিত জড় শৰীৰটোক মই বুলি বুজে আৰু এই অজ্ঞান বুজনিকেলৈ নিজক জ্ঞানী-অজ্ঞানী, মূৰ্খ-বুদ্ধিমান, সুখী-দুখী আৰু স্থূল শৰীৰৰ লগত ব্যাপৃত হৈ থাকে। আৰু তেওঁলোকৰ সমস্ত বাসনা এই বোৰক লৈয়ে হয়। সেই বাবে এইবোৰৰ প্ৰলয় হলে নিজৰ প্ৰলয় হোৱা বুলি ভাবে আৰু সৃষ্টি হলে নিজৰ সৃষ্টি হোৱা বুলি ভাবে। এনে ব্যামোহৰ কাৰণেই সেইবোৰে অনাদি কালৰ পৰা সংসাৰ অৰণ্যত ক্ষেপিয়াই ফুৰিছে আৰু যেতিয়ালৈকে নিজৰ বাস্তৱিক স্বৰূপ আত্মাত স্থিত নহব তেতিয়ালৈকে এনেদৰে ঘূৰা-ঘুৰি কৰি থাকিবই লাগিব। কিন্তু যেতিয়া এইটোৰ পৰা "মই" এই ভাবক পৃথক কৰিব পৰা যাব তেতিয়াহে তাৰ বাস্তবিক স্বৰূপৰ অনুভূতি হব। তেতিয়া স্থূল দেহৰ কাৰণে কোনো স্থান নাথাকে। অৰ্থাৎ সংসাৰখনৰ আত্যন্তিক প্ৰলয়হৈ যায় ইয়াৰ নামেই কৈৱল্য মুক্তি। এই কৈৱল্য মুক্তি কোনো প্ৰকাৰৰ শাৰীৰিক বা মানসিক ক্ৰিয়াৰ ফল নহয়। নিত্য প্ৰাপ্তিৰ জ্ঞানৰ দ্বাৰাই জীৱৰ দাসত্ব মোচন সিদ্ধহৈ যায়।

শ্ৰীমদ্ভাগৱতত পাচ প্ৰকাৰ মুক্তিৰ কথা কোৱা হৈছে। সেইবোৰ হ'ল সালোক্য, সমীপ্য, সাৰূপ্য, সাৰ্ষ্টি, আৰু সাযুজ্য বা নিৰ্ব্বাণ। ভগৱানৰ নিত্য চিন্ময় ধামত থকাটো সালোক্য মুক্তি, ভগৱানৰ সমীপত থকাটো সামীপ্য মুক্তি, ভগৱানৰ সমান ৰূপ পোৱাটো সাৰূপ্য মুক্তি, ভগৱানৰ সমান ঐশ্বৰ্য্য লাভ কৰাটো সাৰ্ষ্টি মুক্তি আৰু ভগৱানৰ অভয় চৰণত লয়প্ৰাপ্তি বা লীন যোৱাটোকে সাযুজ্য বা নিৰ্ব্বাণ মুক্তি বোলে। ভগৱন্তৰ লগতে যাৰ সম্বন্ধহৈ গৈছে তেওঁ যি ভাবেই ভক্তি নকৰক কিয় কোনো নহয় কোনো এবিধ মুক্তি পাবই। কিন্তু নিস্কাম ভকতে ঈশ্বৰ পৰায়ণতাৰ বাহিৰে ইয়াৰ এবিধ মুক্তিকো প্ৰয়াস নকৰে। তেওঁলোকে কেৱল শ্ৰীহৰিৰ অভয় পদৰ সেৱাহে বাঞ্ছা কৰে। আনকি বিশ্বপিতাই তেওঁলোকক মোক্ষ দিব খুজিলেও উপেক্ষা কৰে। তেওঁলোকৰ মতে মুক্তিতকৈও ঈশ্বৰৰ প্ৰতি প্ৰেম আৰু সেৱাহে শ্ৰেষ্ঠ। ন্যায় আৰু বৈশেষিক দৰ্শন শাস্ত্ৰতো এই মুক্তি মানি লোৱা হৈছে। সাংখ্য দৰ্শনত প্ৰকৃতি আৰু পুৰুষৰ বিবেকেৰে পুৰুষে নিজৰ অসংগ ৰূপত স্থিত হোৱাতোৱেই পৰিত্ৰাণ বুলি কৈছে। যোগ দৰ্শনত মুক্তিৰ কাৰণে বিবেকৰ লগতহে সমাধিৰ আৱশ্যকতা স্বীকৃত হৈছে। ভক্তি, দৰ্শনবোৰত ভগৱত কৃপাকেই মুক্তি-মাৰ্গ বুলি মানি লোৱা হৈছে। পূৰ্ব্ব মিমাংসা দৰ্শনে স্বৰ্গত বাহিৰে আৰু কোনো প্ৰকাৰৰ উদ্ধাৰ স্বীকাৰ নকৰে। বেদান্ত দৰ্শনৰ ব্যাখ্যা ভক্তি আৰু জ্ঞান দুয়োতাৰে পক্ষত আছে। কিন্তু কৈৱল্য মুক্তি তত্ব জ্ঞানেৰেহে লাভ কৰিব পাৰি। পূৰ্ব্ব মিমাংসা মতৰ বাহিৰে আন দৰ্শন বোৰৰ সিদ্ধান্তৰ মাজত সামঞ্জস্য আৰু সমন্বয় আছে। সাধকে কোনটো মুক্তি বাঞ্ছনীয় বুলি হাবাথুৰি খাব নালাগে। আৰু মুক্তিৰ স্বৰূপ বিচাৰিও কষ্ট কৰিব নালাগে। বৰং তেওঁ নিজৰ সাধনাৰ ওপৰতহে অধিক যত্নশীল হব লাগে। গতিকে বাঞ্ছা বা কামনা শূন্য মুক্তিহে সৰ্ব্বোৎকৃষ্ট। যিয়ে মুক্তি ইচ্ছা কৰে তেওঁৰ মুক্তিত বাঞ্ছাৰূপী কামনাটোৱে আচ্ছাদন হৈ পৰে। সেয়েহে মুক্তিৰ কামনা ত্যাগ হলেহে মুক্তি স্বতঃ সিদ্ধহৈ পৰে। এইটোৱেহে স্বাভাবিক মুক্তি। ইয়াৰ আশ্ৰয় হৈছে সাক্ষাৎ পুৰুষোত্তম শ্ৰীকৃষ্ণ।

**********

# আশ্ৰয় তত্ত্ব

আশ্ৰয় শব্দৰ আধ্যাত্মিক অৰ্থ হৈছে জীৱবোৰে ভগৱানত লোৱা শৰণ। কাৰণ ব্যক্ত, অব্যক্ত, আভাস আৰু নিৰোধৰ অধিষ্ঠান নিৰপেক্ষ সাক্ষী ব্ৰহ্ম। শ্ৰীমদ্ভাগৱতৰ প্ৰতিপাদ্য স্বয়ং পৰমাত্মা। ভাগৱতৰ মতে ভগৱানৰ স্বৰূপ কি ইয়াৰ সঠিক উত্তৰ দিয়া টান। ভাগৱত পূৰ্ণগ্ৰন্থ বাবে ইয়াত পৰমেশ্বৰৰ বিবিধ স্বৰূপৰ বৰ্ণনা দিয়া আছে। সেইবাবে সবিশেষ- নিৰ্বিশেষ, সাকাৰ-নিৰাকাৰ সম্বন্ধে যিয়ে যেনে অধিকাৰী হয় তেওঁ ভগৱন্তৰ তেনে ৰূপকেই ভাগৱতত উপলব্ধি কৰিব পাৰে। বাস্তৱিকতে ঈশ্বৰ স্বৰ্ব্বস্বৰূপ। তেওঁক সকলো ৰূপতে পাব পাৰি। এনে হোৱা স্বত্ত্বেও ভাগৱতত এটা বিশেষ বৰ্ণনা শৈলী আছে। সেই অনুসাৰে বিচাৰ কৰিলে আন গ্ৰন্থ বোৰতকৈ ভাগৱতৰ অসাধাৰণ বিশেষত্ব ফুটি উঠে।

শ্ৰীমদ্ভাগৱতত দশবিধ লক্ষণৰ কথা বৰ্ণনা কৰা হৈছে। এই সকলোবোৰৰ ভিতৰত শ্ৰেষ্ঠ হৈছে আশ্ৰয় তত্ত্ব। এই আশ্ৰয় তত্ত্বৰ উপলব্ধিৰ কাৰণে অন্য ৯ টা লক্ষণ বৰ্ণিত হৈছে। সৰ্গ, বিসৰ্গ আদিৰ বৰ্ণনাৰ দ্বাৰা সৃষ্টিকৰ্ত্তাৰ অনন্ত মহিমা আৰু সাক্ষীত্ব বোধ জন্মোৱাটোৱে ইয়াৰ মুখ্য উদ্দেশ্য। অৱশ্যে ভাগৱতৰ প্ৰত্যেক স্কন্ধত কম বেছি পৰিমাণে আশ্ৰয় তত্ত্ব নিৰূপন কৰা হৈছে যদিও সগুণ সাকাৰ ৰূপ আশ্ৰয়ৰ দশম স্কন্ধত আৰু নিৰ্গুণ নিৰাকাৰ ৰূপ আশ্ৰয়ৰ বিষয়ে দ্বাদশ স্কন্ধত বিশেষ ৰূপে বৰ্ণনা কৰা হৈছে। ভাগৱতৰ মতে আশ্ৰয় তত্ত্বৰ প্ৰকৃত স্বৰূপ কি এইটো বিবেচনা কৰাৰ পূৰ্বে সনাতন ধৰ্মানুগত সম্প্ৰদায়ৰ আচাৰ্য্য বিলাকৰ দ্বাৰা নিৰ্ণীত আশ্ৰয় স্বৰূপকহে বিচাৰ কৰা আৱশ্যক।

অদ্বৈত সম্প্ৰদায়ৰ প্ৰধান শঙ্কৰাচাৰ্য্যৰ প্ৰতীতি কেৱল ব্ৰহ্মাইহে সত্য। তাৰ বাহিৰে দৃশ্য অথবা জড়ৰূপত বা বিশ্বৰূপত যিমান অনুমান হয় সেইটো মায়াৰ মিছা কাৰ্য্য নাইবা ভ্ৰম মাত্ৰহে। দৃশ্য নিবেধ হৈ যোৱাত নিষেধৰ সীমাত যি অনুদ্দিষ্ট, অৱশিষ্ট তত্ত্ব বৈ যায় সেইটোৱে অখণ্ড চিন্মাত্ৰ একৰস অদ্বিতীয় ব্ৰহ্ম। ইয়াক বিধানাত্মক শব্দৰে নিৰূপন কৰিব নোৱাৰি। কাৰণ ই স্থূল নহয়, অণু নহয়, দীৰ্ঘ নহয়, হ্ৰস্ব নহয়, শব্দ, স্পৰ্শ থকা বিধৰ নহয়। ইয়াক কেৱল অদৃশ্য অগ্ৰাহ্য, অলক্ষণ, অবস্তু আদি শব্দৰ দ্বাৰাহে সংকেট কৰিব পাৰি। পৰমাৰ্থ দৃষ্টিৰে সেই বিলাকে ব্ৰহ্মাৰ সঁগুণত্ব স্বীকাৰ নকৰে। তেওঁলোকে কয় যে শ্ৰুতি বোৰৰ যি যি ঠাইত সগুণ ব্ৰহ্মাৰ বৰ্ণনা আছে সেইটো কেৱল ব্যৱহাৰিক দৃষ্টিৰে উপাসনাৰ সিদ্ধি লাভৰ বাবেহে। কাৰণ বাস্তৱিকতে ব্ৰহ্মাৰ প্ৰকৃতস্বৰূপ নিৰ্গুণ এই দুই প্ৰকাৰৰ বৰ্ণনা থাকিলেও সমস্ত বিশেষণ আৰু বিকল্প ৰহিত নিৰ্গুণ স্বৰূপকেই স্বীকাৰ কৰিব লাগে, সগুণক নহয়। কাৰণ উপনিষদ বিলাকৰ য'ত য'ত ব্ৰহ্মাৰ স্বৰূপ সম্বন্ধে ব্যক্ত কৰা হৈছে, তাত অশব্দ, অস্পৰ্শ, অৰূপ, অব্যয় আদি নিৰ্ব্বিশেষ বুলিহে বিদিত হৈছে। বিশিষ্ট্যাদ্বৈত প্ৰধান ৰামানুজাচাৰ্য্যই শঙ্কৰাচাৰ্য্যৰ ঠিক বিপৰীত ব্ৰহ্মাক নিৰ্গুণ বুলি মানি নলৈ সগুণকহে স্বীকাৰ কৰে। তেওঁৰ মতে ব্ৰহ্ম অশেষ কল্যাণ কৰ, গুণকাৰী, সৰ্ব্বজ্ঞ, সৰ্বদ্ৰষ্টা সৰ্ব্বব্যাপক সৰ্বময়, সৰ্বশক্তিময়, নিখিল বিশ্বৰ কাৰণৰো কাৰণ, চিদানন্দ, নিৰাকাৰ, সাকাৰ আদি ৰূপত অৱতাৰ ধৰোতা। যি ঠাইত শ্ৰীধৰক নিৰ্গুণ বোলা হৈছে তাত আমি বুজিব লাগিব যে ব্ৰহ্মাত প্ৰাকৃত গুণ নাই। আৰু যি ঠাইত জগত স্ৰষ্টাক সগুণ বোলা হৈছে তাত ব্ৰহ্মাক দিব্য অপ্ৰাকৃত গুণেৰে যুক্ত বুলি বুজিব লাগিব। জীৱ





আৰু জগত তেওঁৰ শৰীৰ আৰু দুয়োটাৰে অবিনাশী যুক্ত ব্ৰহ্ম। দ্বৈত সম্প্ৰদায়চাৰ্য্য মাধ্বৰাচাৰ্য্যই দুই প্ৰকাৰৰ তত্ত্ব মানি গৈছে। এটা স্বতন্ত্ৰ আৰু আনটো অস্বতন্ত্ৰ। অশেষ গুণ সম্পন্ন শ্ৰীহৰি, শ্ৰীপতি স্বতন্ত্ৰ তত্ত্ব কিন্তু জীৱ আৰু জগত অস্বতন্ত্ৰ তত্ত্ব। স্বতন্ত্ৰ তত্ত্ব ভাৱ আৰু অভাৱ দুয়োটাতকৈ বিলক্ষণ। জীৱ আৰু জগত ঈশাধীন। ৰামানুজৰ মতে ঈশ্বৰেই জগতৰ ৰূপত পৰিণত হৈছে। কিন্তু মাধ্বৰাচাৰ্য্যৰ মতে জগত আৰু গোবিন্দৰ মাজৰ পাৰ্থক্যটো নিত্য। প্ৰভু নিয়মকৰ্ত্তা আৰু জগত নিয়মৰ অধীন। ৰামানুজৰ মতে জীৱ আৰু জগতৰ মাজত বিজাতীয় আৰু স্বজাতীয় ভেদ নাই। দুয়োতাই চেতন। মাধ্বৰাচাৰ্য্যৰ মতে জীৱ আৰু ব্ৰহ্ম সৰ্ব্বঠাই পৃথক। দুয়োটাৰ মাজত সেব্য আৰু সেৱকৰ সম্বন্ধ আছে।

দ্বৈতাদ্বৈতবাদী নিম্বাকাচাৰ্য্যই ব্ৰহ্ম, জীৱ আৰু জড় অৰ্থাৎ চেতন অচেতন অত্যন্ত ভিন্ন আৰু অভিন্ন বুলি মানি গৈছে। তেওঁৰ মতে জীৱ আৰু জগত দুয়োটা ব্ৰহ্মাৰেই পৰিণাম। ব্ৰহ্মাই জগতৰ উপদান আৰু নিমিত্ত কাৰণ। তেওঁ জগতৰ স্ৰষ্টা আৰু সংহাৰক যদিও তেওঁ জগতৰ গণ্ডিৰ বাহিৰত। অৱশ্যে এই দৃষ্টিৰে চালে জগত আৰু ব্ৰহ্মাৰ ভেদ আছে। কিন্তু প্ৰকৃতাৰ্থত জগত ব্ৰহ্মাতে প্ৰতিস্থিতহৈ আছে। সেই বাবে ব্ৰহ্ম আৰু জগত অভিন্ন। জগত গুণ আৰু ব্ৰহ্ম গুণী। তাত্ত্বিক দিশৰে চালে গুণী আৰু গুণৰ কোনো ভেদ নাথাকে। এই দুয়োটাৰে বিপক্ষতা কেৱল শব্দতহে আছে বাস্তৱত নাই। কাৰণ গুণীক গুণে ঢুকি নাপায়। কিয়নো ব্ৰহ্ম সগুণ আৰু নিৰ্গুণ দুয়োটাই। গুণী বুলিলেও গুণাতীত বোধ হয়। ব্ৰহ্মাৰ স্বৰূপ অচিন্ত অনন্ত, আশ্ৰয়, সৰ্ব্বজ্ঞ, সৰ্বশক্তিমান, সৰ্বেশ্বৰ আৰু নিৰতিশয় (অতি বেছি)।

বিশুদ্ধাদ্বৈত ভল্লভাচাৰ্য্যই বিষ্ণুক সমস্ত বিশুদ্ধ ধৰ্মৰ আশ্ৰয় স্থলী বুলি কৈছে। তেওঁৰ মতে মধুসূদন নিৰ্গুণ হৈও সগুণ। কাৰণ হৈও নিঃকাৰণ। অগম্য হৈও সুগম। নিৰাকাৰ হৈও সাকাৰ। আত্মাৰাম হৈও ৰমণ কৰ্ত্তা। নিৰ্মায়া হৈও সৰ্ব্ব ব্যাপ্ত। তেওঁৰ পৰিণামো অবিকৃত। তেওঁ নিত্য সাকাৰ আৰু ব্ৰহ্ম স্বৰূপ।

এই ধৰণে আচাৰ্য্য সকলৰ নানা জনে আশ্ৰয় তত্ত্ব সম্বন্ধে ভিন্ন, ভিন্ন স্বকীয় মত প্ৰকাশ কৰি গৈছে। তদুপৰি দৰ্শন শাস্ত্ৰ বোৰতো আশ্ৰয় তত্ত্বৰ বিভিন্ন স্বৰূপ স্বীকৃত হৈছে। ন্যায় আৰু বৈশেষিক দৰ্শনেও ঈশ্বৰক জগতৰ কৰ্ত্তা ৰূপত স্বীকাৰ কৰিছে। অৱশ্যে বেদান্ত দৰ্শনত আশ্ৰয় তত্ত্ব সম্বন্ধে ভিন্ন মত পৰিলক্ষিত হৈছে। কিন্তু ব্ৰহ্ম সূত্ৰত আশ্ৰয় তত্ত্ব যি ৰূপত স্বীকৃত হৈছে। শ্ৰীমদ্ভাগতৱততো সেই একে ৰূপেই স্বীকাৰ্য্য। তদুপৰি সকলো কথাই আশ্ৰয় তত্ত্ব নিৰূপণৰ কাৰণেই কোৱা হৈছে যদিও বিশেষকৈ দ্বিতীয় স্কন্ধৰ দশম অধ্যায়ত আৰু দ্বাদশ স্কন্ধৰ সপ্তম অধ্যায়ত আশ্ৰয় তত্ত্ব সম্বন্ধে সবিশেষ বৰ্ণনা কৰিছে।

সৃষ্টি আৰু প্ৰলয় অথবা প্ৰতীতি আৰু প্ৰতীতিৰ অভাৱ দুয়োটাই যাৰ দ্বাৰা প্ৰকাশিত হয় সেই পৰম ব্ৰহ্মাই আশ্ৰয় অৰ্থাৎ অধিস্থান। আৰু এওঁকে পৰমাত্মা বোলে। যিজন আধ্যাত্মিক পুৰুষ তেৱেঁই আধিদৈবিক আৰু যিয়ে এই দুয়োটাকে পৃথক পৃথক কৰে তেওঁ আধিভৌতিক পুৰুষ। এজনৰ বাহিৰে আন জনৰ উপলব্ধি নহয়। এই তিনিওটা একে সাপেক্ষ। এই তিনিওটাৰ ভাব আৰু অভাবক যি জনে জানে সেইজন অপেক্ষাহীন সাক্ষী আশ্ৰয়।

শ্ৰীমদ্ভাগৱতৰ চতুঃশ্লোকত যি পৰম তত্ত্বৰ বৰ্ণনা কৰা হৈছে সেইটোও আশ্ৰয় তত্ত্বই হয়।

তদুপৰি অনেক ঠাইত কাৰণাত্মক আৰু কাৰ্য্যাত্মক, পৰ আৰু অপৰ, দ্ৰষ্টা আৰু দৃশ্যক নিষেধ কৰি তত্ত্ব বৰ্ণনা কৰা হৈছে সেইটোও মাথো ব্ৰহ্ম তত্ত্বই। দ্বাদশ স্কন্ধত চাৰি প্ৰকাৰৰ প্ৰলয়ৰ বৰ্ণনা কৰা লগতে আত্ম-তত্ত্বৰো বৰ্ণনা বিস্তৰ ভাবে কোৱা হৈছে। একাদশ স্কন্ধৰ ঠায়ে ঠায়ে মুক্তি আৰু বন্ধন বিষয়ে যি তত্ত্ব উপদেশৰ কথা কোৱা হৈছে সেইটোও একপ্ৰকাৰ আশ্ৰয় তত্ত্বই। গীতাৰ পৰা আ অপৰা প্ৰকৃতি, ক্ষেত্ৰ-ক্ষেত্ৰজ্ঞ, ক্ষৰ-অক্ষৰ আৰু প্ৰকৃতি পুৰুষৰ পৰা দূৰত যি তত্ত্ব বৰ্ণনা কৰা হৈছে সেই পুৰুষোত্তমেই শ্ৰীমদ্ভাগৱতৰ আশ্ৰয় তত্ত্বৰ আধাৰ। তেওঁ অচিন্ত আৰু অনিৰ্বচনীয় ব্ৰহ্মও ভগৱানো। ভাগৱতৰ মতে শ্ৰীকৃষ্ণ আৰু ব্ৰহ্ম অভিন্ন। ব্ৰহ্ম সূত্ৰৰ ব্ৰহ্ম, গীতাৰ পুৰুষোত্তম আৰ ভাগৱতৰ শ্ৰীকৃষ্ণ একেই মূলীভূত। সেইবাবে তত্ত্ব-জ্ঞানী লোকে একেই জনকে ব্ৰহ্ম, পৰমা আৰু শ্ৰীনিবাস বোলে। শ্ৰীকৃষ্ণই জগতৰ অসংখ্য জীৱৰ একমাত্ৰ আত্মা। জগতৰ জীৱৰ কল্যাণ কাৰণ তেৱেঁই মায়াৰ দ্বাৰা শৰীৰ ধাৰণ কৰি দৃশ্যমান হয়। বাস্তৱিকতে শ্ৰীকান্তৰ শৰীৰ আৰু শৰীৰ ভেদ নাথাকে। জীৱ নিজ শৰীৰৰ পৰা পৃথক। শৰীৰটো জীৱে গ্ৰহণ কৰা বস্তু। সেই বাবে প্ৰয়োজ সাপেক্ষে জীৱে তাক এৰিব পাৰে। কিন্তু সাৱঙ্গ পাণিৰ শৰীৰটো জড় নহয় চিন্ময়হে। তাত হে আৰু উপদেয়ৰ ভেদ নাথাকে। কাৰণ সেইটো সম্পূৰ্ণ আত্মাহে। শৰীৰৰ নিচিনাই জনাৰ্দ্দনৰ যি গু থাকে সেইবোৰ আত্মা স্বৰূপেই। ইয়াৰ কাৰণ এইটোয়ে যে জীৱ বোৰত যি গুণ থাকে সেইবোৰ প্ৰাকৃত গুণ। সেই বাবে জীৱবোৰে এইবোৰ ত্যাগ কৰিব পাৰে। কিন্তু দৈত্যাৰিৰ গুণ নিজস্ব স্বৰূপ ভূত আৰু অপ্ৰাকৃত। এই কাৰণে তেওঁ এইবোৰ সদা-সৰ্বদা ত্যাগ কৰিব নোৱাৰে। এটা কথা অতি বিলক্ষণ যে ভগৱানৰ শৰীৰ আৰু গুণ জীৱৰ দৃষ্টিতহে থাকে সচ্চিদানন্দৰ দৃষ্টিত নহয়। চক্ৰপাণিৰ এই স্বৰূপৰ প্ৰতি সকলোবিলাক আচৰ্য্যৰে লক্ষ্য। তেওঁলোকৰ বৰ্ণনা শৈলী বিভিন্ন হোৱা কাৰণে কোনো কোনো ঠাইত বিৰোধ যেন দেখা যায় যদিও সূক্ষ্ম দৃষ্টিৰে বিচাৰ কৰি চালে আশ্ৰয় ৰূপ পৰম ব্ৰহ্ম শ্ৰীকৃষ্ণত সকলোৰে সমন্বয় ঘটে। শ্ৰীনাথৰ এই স্বৰূপভূত অচিন্ত গুণ তেওঁৰ নিত শক্তি আহ্লাদিনীৰেই প্ৰকাশ। আহ্লাদিনী শক্তিয়েই শ্ৰীৰাধিকা যিয়ে হৃষীকেশৰ পৰা সৰ্ব্বদায় অভিন্ন হৈ থাকে। এই দৃষ্টিৰে চালে ৰাধা কৃষ্ণকো যুগ্মভাবে আশ্ৰয়তত্ত্ব কব প্যাৰি। এই দশম তত্ত্ব আশ্ৰয় তত্ত্বক বিশুদ্ধ ৰূপে জ্ঞান আৰু উপলব্ধি প্ৰাপ্তিৰ কাৰণে বাকী ৯ টা তত্ত্ব সৰ্গ বিসৰ্গ আদি বৰ্ণনা ক হৈছে। এইবোৰ বৰ্ণনাৰ দ্বাৰা প্ৰভুৰ অনন্ত মহিমা আৰু সাক্ষীত্বৰ জ্ঞান জন্মাই তাৰ স্বৰূপত স্থিতি কৰি দিয়াটোৱে ভাগৱতৰ মুখ্যতম উদ্দেশ্য।

ওম্ শান্তি, ওম্ শান্তি, ওম্ শান্তি।

*********





# বেদৰ ব্ৰহ্ম স্তুতি

পৰম ভাগৱত পৰীক্ষিতে অৱধূত শুকক সুধিছিল হে ভগৱান, কাৰ্য্য আৰু কাৰণ অৱস্থাৰ পৰা সৰ্বদা দূৰত থাকে। ব্ৰহ্ম ত্ৰিগুণ ৰহিত। যাক মন আৰু বাণীৰে নিৰ্দেশ কৰিব নোৱাৰি। আনহাতে শ্ৰুতি বিলাকৰ বিষয় গুণহে আৰু বৰ্ণনো গুণ, জাতি, ক্ৰিয়া আদিকহে নিৰ্দেশ কৰে। তেনে ক্ষেত্ৰত শ্ৰুতি বিলাকে নিৰ্গুণ ব্ৰহ্মক কেনেকৈ প্ৰতিপাদন কৰে।

উত্তৰত শুকদেৱে কৈছিল, হে পৰীক্ষিত, ভগৱান সৰ্ব শক্তিমান আৰু গুণৰ সাগৰ। শ্ৰুতি বিলাকে স্পষ্টত সগুণকে নিৰূপণ কৰে যদিও বিচাৰত নিৰ্গুণহে ওলাই পৰে। এইবাবে ভগৱানে জীৱবোৰক মন, বুদ্ধি, ইন্দ্ৰিয় আৰু প্ৰাণ দিছে। ইয়াৰ দ্বাৰা মানৱে ধৰ্ম, অৰ্থ, কাম মোক্ষ অৰ্জন কৰিব পাৰে। শ্ৰুতিবোৰ সগুণাত্মক যেন দেখিলেও আচলতে নিৰ্গুণাত্মকহে ব্ৰহ্মৰ প্ৰতিপাদন কৰা উপনিষদবোৰৰ এইটোৱে স্বৰূপ। ইয়াক পূৰ্বজ সনকাদি ঋষি সকলেও আত্ম-নিশ্চয়ৰ দ্বাৰা ধাৰণ কৰিছিল। মনুষ্য সকলেও যদি শ্ৰদ্ধা ভাবে ধাৰণ কৰিব পাৰে তেনেহ'লে তেওঁলোকেও অনাত্মক ভাবৰ পৰা মুক্তহৈ কল্যাণময় পৰমাত্মাক লাভ কৰিব পাৰে। তদুপৰি প্ৰপঞ্চ জ্ঞানৰ বাবে তোমাক দেৱৰ্ষি নাৰদ আৰু নাৰায়ণৰ সংবাদ এটি কওঁ শুনা।

এদিনাখন পৰম ভক্ত নাৰদে নানা লোকত বিচৰণ কৰি কৰি আহি নাৰায়ণৰ দৰ্শন লাভৰ বাবে বদৰিকাশ্ৰম পালেহি। কাৰণ কল্পৰ আদিতে প্ৰভু নাৰায়ণে মানৱ জাতিৰ কল্যাণ আৰু পৰম নিঃশ্ৰেয়সৰ (মুখ্য প্ৰাপ্তিৰ) বাবে ধৰ্ম, জ্ঞান আৰু সংযম সহিতে ইয়াত মহান তপস্যাত ব্ৰতী হৈছিল। ভগৱান নাৰায়ণে সিদ্ধ ঋষি মুনি বিলাকৰ মাজত বহি থকা সময়তে নাৰদ উপস্থিত হৈ প্ৰণাম জনাই নাৰায়ণক তুমি মোক সোধা প্ৰশ্নটিকে সুধিলে। তেতিয়া দয়ালু নাৰায়ণে প্ৰশ্নৰ উত্তৰ দিলে, যিটো পূৰ্বতে জনলোক বাসীয়ে বেদৰ তাৎপৰ্য্য আৰু ব্ৰহ্মৰ স্বৰূপ সম্বন্ধে বিচাৰ কৰা সময়ত কোৱা হৈছিল।

নাৰায়ণে ক'লে হে নাৰদ প্ৰাচীন কালত জনলোকত চাৰিসিদ্ধ আৰু ব্ৰহ্মজ্ঞানী ঋষি সকলৰ মাজত এখন ব্ৰহ্ম সত্ৰ (যজ্ঞ) হৈছিল। তেওঁলোক যদিও আতায়ে ব্ৰহ্মজ্ঞ আছিল তথাপিও এজনক প্ৰবচনকাৰ (বক্তা) কৰিলৈ ব্ৰহ্ম চৰ্চ্চা কৰিছিল। অৱশ্যে সেই সময়ত তুমি মোৰ অনিৰুদ্ধ মূৰ্ত্তি দৰ্শন অভিলাসৰ বাবে শ্বেতদ্বীপত আছিলা। তাত ব্ৰহ্ম সম্বন্ধে উত্তম চৰ্চ্চা হোৱা বাবে শ্ৰুতি বোৰেও মৌন হৈ আছিল। সেই ব্ৰহ্ম সত্ৰত সকলো প্ৰশ্নকলৈয়ে বিচাৰ কৰা হৈছিল। উদাসীন আৰু শীল স্বভাৱৰ চাৰি সিদ্ধই সনান্দক বক্তাৰূপে নিৰ্বাচন কৰি তেওঁৰ মুখ নিঃসৃত বাণী শুনিছিল।

সনন্দনে কৈছিল - যেনেকৈ শুই থকা সম্ৰাটক জগাবলৈ দাসবোৰে সম্ৰাটৰ পৰাক্ৰম আৰু যশস্যাৰ গুণগান কৰে, তেনেদৰে পৰমাত্মাই নিজে তৈয়াৰ কৰা জগতখনক নিজত লীন কৰি নিজ শক্তিবোৰৰ লগত শুই থাকোতে প্ৰলয়ৰ অন্তত শ্ৰুতিবোৰেও তেওঁক প্ৰতিপাদন কৰা বাক্যৰে জগায়।

শ্ৰুতিবোৰে ব্ৰহ্মক উদ্দেশ্যি কৈছিল - হে প্ৰভু তোমাৰ জয় হওঁক। তুমি অজিত আৰু সমস্ত ঐচৰ্য্যৰে পূৰ্ণ। বিশ্বৰ চৰাচৰ প্ৰাণীবোৰক আবদ্ধকাৰী কুলটা স্ত্ৰীৰ দৰে মায়াক নাশ কৰাৰ

সামৰ্থ কেৱল তোমাৰহে আছে। কাৰণ জগতত যিমানবোৰ সাধনা জ্ঞান ক্ৰিয়া আদি শক্তি আ
সেই সকলোবোৰক জাগ্ৰত কৰোতা তুমিহে। তোমাৰ নিশ্বাসৰ পৰা উদ্ভৱ হোৱা আমি শ্ৰুতিবোৰে
তাৰ প্ৰমাণ। যদিও আমি তোমাৰ স্বৰূপ বৰ্ণনা কৰাৰ অসমৰ্থ তথাপিতো তুমি যেতিয়া সগুণৰূ
ধাৰণ কৰি মায়াৰ দ্বাৰা জগত সৃষ্টি কৰা তেতিয়া তোমাৰ সচ্চিদানন্দ স্বৰূপ বিগ্ৰহ প্ৰত্যক্ষ ক
যৎকিঞ্চিৎ বৰ্ণনা কৰাৰ সামৰ্থ হওঁ। আমি বুজি পাইছো যে মহাপ্ৰলয়ৰ সময়ত সমস্ত জগত বিনা
হলেও তুমি একমাত্ৰ থাকি যোৱা। ঘট মাটিৰ পৰা উৎপন্ন হৈ মাটিতে লীন হোৱাৰ দৰে জগত
উৎপত্তি আৰু লয় তোমাতে হয়। তুমি নিৰ্ব্বিকাৰ হেতুকে বিকাৰপূৰ্ণ পৃথিৱী তোমাৰ পৰা সৃ
নহয় যেন লাগে। যেনেকৈ ইন্দ্ৰ বৰুণ আদি দেৱতাবোৰৰ বৰ্ণনো তোমাৰেই বৰ্ণন। সেই বা
ভাবুক ঋষি মুনি সকলে যি ভাৱে আৰু বাক্যৰে যি কয় তোমাৰে স্বৰূপ। কাৰণ মানুহে নিজৰ ঘ
ইটা শিল বা কাঠত থলেও প্ৰকাৰন্তৰে মাটিতে থোৱা হয়, যিহেতুকে সেইবোৰ মাটিৰে ৰূপ
সেইদৰে আমি তোমাক যি নাম বা ৰূপেৰে বৰ্ণনা নকৰো কিয় সেইবোৰ তোমাৰেই ৰূপ।

হে প্ৰভু লোকবোৰ তিনি গুণৰ মায়াত আবদ্ধ। কিন্তু তুমি সেই মায়া নটীৰো স্বামী
সেইবাবে জ্ঞানী পুৰুষে তোমাৰ লীলাময় অমৃত সাগৰত ডুবযাই থাকি পাপ-তাপ ধুই নিকা কৰে
যি সকলে আত্ম-জ্ঞানৰ দ্বাৰা অন্তৰৰ ৰাগ-দ্বেষ জড় মৰণ আদি কালক্ৰিত দোষবোৰ শেষ কৰি দিয়ে
তেওঁলোকে নিৰন্তৰ তোমাৰ অখণ্ড আনন্দ স্বৰূপ অনুভূতিত মগ্নহৈ থাকে। যি সকল লোকে
তোমাৰ সেৱা, ভজন আৰু আজ্ঞা পালন নকৰে তেওঁলোকৰ জীৱন নিস্ফল। মাত্ৰ কমাৰৰ ভাতী
দৰে উশাহ নিশাহলৈ জীয়াই থাকে। যদি কোনো লোকে তোমাক ভজনা নকৰাকৈ ইহ আৰু
পৰলোকত সুখেৰে থাকিব খোজে তেনেহ'লে সেই চিন্তা অমূলক। কাৰণ মহতত্ত্ব আদিত তুমি
অনুগ্ৰহ পূৰ্বক প্ৰবেশ কৰা বাবেহে ব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছে। তেনেস্থলত তোমাৰ অনুগ্ৰহ অবিহনে
লোকে স্থায়ী সুখ কেনেকৈ পাব। তদুপৰি পঞ্চকোষত তুমি পুৰুষৰূপে ক্ৰিয়া কৰা বাবে কোষবোৰৰে
অস্তিত্ব অনুভৱ হয়। এনেকৈ সকলোতে আদিৰ পৰা অন্তলৈকে থাকিও তুমি কিন্তু অসঙ্গহে আৰু
আছে নাই এই সমস্ত কাৰ্য্য কাৰণৰ পৰা তুমি অতি দূৰত। সকলো নিঃশেষ হৈ যোৱাৰ পাছতো
তুমিহে অৱশিষ্ট থাকা। কাৰণ সেই নিঃশেষৰো সাক্ষী। তুমি পৰম সত্য বাবে তোমাৰ ভজন বিনে
জীৱন ব্যৰ্থ। কাৰণ সেইজনে মহান সত্যৰ পৰা বঞ্চিত হয়।

ঋষি মুনিবোৰে তোমাক প্ৰাপ্তিৰ বাবে অনেক পথ স্বীকাৰ কৰিছে। তাৰ ভিতৰত স্থূল দৃষ্টি
থকাবোৰে তোমাক মনিপুৰ চক্ৰত অগ্নিৰূপে উপাসনা কৰে। তেওঁলোকৰ লক্ষ্য হৃদয় অধিশ্বৰ
তোমাক লাভ কৰা। সেইবাবে তেওঁলোকক সূক্ষ্ম দৰ্শীও ক'ব পাৰি। হে প্ৰভু, তোমাক পাব পৰা
শ্ৰেষ্ঠ মাৰ্গ সুষুন্মানাৰী ব্ৰহ্ম ৰন্ধ্ৰ পৰ্য্যন্ত গৈছে। যি পুৰুষে সেই জ্যোতিৰ্ময় পথেৰে গতি কৰে তেওঁ
জন্ম মৃত্যুৰ হাত সাৰে।

দেৱতা মনুষ্য আৰু পশুপক্ষী আদিৰ যোনিবোৰৰ স্ৰষ্টা তুমিয়ে। সেইবাবে কাৰণ ৰূপে
প্ৰবেশ নকৰিলেও অনুমান হয় যেন তুমি তাত প্ৰবিষ্টহৈ আছা। যেনেকুৱা খৰিৰ কলেৱৰ অনুপাতে
জুইৰ প্ৰকোপ কম-বেছি ৰূপত দেখা যায়। সেইবাবে সন্ত পুৰুষ সকলে লৌকিক আৰু পাৰলৌকিক
কৰ্মৰ ফালৰ পৰা বিৰক্ত হয়।

তেওঁলোকৰ নিৰ্মল বুদ্ধিৰে সত্য-অসত্য, আত্মা-অনাত্মা, চিনিলৈ জগতৰ মিছা ৰূপত





আৱদ্ধ নহয়। সেইবাবে তেওঁলোকে সত্য স্বৰূপক সাক্ষাৎ কৰে। আৰু সমস্ত ধাৰণ শক্তি তোমাৰেই বুলি স্বীকাৰ কৰে। বুদ্ধিমান পুৰুষে জীৱৰ বাস্তৱিক স্বৰূপৰ ওপৰত বিচাৰ কৰি পৰম বিশ্বাসৰে তোমাৰ চৰণ কমলত উপাসনা কৰে। কাৰণ তোমাৰ চৰণেই সমস্ত বৈদিক কৰ্মৰ সমৰ্পণ স্থান। তোমাৰ উপাসনা বিনে নিজৰ স্বৰূপ উপলব্ধি হ'ব নোৱাৰে। মৰ্ত্য লোকত এইটোৱে একমাত্ৰ সাধন।

হে প্ৰভু, পৰমাত্মাৰ জ্ঞান প্ৰাপ্ত কৰা অতি কঠিন বাবে তুমি নানা অৱতাৰ ধৰি সেই বিলাকৰ দ্বাৰাই এনে লীলা কৰা যি অমৃত সাগৰতকৈও মধুৰ আৰু মাদক পূৰ্ণ হয়। যিলোকে ইয়াক সেৱন কৰে তেওঁৰ সকলো শ্ৰম আৰু ক্লেশ আতৰি যায়। প্ৰেমী ভক্ত সকলে পৰমানন্দত নিমগ্নহৈ থাকি স্বৰ্গ সুখ কিয় মুক্তিকো অভিলাস নকৰে। তেওঁলোকে তোমাৰ চৰণ কমলৰ প্ৰেমীক পৰমহংস সকলৰ সংগত থাকি তোমাৰ গুণানু কীৰ্ত্তন কৰি ঘৰ গৃহস্থিকো পৰিত্যাগ কৰে। মানৱ শৰীৰ ক্ষণভঙ্গুৰ হলেও ইচ্ছা কৰিলে জীৱে তোমাক লাভ কৰিব পাৰে। কাৰণ তুমি কেতিয়াও জীৱৰ বিপৰীতে কোনো কাম নকৰা। তুমি জীৱ সমস্তৰ পৰম হিতৈষী, প্ৰিয়তম আত্মা। সেইবাবে অনুক্ষণ জীৱক তোমাৰ ওচৰলৈ নিয়াৰ বাবে ইচ্ছা কৰা। তৎসত্বেও লোকবোৰে সখ্য ভাৱৰ দ্বাৰা তোমাক উপাসনা নকৰে। তোমাত ৰমণ নকৰে। তাৰ পৰিৱৰ্ত্তে বিনাশী শৰীৰৰ লগতহে ৰমণ কৰি নিজ আত্মাক হনন কৰি অধোগতি যায় আৰু কৰ্ম বাসনা অনুসাৰে পশুপক্ষী আদি নীচ যোনিত জন্ম গ্ৰহণ কৰি অত্যন্ত ভয়াবহ জন্ম মৃত্যুৰূপ সংসাৰত ঘূৰি পকি আয়াযাত কৰি থাকে।

হে প্ৰভু, তোমাৰ স্মৰণৰ মহিমা অতি বিলক্ষণ। কাৰণ যোগী সকলে যি সাধনাৰ দ্বাৰা প্ৰাণ, মন আৰু ইন্দ্ৰিয়বোৰক বস কৰি দৃঢ় উপাসনাৰ দ্বৰা যি পদ লাভ কৰে শত্ৰু ভাৱত স্মৰণ কৰা সকলেও সেই একে পদকে লাভ কৰে। স্ত্ৰীবোৰে অজ্ঞান বশতঃ নিজক পৰিচ্ছন্ন বুলি ভাবিও তোমাৰ সুন্দৰ সুকুমাৰ বাহুবোৰৰ প্ৰতি কাম ভাৱত আসক্তহৈ যি পদ লাভ কৰে সেই একে পদকে আমি শ্ৰুতিবোৰেও লাভ কৰো। কাৰণ তুমি সমদৰ্শী। তোমাৰ দৃষ্টিত পৰিচ্ছন্ন বা অপৰিচ্ছন্ন ভাবৰ কোনো পাৰ্থক্য নাই। যি সকলৰ জন্ম আৰু মৃত্যু কালৰ সীমাবদ্ধ সেই সকলে তুমি যে অনাদি আৰু অনন্ত এই তত্ত্ব নাজানে। স্বয়ং ব্ৰহ্মা প্ৰবৃত্তি মাৰ্গত থকা বাবে আৰু মৰীচি আদি বহু পিছত জন্মা বাবে তেওঁলোকেও এই তত্ত্ব নাজানে। অৱশ্যে সনক আদি নিবৃত্তি পৰায়ণ হেতুকে যৎকিঞ্চিৎ উমান পায়। যি সময়ত তুমি ব্ৰহ্মাণ্ডৰ সকলো সামৰিলৈ শুই পৰা তেতিয়া সাধনাৰো পৰিসমাপ্তি ঘটে। সেই সময়ত আকাশ আদি স্থূল জগত আৰু মহতত্ত্বাদি সূক্ষ্ম জগতো নাথাকে। আনকি এই দুয়োতাৰে তৈয়াৰ হোৱা শৰীৰ আৰু নিমিত্ত ক্ষণ, মুহূৰ্ত আদি কালৰ অংগবোৰো নাথাকে। শাস্ত্ৰবোৰো তোমাতে লীনহৈ যায়। এনে অৱস্থাত তোমাক ভজন কৰাতোয়েই সৰ্বোত্তম উপায় বা পথ। কিছুমান আত্মাক অনেক বুলি ভাবে আৰু অনেকে কৰ্মৰ দ্বাৰা লাভ হোৱা লোক আৰু পৰলোক ৰূপ ব্যৱহাৰক সত্য বুলি মানে। এইবোৰ নিঃসন্দেহে ভ্ৰম মূলক। ত্ৰিগুণময় পুৰুষৰ এনে ভেদ ভাব মাত্ৰ অজ্ঞানৰ পৰাহে উদ্ভৱ হয়। কিন্তু জ্ঞান স্বৰূপ তোমাত কোনো প্ৰকাৰ ভেদ ভাব নাই।

হে প্ৰভু, ত্ৰিগুণাত্মক জগতখন মনৰ কল্পনাহে মাত্ৰ। কিন্তু তোমাৰ অস্তিত্বৰ কাৰণে সত্য যেন দেখা যায়। এই কাৰণে ভোক্তা ভোগ্য দুয়োতাৰে সম্বন্ধ ঘটোৱা ইন্দ্ৰিয়বোৰকে আদি কৰি সকলো বস্তুকে আত্ম-জ্ঞানী পুৰুষে আত্ম-ৰূপে সত্য বুলিয়ে মানে। যেনেকৈ সোণৰে তৈয়াৰী

খাৰু, কুণ্ডল আদিৰ মূল ৰূপ সোণ। তেনেদৰে জগতখন আত্মাতে কল্পিত বাবে আত্ম-জ্ঞানী পুৰু ইয়াক আত্মা ৰূপে দেখে। বুজন লোকে বুজে যে তুমি সমস্ত প্ৰাণী আৰু পদাৰ্থৰ অধিষ্ঠান আ আধাৰ হেতুকে তেওঁলোকে মৃত্যুকো নেওচি তাৰ শিৰত পদাঘাত কৰি তোমাৰ ভজন সেৱা ক মৃত্যুক অতিক্ৰম কৰে। কিন্তু তোমাৰ বিমুখকাৰী লোক সকল যিমানে বিদ্যান নহওক কিয় তেওঁলোক তুমি কৰ্ম প্ৰতিপাদন কাৰী আমাৰ (শ্ৰুতি বিলাকৰ) দ্বাৰা পশুৰ দৰে বান্ধি থোৱা। কিন্তু যি সক তোমাৰ লগত প্ৰেমৰ সম্বন্ধ ৰাখি থাকে তেওঁলোকে নিজকে নহয় আনকো পবিত্ৰ কৰি জগত বন্ধনৰ পৰা মুক্ত কৰি দিয়ে।

হে প্ৰভু, তুমি স্বতঃসিদ্ধ জ্ঞানৱান স্বয়ং প্ৰকাশ বাবে তোমাৰ কৰ্মত কোনো ইন্দ্ৰি আৱশ্যক নাই, নাথাকে। যেনেকৈ কৰ-তলীয়া ৰজাবোৰে সংগৃহীত কৰ-কাটিল সম্ৰাটক দিয়ে তেনে মানুহৰ পূজ্য দেৱতা, দেৱৰ পূজ্য ব্ৰহ্মা আদিও অধিকৃত প্ৰাণীবোৰৰ পূজা গ্ৰহণ কৰিও মায় অধীনত ভয়তে ভীতহৈ তোমাক পূজে, যেন তুমি তেওঁলোকক নিযুক্তি কৰিহে ৰাখিছা। কা তুমি নিত্য, মুক্ত, মায়াতীত। তোমাৰ সংকেত পোৱাৰ লগে লগে জীৱবোৰৰ সূক্ষ্ম শৰীৰ আ সুপ্ত কৰ্মৰ সংস্কাৰ জাগৃত হয়। তুমি আকাশৰ সমানে সমহোৱা বাবে তোমাৰ কোনো আপোন প নাই, যিহেতুকে তুমি পৰম দয়ালু। সেইবাবে তোমাৰ স্বৰূপকলৈ মন আৰু বাণীয়ে গতি কৰি নোৱাৰে। বাহ্য দৃষ্টিৰে তোমাক শূন্য যেন দেখিলেও তুমি সত্য, মুক্ত আৰু একৰসৰো অধিষ্ঠা জীৱ সমস্ত আৰু সিহঁতৰ একতা বা বিভিন্নতা তোমাৰ পৰাই সৃষ্ট বাবে সিবিলাক তোমাতকৈ নৃ সেইবাবে তুমি ইহঁতত কাৰণৰূপে থাকিও ইহঁতৰ নিয়মক। তুমি প্ৰাণীবোৰত সমৰূপে থকা বা সিবিলাকে তোমাৰ স্বৰূপটো জনা বুলি ভাবে যদিও প্ৰকৃততে নাজানে। তেওঁলোকে মাত্ৰ বুদ্ধি বিষয়টোহে জানিছে যিটোৰ পৰা তুমি অতি দূৰত। প্ৰকৃতি পুৰুষ দুয়োতাই অজন্মা। কাৰণ ইয় বাস্তৱিক স্বৰূপ তুমিহে। যেনেকুৱা জলবিম্ব নামৰ কোনো স্বতন্ত্ৰ বস্তু নাই। তাৰ উপাদান কা জল আৰু নিমিত্ত কাৰণ বায়ুৰ সংযোগ, তেনেকুৱা জীৱবোৰৰ সৃষ্টি আৰু পৃথক অস্তিত্ব তোম দ্বাৰা নিয়ন্ত্ৰিত হয়। যেনেকৈ সাগৰত নদীবিলাক আৰু মৌ জোলত সমস্ত ফুলৰ ৰস সোমাই প তেনেকৈ জীৱৰ সকলোবোৰ উপাধি ৰহিত তোমাতে সোমাই পৰে। ফলস্বৰূপে পৃথক ব্যাপক আৰু স্বতন্ত্ৰতা নোহোৱা হয়।

প্ৰভু জীৱবোৰে তোমাৰ মায়াত মোহিত হৈ ভ্ৰমবশতঃ খপিয়াই ফুৰে আৰু নিজক তোম পৰা পৃথক বুলি ভাবি জন্ম মৃত্যুৰ চকৰিত ঘূৰি ফুৰে। কিন্তু ধীমান লোকে এই ভ্ৰমৰ শক্তি বুজি প ভক্তি ভাবে তোমাৰ শৰণাগত হয়। ফলত জন্ম মৃত্যুৰ ঘূৰণিৰ পৰা অব্যাহতি পায়। গ্ৰীষ্ম, বৰ্ষা আ শীতৰ প্ৰকোপত শৰণহীন সকলে ভয়তে ভীতহৈ পৰে। কিন্তু শৰণাগত ভক্তই জন্ম মৃত্যুৰ ভয় কেৰেপ নকৰে। যোগী সকলেও যদি তোমাৰ চৰণ মাধ্যমেৰে গুৰুত শৰণ নলৈ অত্যন্ত চঞ্চল তুৰঙ্গক বশীভূত কৰিব খোজে তেনেহ'লে তেওঁলোকেও সাধনাত সফল হ'ব নোৱাৰে। বৰং পু পুনঃ খেদ আৰু শত শত বিপদৰ সন্মুখীন হৈ যাতনাহে ভোগ কৰে। তেওঁলোকৰ অৱস্থা সাগৰ গুৰীয়াল নোহোৱা নাৱৰে বাণিজ্য কৰা সকলৰ দৰে অন্ধি-সন্ধি হেৰুৱাই দুৰ্যোগ ভোগে। অত কৰ্ণধাৰ গুৰুৰ আৱশ্যকতা অনিবাৰ্য্য। যিহেতুকে তুমি অখণ্ড আনন্দ স্বৰূপ আৰু শৰণাগতৰ আ তোমাক পালে স্বজন, স্ত্ৰী, পুত্ৰ, ধন, মহল, পৃথিৱী আৰু ৰথ আদিৰ কি প্ৰয়োজন আছে। যি সকল





এই সত্য সিদ্ধান্তক নাজানি স্ত্ৰী-পুৰুষৰ মিলন সুখতে মজি থাকে তেওঁলোকক এই পাৰ্থিৱ সংসাৰৰ কোনো বস্তুৱে সুখী কৰিব নোৱাৰে। যিহেতুকে সংসাৰৰ সকলো বস্তু অশাশ্বত, সত্তাহীন আৰু বিনাশী। যিজন জাতি, বিদ্যা ঐশ্বৰ্য্য, তপস্যা আদিৰ গৰ্ব ৰহিত সেই সন্ত পুৰুষ পৰম পবিত্ৰ আৰু পুণ্যময় তীৰ্থস্থান স্বৰূপ। কাৰণ তেওঁৰ হৃদয়ত তোমাৰ চৰণাৰবিন্দ সৰ্বদা বিৰাজমান। তেনে সন্ত পুৰুষৰ চৰণামৃতে জীৱৰ সমস্ত পাপ তাপ নাশ কৰি দিয়ে। যিজনে মাত্ৰ এবাৰলৈও নিজৰ মন তোমাত সমৰ্পন কৰে তেওঁ কেতিয়াও দেহ-গেহত আবদ্ধ নহয়।

হে প্ৰভু, যদিও মাটিৰে তৈয়াৰী কলহটো মাটিয়েই আৰু সতৰ দ্বাৰা তৈয়াৰী জগতখনো সতেই তথাপিতো যুক্তি সংগত নহয়। কিয়নো ইয়াৰ কাৰণ আৰু কাৰ্য্যৰ নিৰ্দেশতেই ভেদ ওলাই পৰে। সেই বাবে কাৰ্য্য কাৰণৰ একতা সকলোতে একে দেখা নাযায়। তদুপৰি ক'ৰবাত ক'ৰবাত কাৰ্য্যৰ অসত্যতাও প্ৰমাণিত হয়। যেনে ৰচিত সৰ্প দৰ্শন। ইয়াৰ উপাদান কাৰণ সত্য হোৱা সত্বেও তাৰ কাৰ্য্য সৰ্বদা অসত্য। কিয়নো দেখা যোৱা সৰ্পৰ উপাদান কাৰণ কেৱল ৰচি নহয় তাৰ লগত অবিদ্যা ভ্ৰমো মিশ্ৰিত হৈছে। তেনেকৈ অবিদ্যা আৰু সৎ বস্তুৰ সংযোগতে জগৎ উৎপত্তি হৈছে যদিও ৰচিত দেখা সৰ্প মিছাৰ দৰে সৎ আৰু অবিদ্যাৰ সংযোগত দেখা পোৱা নাম আৰু ৰূপাত্মক জগতো মিছা। কিন্তু কৰ্মজড় অজ্ঞানীয়ে বিচাৰ নকৰাকৈ ভ্ৰমেৰে আচ্ছাদিতহৈ অন্ধ পৰম পৰাৰে ইয়াক মানি চলে। বাস্তৱিকতে এই জগতৰ উৎপত্তি পূৰ্বতে নাছিল আৰু প্ৰলয়ৰ অন্ততো নাথাকিব। মাত্ৰ মাজতে নিৰ্বিকাৰ পৰমাত্মাত মিছাইহে প্ৰতীক হয়। এই কাৰণে আমি শ্ৰুতিবোৰে এই জগতখনৰ বৰ্ণনা এনে উপমাদি কৰো, যেনে মাটিত কলহ, লোহাত অস্ত্ৰ আৰু সোণত কুণ্ডল আদি নামমাত্ৰহে। তেনেকৈয়ে পৰমাত্মাত বৰ্ণিত জগতখনো নামমাত্ৰহে। ই সৰ্বদা মিছা আৰু মনৰ কল্পনাহে মাত্ৰ। ইয়াক অবুজ মূৰ্খইহে সত্য বুলি ভাবে।

হে প্ৰভু, যেতিয়া জীৱবোৰে তোমাৰ মায়াত মোহিতহৈ অবিদ্যাক সাবতি লয় তেতিয়া তেওঁলোকৰ স্বৰূপ ভূত আনন্দ আদি গুণবোৰ আচ্ছন্ন হয়। আৰু গুণময় বৃত্তি ইন্দ্ৰিয় আৰু দেহত আবদ্ধহৈ তাকেই সত্য মানি সেইবোৰৰ সেৱাত লাগি পৰে। সেইবাবে দেহৰ জন্ম মৃত্যুত নিজৰ জন্ম-মৃত্যু হোৱা বুলি ধৰিলৈ ঘোৰ পাকত পৰি যায়। কিন্তু সাপে যেনেকৈ তাৰ নিৰ্মোকৰ লগত সম্বন্ধ নাৰাখে তেনেদৰে তুমিও মায়াৰূপী অবিদ্যাৰ লগত কোনো প্ৰকাৰ সম্বন্ধ নাৰাখা। সেইবাবে ধৰ্ম, যশ, শ্ৰী, জ্ঞান, বৈৰাগ্য আৰু অনিমাকে আদি কৰি অষ্ট ঐশ্বৰ্য্য তোমাৰ লগত লাগি থাকে। কিন্তু তুমি সেইবোৰত আবদ্ধ নোহোৱা।

হে প্ৰভু, যদি মানুহ যোগী, যতী হৈও অন্তৰৰ বিষয় বাসনাবোৰক সংযত কৰিব নোৱাৰে তেনেহ'লে তেওঁলোকৰ হৃদয়ত থাকিও তুমি লুপ্ত হৈ থাকা। যাৰ বাবে কোনোবাই গলত মণি পিন্ধি থাকিও ইফালে সিফালে বিচাৰি ফুৰাৰ দৰে তেনে সাধকে তোমাক বিচাৰি হাবাথুৰি খায়। যি সাধকে কেৱল ইন্দ্ৰিয়ৰ তৃপ্তিতে লাগি থাকে তেওঁ জীৱিত কিম্বা মৃত্যুৰ পিছতো কেৱল দুখহে ভোগে। তেওঁলোকে ব্ৰহ্ম সাধন নকৰা বাবে তোমাৰ স্বৰূপ নাজানি চকুৰে কেৱল অসাৰ সংসাৰখনকে সাৰ দেখি ধৰ্ম-কৰ্ম উলঙ্ঘন কৰি নৰক যন্ত্ৰণা ভোগ কৰে। কিন্তু তোমাৰ স্বৰূপ জনা পুৰুষে পাপ-পুণ্য, সুখ-দুখ আৰু কৰ্মৰ ফলাফলক নেওচি দেহাভিমান ত্যাগ কৰি তোমাৰ ভাবতে বিভোৰ হৈ থাকে। অৱশ্যে তোমাৰ স্বৰূপ জ্ঞান নোহোৱা জনেও যদি নিতৌ তুমি যুগে যুগে কৰি অহা লীলা

গুণবোৰ আওৱাই থাকে তেন্তে অনন্ত, অচিন্ত, দিব্য গুণৰ অধিকাৰী তুমি সেই প্ৰেমীক ভ সকলৰ বিধি নিষেধৰ দোষবোৰ মাফ কৰি দিয়া। কাৰণ তুমি সকলোৰে মাভৈঃ বাণী দাতা আ গতি দাতা।

হে প্ৰভু, যেনেকৈ আকাশত বতাহৰ দ্বাৰা সূক্ষ্ম ধূলি কণাবোৰ উৰি থাকে তেনেকৈ তোমা মায়া গতিত সাত আৱৰণ যুক্ত অসংখ্য ব্ৰহ্মাণ্ডও একেলগে ঘূৰি থাকে। তেনেক্ষেত্ৰত তোমা অসীম সীমাৰ কোনে অন্ত পাব। আমি শ্ৰুতি (বেদ) বোৰেও তোমাৰ সঠিক ৰূপ বৰ্ণনা কৰা অপাৰগ। তথাপিতো নিজ অস্তিত্বহীন হৈও সাধ্যানুসাৰে যৎকিঞ্চিৎ স্তুতি কৰি কৃত্য কৃত্য হ'লো

নাৰায়ণে কলে হে দেৱৰ্ষি এনেকৈয়ে নিত্য সিদ্ধ সনকাদি ঋষি সকলে আত্ম-তত্ত্ব আ পৰাবিদ্যাৰ উপদেশ শুনি সিদ্ধ সনন্দনক শ্ৰদ্ধা জনালে। সনকাদি উৰ্দ্ধৰেতা সেই আকাশগা মহাত্মা সকলে এনেকৈ সমস্তবেদ পুৰাণ আৰু উপনিষদৰ ৰস চেপি ল'লে। হে নাৰদ, তুমি তেওঁলোকৰ সমতুল্য। তুমিও শ্ৰদ্ধা সহকাৰে এই ব্ৰহ্ম-বিদ্যা ধাৰণ কৰি স্বচ্ছন্দে পৃথিৱীত বিচৰ কৰি থাকা। কাৰণ এই ব্ৰহ্ম বিদ্যাই সমস্ত বাসনা ভস্ম কৰি দিয়ে। তেতিয়া নাৰদে কলে হে প্ৰভু তুমি সচ্চিদানন্দ, পৰম পবিত্ৰ আৰু সমস্ত প্ৰাণীৰ পৰম কল্যাণকামী তোমাক নমস্কাৰ।

পৰম জিতেন্দ্ৰিয় শুক মুনিয়ে পৰীক্ষিতক কলে যে দেৱৰ্ষি নাৰদ অতি সংযমী, পৰ জ্ঞানী, পূৰ্ণকাম আৰু নৈষ্ঠিক ব্ৰহ্মচাৰী। তেওঁ যি কিছু শুনে সকলোখিনি ধাৰণ কৰিব পাৰে নাৰায়ণে কোৱা উপদেশবোৰ তেওঁ আন্তৰিকতাৰে গ্ৰহণ কৰি প্ৰভু নাৰায়ণক আৰু তেওঁৰ শিষ্যবোৰক নমস্কাৰ জনাই তেওঁৰ পিতৃ ব্যাসদেৱৰ আশ্ৰমত উপবিষ্টহৈ নাৰায়ণৰ মুখৰ পৰা শুনা সকলো কথ তেওঁৰ পিতৃক কলে, যিটো প্ৰশ্ন তুমি মোক সুধি আছা।

হে পৰীক্ষিত, ভগৱানে এই বিশ্বখন সংকল্প কৰে আৰু তাৰ আদি মধ্য আৰু অন্তত স্থি হৈ থাকে। তেওঁ প্ৰকৃতি আৰু জীৱবোৰৰো স্বামী, নিৰ্মাণ কাৰী আৰু নিয়ন্ত্ৰণ কৰ্তা। যেনেকৈ সুষুপ্তিত নিমগ্ন পুৰুষে নিজৰ শৰীৰৰ অনুসন্ধান এৰি দিয়ে তেনেদৰে ভগৱানক পালে জীৱে মায়াৰ পৰা মুক্তহৈ যায়। কাৰণ ভগৱান এনে বিশুদ্ধ আৰু চিন্ময় যে তেওঁত জগতৰ কাৰণ মায়া অথবা প্ৰকৃতিৰ গুণ লেখ মাত্ৰাও থাকিব নোৱাৰে। তেওঁহে জীৱৰ একমাত্ৰ অভয়স্থান। সেইবাবে তেওঁক নিৰন্তৰ চিন্তন, স্মৰণ কৰি থাকিব লাগে।

*********

# পৰমাৰ্থ নিৰ্ণয়

শ্ৰীকৃষ্ণই জীৱাত্ম স্বৰূপ উদ্ধৱক কৈছে - হে উদ্ধৱ, যদিও পুৰুষ আৰু প্ৰকৃতি দ্ৰষ্টা আৰু দৃশ্যৰ ভেদৰ কাৰণে দুই প্ৰকাৰ যেন লাগে, আচলতে পৰমাৰ্থ দৃষ্টিৰে চালে এই সকলোবোৰ এক অধিষ্ঠান স্বৰূপহে। এই কাৰণে কাৰোবাৰ স্বভাৱ শান্ত, কাৰোবাৰ ঘোৰ আৰু কাৰোবাৰ মূঢ়। যি জনে দ্বৈত ভাৱেৰে আনৰ স্বভাৱ আৰু কৰ্মবোৰক প্ৰশংসা বা নিন্দা কৰে সেই জনে সোনকালে নিজৰ পৰমাৰ্থ সাধণাৰ পৰা চ্যুতহৈ পৰে। কাৰণ সাধন হৈছে দ্বৈত আৰু দ্বৈধ ভাৱ এৰাই চলা। হে





উদ্ধৱ ইন্দ্ৰিয়বোৰ ৰাজসিক অহংকাৰৰ মূল। যেতিয়া সেই বোৰ নিদ্ৰিত হৈ পৰে তেতিয়া শৰীৰৰ অভিমানী জীৱ নিস্তেজ হৈ পৰে। সেই সময়ত যদি মনটো অৰ্দ্ধ চেতন অৱস্থাত থাকে তেতিয়া মনে সপোনৰ মিছা আৰু অসাৰ দৃশ্য বোৰত ঘূৰিব ধৰে। আৰু যদি মন লীন হৈ যায় তেতিয়া জীৱও সুষুপ্তি স্তৰত লীন হয়। কিন্তু যেতিয়া জীৱে অদ্বিতীয় আত্মাক পাহৰি গৈ নানা তৰহৰ বস্তুক দৰ্শন কৰিব ধৰে তেতিয়া সপোনৰ দৰে মিছা দৃশ্য বোৰত আবদ্ধ হৈ মৃত্যুৰ সমান অজ্ঞানতাত লীন হৈ পৰে।

হে উদ্ধৱ, যেতিয়া দ্বৈত নামৰ কোনো এটা বস্তুৱে নাই তেনে ক্ষেত্ৰত ভাল বেয়াৰ প্ৰশ্ন উঠিবই নোৱাৰে। বিশ্বৰ সকলো বস্তু মনেৰে ভাবিব পাৰি যদিও ইয়াৰ দৃশ্যবোৰ অনিত্য হোৱা বাবে এইটো যে মিছা স্পষ্টহৈ পৰে। ছাঁ, প্ৰতিধ্বনি আৰু জোনাই শামুক আদিত ৰূপৰ আভাষ আছে যদিও সেইটো মিছা কিন্তু তাৰ দ্বাৰা মানুহৰ হৃদয়ত ভয় কম্পনৰ সঞ্চাৰ হয়। তেনেকৈ দেহাদিৰ সকলো বস্তু আচলতে মিছা। কিন্তু যেতিয়ালৈকে জ্ঞানৰ দ্বাৰা এইবোৰৰ অসত্যতা বোধগম্য নহয় আৰু নিবৃত্ত হৈ নাযায় তেতিয়ালৈকে এইবোৰেও অজ্ঞানী বোৰক ভীত কৰি ৰাখে।

হে উদ্ধৱ, যি কিছু প্ৰত্যক্ষ বা পৰোক্ষ বস্তু আছে সেইটো আত্মাহে। আত্মা সৰ্ব্ব শক্তিমান। যিজনে বিশ্বখন সৃষ্টি কৰে তেওঁ নিজেও বিশ্বৰূপে সৃষ্ট হয়। সেইজন ৰক্ষকো আৰু ৰক্ষিতাও। সৰ্বাত্মা ভগৱানে ইয়াক সংহাৰ কৰে আৰু যি সংহাৰ হয় সেইটো তেঁৱেই। অৱশ্যে ব্যৱহাৰিক দৃষ্টিৰে চালে আত্মা বিশ্বতকৈ ভিন্ন। কিন্তু আত্মা দৃষ্টিৰে চালে অভিন্নতা ওলাই পৰে। এই আত্মাত সৃষ্টি, স্থিতি, সংহাৰ অথবা আধিদৈৱিক আধিভৌতিক আৰু অধ্যাত্মিক এই তিনি প্ৰকাৰ ক্ৰিয়া দেখা যায় যদিও এইটো আচলতে সত্ব ৰজো তমো গুণৰ বিগুণ ক্ৰিয়া আৰু মায়ৰ খেলাহে মাথোন। যি পুৰুষে এই কথাৰ ৰহস্য আৰু তত্ব জানি বুজি লয় তেওঁ কাকো প্ৰশংসা বা নিন্দা নকৰে। তেওঁ জগতত সূৰ্য্যৰ দৰে সমভাৱে বিচৰণ কৰি থাকে। সেইবাবে প্ৰত্যক্ষ, অনুমান, শাস্ত্ৰ আৰু আত্মা অনুভূতিৰ দ্বাৰা বিনাশী জগতখন অনিত্য আৰু অসাৰ বুজিলৈ জগতত অনাসক্ত ভাৱে বিচৰণ কৰিব লাগে।

উদ্ধৱে শুধিলে, প্ৰভু আত্মা হৈছে সাক্ষী আৰু দেহ হৈছে দৃশ্য। আত্মা স্বয়ং প্ৰকাশ কিন্তু দেহ জড়। আত্মা অবিনাশী প্ৰাকৃত আৰু অপ্ৰাকৃত গুণ ৰহিত, সকলো প্ৰকাৰ আৱৰণ মুক্ত অগ্নিৰ সমান প্ৰকাশ মান। কিন্তু শৰীৰ বিনাশী সগুণ অশুদ্ধ মায়া গুণৰে আবৃত্ত আৰু কাঠৰ নিচিনা অচেতন। তেনেস্থলত জন্ম মৃত্যুৰূপ সংসাৰ ফান্দত আত্মা নে শৰীৰ ব্যাপৃত হয়। উত্তৰত ভগৱান শ্ৰীকৃষ্ণই কলে হে উদ্ধৱ, পাৰমাৰ্থিক দৃষ্টিৰে চালে সংসাৰো নাই শৰীৰো নাই। দুয়োটাৰে অনুভৱ ব্যৰ্থ। কিন্তু যেতিয়া শৰীৰ ইন্দ্ৰিয় আৰু প্ৰাণৰ সত্বা মানিলৈ অবিবেক বসতঃ এইবোৰৰ লগত আত্মাৰ সম্বন্ধ মানি লোৱা হয় তেতিয়া এই সংসাৰ নোহোৱা সত্বেও সুখ দুখৰ কাৰণহৈ পৰে। যেনেকৈ সপোনত অনেক বিপদ বিঘিনি আহে কিন্তু বাস্তৱিকতে সেইবোৰ সাৰশূন্য। তৎসত্বেও সপোন নভগা পৰ্য্যন্ত তাৰ অস্তিত্ব নোহোৱাহৈ নাযায়। তেনেকৈ সংসাৰ নোহোৱা সত্বেও তাত অনুভৱ হোৱা বিষয়বোৰ নিবৃত্ত নহয়। সপোন দেখি থকা সময়ত ডাঙৰ ডাঙৰ বিপদ বোৰৰ লগত যুজিব লগা হয় কিন্তু সপোন ভাঙিলে বিকাৰবোৰ নাইকিয়া হৈ পৰে। এইটো বিষয় বাসনা চিন্তনৰ ক্ৰিয়াহে।

হে উদ্ধৱ, অজ্ঞানৰ কাৰণে হোৱা কষ্টবোৰ জ্ঞানৰ দ্বাৰা নিবৃত্ত হয়। অহংকাৰ অজ্ঞান যোগি ক্ৰিয়া এটা কল্পনাহে মাথোন। সেইটোৱে শোক, আনন্দ, ভয়, ক্ৰোধ, লোভ, মোহ, স্পৃহা আ জন্ম মৃত্যুৰ চিকাৰ হয়। আত্মাৰ লগত ইয়াৰ সম্বন্ধ নাই। দেহ, ইন্দ্ৰিয়, প্ৰাণ আৰু মনত স্থিত আত্ম যেতিয়া অহংকাৰ বসতঃ সেইবোৰকে নিজৰ স্বৰূপ বুলি ধৰি লয় তেতিয়া ইয়াৰ নাম জীৱ পৰে। আচলতে মন, বাণী, প্ৰাণ আৰু শৰীৰ অহংকাৰৰে কাৰ্য্য। মননশীল পুৰুষে উপাসনাৰ শাণ জ্ঞান ৰূপী তৰোৱালখন অত্যন্ত ধাৰ কৰিলে দেহাভিমানৰ মূলোচ্ছেদ কৰি পৃথিৱীত নিৰ্দ্বন্দ্ব বিচৰণ কৰি থাকে। তেনে ব্যক্তিক আশা আৰু তৃষ্ণাই কোনো প্ৰকাৰে বিচলিত কৰিব নোৱাৰে আত্মা আৰু অনাত্মাৰ স্বৰূপক পৃথকে পৃথকে ভালকৈ বুজি লোৱাতোৱে জ্ঞান। কাৰণ বিবেক প্ৰসৰতা বঢ়াৰ লগে লগে দ্বৈত ভাৱৰ অস্তিত্ব শেষহৈ যায়। ইয়াৰ সাধন হৈছে তপস্যাৰ দ্বাৰা হৃদ শুদ্ধ কৰি বেদাদি শাস্ত্ৰ শ্ৰৱণ কৰা। হে উদ্ধৱ, এই সংসাৰত আদিতে যি আছিল, অন্তত যি থাকি যি ইয়াৰ মূল কাৰণ আৰু প্ৰকাশক সেই অদ্বিতীয় উপাধি ৰহিত পৰমাত্মা মাজতো আছে। সোণ পৰা খাৰু, কুণ্ডল আদি অনেক ভূষণ তৈয়াৰ হয়। কিন্তু যেতিয়া গহনা হোৱা নাছিল তেতিয়া নাম সোণেই আছিল। ঠিক তেনেকৈ জগতৰ আদি, অন্ত আৰু মধ্যত মই মাত্ৰ থাকো। মই যে প সত্য তত্ত্ব। মনৰ তিনিটা অৱস্থা জাগ্ৰত, স্বপ্ন, সুষুপ্তি আৰু গুণো তিনিটা – সত্ত্ব, ৰজো, তমো আ জগতৰ ভেদ তিনিটা হল আধিদৈৱিক, আধিভৌতিক আৰু আধ্যাত্মিক। এইটো নিশ্চিত সত্য যি পদাৰ্থ যিহৰ দ্বাৰা তৈয়াৰ হয় আৰু যাৰ দ্বাৰা প্ৰকাশিত হয় সেইটোৱে তাৰ বাস্তৱিক স্বৰূপ সেইটোৱে তাৰ পৰমাৰ্থ তত্ত্ব। ইন্দ্ৰিয়, বিষয়, মন আৰু পঞ্চ ভূতাদি যিমান চিত্ৰ-বিচিত্ৰ নানা ক দেখা যায় সেই সকলোবোৰ এক মাত্ৰ ব্ৰহ্মহে। ব্ৰহ্মকেই সেইবোৰৰ ৰূপত দেখা যায়। আকৌ ব্ৰ বিচাৰৰ সাধন হৈছে শ্ৰৱণ মনন নিদিধ্যাসন আৰু স্ব অনুভূতি। অৱশ্যে ইয়াত সহায়ক হয় অভ্যাস গুৰু জন। গুৰুৰ সহায়ত আত্মবিষয়ক সন্দেহবোৰ চিন্ন-ভিন্ন কৰি নিজৰ চিদানন্দ স্বৰূপ আত্মাত মগ্নহৈ থাকি সকলো প্ৰকাৰ বিষয় বাসনা নিৰ্মূল কৰিব লাগে। তেতিয়া শৰীৰ আৰু আত্মাৰ ভে উপলব্ধি হয়। ইন্দ্ৰিয়ৰ অধিষ্ঠাত্ৰী দেৱতা প্ৰাণ, বায়ু, জল, অগ্নি আৰু মনো আত্মা নহয়। কাৰ এইবোৰৰ ধাৰণ পোষণ অন্নৰ দ্বাৰা হয়। বুদ্ধি, চিত্ত, অহংকাৰ, আকাশ পৃথিৱী, শব্দাদিও আ নহয়। কাৰণ এইবোৰ দৃশ্য আৰু জড়। হে উদ্ধৱ, যিজনৰ মোৰ স্বৰূপ জ্ঞান হৈছে তেওঁৰ বৃত্তি আৰ ইন্দ্ৰিয়বোৰ সমাহিত হৈ থকা বাবে সেইবোৰ বিকাৰ হীনহৈ পৰে। কাৰণ অন্তঃকৰণ আৰু বাহ্য ক সকলো গুণময়। আত্মাৰ লগত ইয়াৰ সম্বন্ধ নাই। যেনেকৈ আকাশখন মেঘে আবৰি ধৰিলে নাই মেঘবোৰ বতাহত চিন্ন-ভিন্নহৈ গলেও সূৰ্য্যৰ একো লাভ লোকচান নাই। সত্ত্ব, ৰজো, তমো গু বৃত্তি আৰু কৰ্মবোৰে অবিনাশী আত্মাক স্পৰ্শ কৰিব নোৱাৰে। কাৰণ আত্মা এইবোৰৰ পৰা সৰ্বদা আতৰত থাকে। ইয়াৰ দ্বাৰাই কেৱল সেই জনেহে সংসাৰ চক্ৰত ভ্ৰমে যিজনে ইয়াত অহংকাৰ ক থাকে। গতিকে যেতিয়ালৈকে মোৰ সুদৃঢ় ভক্তি যোগৰ দ্বাৰা মনৰ তমো আৰু ৰজো গুণ ৰূপ ম সম্পূৰ্ণ ৰূপে নাশ নহয় তেতিয়ালৈকে মায়া নিৰ্মিত গুণ আৰু কাৰ্য্যবোৰৰ সংগদোষ ভোগ ক থাকিব লাগিব। হে উদ্ধৱ, যেনেকৈ ভালদৰে চিকিৎসা নকৰিলে ৰোগ সমূলঞ্চে নাশ নহয় আ বাৰে বাৰে মূৰ দাঙি উঠি কষ্ট দিয়ে তেনেকৈ যাৰ মনৰ কামনা বাসনাবোৰ শেষহৈ যোৱা নাই পুত্ৰ আদিত আসক্তহৈ আছে তেওঁক সেই বাসনাবোৰে বাৰে বাৰে যোগ সাধনাত বাধা দি যো





ভ্ৰষ্ট কৰে। অৱশ্যে সম্পূৰ্ণ নাশ কৰিব নোৱাৰে। তেওঁ নিজৰ পূৰ্ব্বাভ্যাসৰ কাৰণে পুনঃ পুনঃ যোগাভ্যাসত নিবিষ্ট হয়। জীৱে সংস্কাৰ আদিৰে প্ৰেৰিতহৈ জন্মৰ পৰা মৃত্যু পৰ্য্যন্ত বিষয় কৰ্মত অনুৰাগ বঢ়াই সেইবোৰত ইষ্ট-অনিষ্ট বুদ্ধি কৰি হৰ্ষ-বিষাদ আদি বিকাৰ প্ৰাপ্তহৈ থাকে। কিন্তু যি জনে আত্ম-তত্ত্বৰ লগত সাক্ষাৎকাৰ হৈ যায় তেওঁ প্ৰকৃতিত স্থিত হৈ থাকিও সংস্কাৰ অনুসাৰে বিকাৰ বোৰত যুক্ত নহয়। কাৰণ আনন্দ স্বৰূপ আত্মাৰ সাক্ষাৎকাৰ হৈ যোৱা কাৰণে সংসাৰ সম্বন্ধীয় সকলো আশা আকাংক্ষা আগতেই নষ্ট হৈ যায়। যিজনে নিজৰ স্বৰূপত স্থিত হৈছে সেইজনে গম নেপাই যে তেওঁ থিয়হৈ আছে নে শুই আছে, বাট বুলি আছে নে বৈ আছে, মলমূত্ৰ ত্যাগ কৰি আছে নে ভোজন কৰি আছে কাৰণ সেই জনৰ বৃত্তি ব্ৰহ্মাকাৰ হৈ যায়। জ্ঞানী পুৰুষৰ দৃষ্টিত ইন্দ্ৰিয়বোৰৰ বিবিধ বাহ্য বিষয় আহিলেও সেইজনে সেইবোৰক নিজৰ আত্মাতকৈ ভিন্ন বুলি ধৰি নলয়। কাৰণ সেইবোৰ যুক্তি, প্ৰমাণ আৰু স্ব অনুভূতিৰ দ্বাৰাই সিদ্ধ নহয়। যেনেকৈ নিদ্ৰা ভংগ হলে সপোনত দেখা পোৱা আৰু সাৰ পোৱাৰ লগে লগে নোহোৱা হৈ যোৱা পদাৰ্থ বোৰক কোনেও সত্য বুলি নামানে। তেনেকৈ জ্ঞানী পুৰুষেও নিজতকৈ ভিন্ন প্ৰত্যক্ষ পদাৰ্থকো সত্য বুলি ধৰি নলয়। ইয়াৰ অৰ্থ এইটো নহয় যে অজ্ঞানীয়ে আত্মাক ত্যাগ কৰি দিছে আৰু জ্ঞানীয়ে তাক গ্ৰহণ কৰিছে। ইয়াৰ তাৎপৰ্য্য হ'ল যে নানা প্ৰকাৰ গুণ আৰু কৰ্মেৰে যুক্ত দেহক অজ্ঞান বসতঃ আত্মাৰ লগত অভিন্ন বুলি ধৰি লৈছে। কিন্তু আত্মদৃষ্টি হলে অজ্ঞান আৰু তাৰ কাৰ্য্যবোৰৰ নিবৃত্তি ঘটে। এই কাৰণে অজ্ঞানৰ নিবৃত্তিয়ে আচল। বৃত্তিবোৰৰ দ্বাৰাই আত্মা গ্ৰহণ নাইবা ত্যাগ হব নোৱাৰে। যেনেকৈ সূৰ্য্য উদয় হৈ মানুহৰ চকুৰ আগৰ পৰা অন্ধকাৰৰ পৰ্দাখন গুচাই দিয়ে। কিন্তু কোনো নতুন বস্তু নিৰ্মাণ নকৰে। তেনেকৈ মোৰ স্বৰূপৰ দৃঢ় অপৰোক্ষ জ্ঞানে বুদ্ধি গত অজ্ঞানৰ আৱৰণ নাশ কৰি দিয়ে। হে উদ্ধৱ, আত্মা নিত্য, অপৰোক্ষ, স্বয়ং প্ৰকাশ। তাত অজ্ঞান আদি কোনো প্ৰকাৰ বিকাৰ নাই। অৱশ্যে জ্ঞান আদিৰ দ্বাৰা তাৰ সংস্কাৰো কৰিব নোৱাৰি। আত্মাত দেশ কাল আৰু বস্তুকৃত পৰিচ্ছেদ নোহোৱা কাৰণে অস্তিত্ব, বৃদ্ধি, পৰিবৰ্ত্তন, হ্ৰাস আৰু বিনাশ আদিয়ে স্পৰ্শ কৰিব নোৱাৰে। যেতিয়া মন আৰু বাণী আত্মাক নিজৰ অবিষয় বুলি বুজি লৈ নিবৃত্ত হৈ যায় তেতিয়া সেই স্বজাতীয়, বিজাতীয় আৰু স্বগত (নিজৰ) ভেদ শূন্য হৈএক অদ্বিতীয়হে থাকি যায়। ব্যৱহাৰিক দৃষ্টিৰে তাৰ স্বৰূপক বাণী আৰু প্ৰাণ আদিৰ প্ৰবৰ্তকৰ ৰূপত নিৰূপণ কৰা হয়। অদ্বিতীয় আত্ম তত্ত্বত বিবিধতাক মানি লোৱাটো মনৰ ভ্ৰম মাত্ৰ। আচলতে এইটো বৰ ডাঙৰ মোহ। কাৰণ আত্মাৰ বাহিৰে সেই ভ্ৰমৰো কোনো অধিষ্ঠান নাই। হে উদ্ধৱ, যদি যোগ সাধনা পূৰ্ণ হোৱাৰ আগতে কোনো সাধকৰ শৰীৰ ৰোগাদি উপদ্ৰৱৰ দ্বাৰা পীড়িত হয় তেতিয়া সেইজনে এই উপায়বোৰৰ আশ্ৰয় লব লাগে। গৰম ঠাণ্ডা আদি চন্দ্ৰ সূৰ্য্য আদিৰ ধাৰণৰ দ্বাৰা বাত আদি ৰোগ বোৰক বায়ু ধাৰণযুক্ত আসনৰ দ্বাৰা আৰু গ্ৰহ সৰ্পাদিকৃত বিঘিনিবোৰক তপস্যা, মন্ত্ৰ, আৰু ঔষধৰ দ্বাৰা নাশ কৰি দিব লাগে। কিন্তু কাম ক্ৰোধ আদি বিঘ্ন বোৰক মোৰ চিন্তন আৰু নাম সংকীৰ্ত্তন আদিৰ দ্বাৰা বিনষ্ট কৰিব লাগে। আৰু পতনৰ ফালে লৈ যাব ধৰা দম্ভ, মদ আদি বিঘিনি বোৰক লাহে লাহে মহাপুৰুষৰ সেৱাৰ দ্বাৰা দূৰ কৰিব লাগে। কিন্তু মননশীল যোগীয়ে বিধি উপায়েৰে এই শৰীৰক সুদৃঢ় আৰু স্থিৰ কৰি যুৱ অৱস্থাতে অণিমা আদি সিদ্ধিবোৰৰ কাৰণে যোগ সাধনা কৰে। কিন্তু বুদ্ধিমান পুৰুষে এনেবোৰ বিচাৰ সমৰ্থন নকৰে। কাৰণ এইটো এটা ব্যৰ্থক প্ৰয়াস হে মাথোন।

গছত লগা ফলৰ নিচিনাকৈ এই শৰীৰৰ নাশ অৱশ্যম্ভাৱী। যদি দীৰ্ঘদিন যোগ সাধনাৰ ফলত শৰী সুদৃঢ়ও হয় তথাপিতো ধীমান পুৰুষে যে সাধনাত আওহেলা কৰি সন্তোষ লভিব নালাগে। ক সেইজনে নিৰন্তৰ মোক প্ৰাপ্তিৰ কাৰণে সংলগ্নহৈ থাকিব লাগে। যি সাধকে মোত আশ্ৰয়লৈ মে দ্বাৰা কথিত সাধনাত অন্তঃকৰণে সংলগ্নহৈ থাকে তেওঁক কোনো বাধা বিঘিনিয়ে তলাব নোৱাৰে তেওঁৰ সকলো আকিঞ্চন নাশহৈ যায় আৰু তেনে জীৱে আত্মানন্দৰ বিমল অনুভূতিত নিমগ্ন থাকে।

*********

# পুৰঞ্জন তত্ত্ব

ৰজা প্ৰাচীন বৰ্হিষে কলে হে তপোধন নাৰদ, আপোনাৰ তত্ত্বগধুৰ বাক্যবোৰৰ অভিপ্ৰ সম্পূৰ্ণৰূপে মোৰ বোধগম্য হোৱা নাই। ইয়াৰ তাৎপৰ্য্য বিবেকী পুৰুষেহে বুজিব পাৰে আমাৰ দৰে কৰ্মজড়ভোগী জীৱে কি বুজিব। তত্ৰাচ কৃপা কৰি পুৰঞ্জন নামৰ ৰূপক কাহিনীটো আধ্যাত্মিক তত্ত্বখিনি সঞ্চালনিকৈ বুজাই কওঁক।

প্ৰত্যুত্তৰত নাৰদে কলে - পুৰঞ্জন (পুৰ-নগৰ, অঞ্জন-সুন্দৰ কৰ) যিয়ে দেহৰূপ নগৰখ সুন্দৰ কৰি ৰাখে, এতেকে জীৱাত্মা। অৰ্থাৎ নিজৰ বাবে এক, দুই, তিনি, চাৰি অথবা বহুতে ভৰি থকা নাইবা এখনো ভৰি নথকা শৰীৰৰূপী পুৰ (নগৰ) তৈয়াৰ কৰি লয় কাৰণে ইয়া নাম পুৰঞ্জন। সেই জীৱৰ বন্ধু যাক অবিজ্ঞাত বোলা হৈছে সেই জনেই জগতৰ অন্তৰ্যা স্বামী পৰমেশ্বৰ। কাৰণ যি কোনো প্ৰকাৰৰ নাম গুণ নাইবা কৰ্মৰ দ্বাৰা জীৱবোৰে তেওঁ উমান নেপায়। জীৱে যেতিয়া সুখ-দুখৰূপ সকলো প্ৰাকৃত বিষয়ভোগ কৰিব বিচাৰে তেতিয় সকলোবোৰ শৰীৰতকৈ ন-খন দুৱাৰ সহ দুখন হাত আৰু দুখন ভৰি যুক্ত মানৱ শৰীৰকে উত্তম জ্ঞান কৰে।

হে ৰজা, বুদ্ধি নাইবা অবিদ্যাকে পুৰঞ্জনী নামৰ তিৰোতা জনী বুলি জানি থোৱা এওঁৰ কাৰণেই ইন্দ্ৰিয় গ্ৰস্ত দেহত মই মোৰ ভাব উৎপন্ন হয়। আৰু শৰীৰত ইয়াৰ আশ্ৰয়ে জীৱে ইন্দ্ৰিয়বোৰৰ দ্বাৰা সকলো প্ৰকাৰৰ জ্ঞান আৰু কৰ্ম হয়। ইন্দ্ৰিয়ৰ বৃত্তিবোৰে জীৱ বান্ধৱী আৰু প্ৰাণ, অপান, সমান, উদান, ব্যানৰূপী পাচ প্ৰকাৰৰ বৃত্তি থকা বায়ুকেই নগ ৰক্ষক পঞ্চফণাযুক্ত সৰ্প বুলি কোৱা হৈছে। কৰ্মেন্দ্ৰিয় আৰু জ্ঞানেন্দ্ৰিয়ৰ নায়ক (বৃষধ্বজ মনকেই মহাবলী যোদ্ধা বুলি জানিবা। প্ৰহৰণ অৰ্থাৎ পঞ্চ তন্মাত্ৰই পাঞ্চাল দেশ যাৰ ভিতৰত সেই নখন দুৱাৰ যুক্ত নগৰখন আছে। সেই নগৰখনৰ একোখন ঠাইত দুখনকৈ দুৱাৰ থক বুলি কোৱাৰ অৰ্থ হ'ল দুটা চকু দুটা নাকৰ বিন্ধা, দুটা কাণৰ বিন্ধা আৰু ইয়াৰ লগতে মুখ, লি (শিশ্ন), গুহ্য এই তিনিখনক ধৰি মুঠ নখন কৰ্মশীল দুৱাৰ আছে। ইয়াৰ মাজেৰে জীৱে ইন্দ্ৰিয়বোৰৰ লগত বাহ্য বিষয়লৈ গতি কৰে। ইয়াৰ ভিতৰত দুটা চকু, দুটা নাসাছিদ্ৰ আৰ এখন মুখ, এই পাচখন পূৱ ফালৰ দুৱাৰ। সো কাণখনক দক্ষিণৰ আৰু বাঁও কাণখনক উত্তৰ





দুৱাৰ বুলি বুজিব লাগে। গুহ্য লিঙ্গ তল ভাগত থকা বাবে ইয়াক পশ্চিম দুৱাৰ বোলা হয়। খদ্যোতা আৰু আবিৰ্মুখী নামৰ যি দুখন দুৱাৰ একে ঠাইতে থকা বুলি কোৱা হৈছে সেই দুখন নেত্ৰ গোলক। আৰু ৰূপ বিভ্ৰাজিত নামৰ দেশ আছে যাৰ এই দুৱাৰেৰে জীৱে চকু ইন্দ্ৰিয়ৰ সহায়ত অনুভৱ কৰে। চকু ইন্দ্ৰিয়কে দ্যুমন্ত বুলি কোৱা হৈছে। দুয়ো নাকৰ বিন্ধাকে নলিনী আৰু নালিনী বুলি কোৱা হৈছে। আৰু নাকৰ বিষয় গন্ধই সৌৰভ নামৰ দেশ। ঘ্ৰাণেন্দ্ৰিয়ক অৱধূত নামৰ মিত্ৰ বুলি কোৱা হৈছে। বাগিন্দ্ৰিয়ক বিপণ আৰু ৰসনেন্দ্ৰিক (ৰসজ্ঞ) ৰসবিদ্ নামৰ মিত্ৰ বোলা হৈছে। বাক্যৰ বেপাৰ অপান নামৰ দেশ হয় আৰু বহু ধৰণৰ অন্নই বহূদন কোৱা হৈছে। সোঁ কাণক পিতৃহূ আৰু বাঁও কাণক দেৱহূ বোলে। কৰ্মকাণ্ডৰূপী প্ৰবৃত্তি মাৰ্গৰ শাস্ত্ৰ আৰু উপসনা কাণ্ডৰূপী নিবৃত্তি মাৰ্গৰ শাস্ত্ৰই ক্ৰমশঃ দক্ষিণ আৰু উত্তৰ পাঞ্চাল দেশ। এইবোৰক শ্ৰৱণেন্দ্ৰিয়ৰূপী শ্ৰুতধৰৰ সহায়ত শুনি জীৱে ক্ৰমান্নয়ে পিতৃযান আৰু দেৱযান পথলৈ যায়। লিঙ্গ হৈছে আসুৰী নামৰ পশ্চিম দুৱাৰ। স্ত্ৰী প্ৰসঙ্গ গ্ৰামক নামৰ দেশ আছে আৰু লিঙ্গত বাস কৰা উপস্থ (জননেন্দ্ৰিয়) দুৰ্মদ নামৰ মিত্ৰ আছে। নিঋৃতি অৰ্থাৎ গুহ্য নামক পশ্চিম দুৱাৰত বৈশস নামৰ দেশত গুহ্যস্থিত পায়ু ইন্দ্ৰিয় লুব্ধক নামক মিত্ৰ আছে। ইয়াৰ বাহিৰেও দুখন অন্ধদ্বাৰৰ কথা কোৱা হৈছে। সেয়া হ'ল হাত আৰু ভৰি। ইয়াৰ সহায়েৰে জীৱে ক্ৰমান্নয়ে সকলো কাম সমধা কৰে আৰু যলৈ তলৈকে যায়। হৃদয় অন্তঃপুৰ। তাত থকা মনেই বিস্যূচ নামৰ প্ৰধান সেৱক। জীৱে সেই মনৰ সত্ত্ব আদি তিনি গুণৰ বাবেই হৰ্ষ বিষাদ আৰু মোহ প্ৰাপ্ত হয়। বুদ্ধি হ'ল পুৰঞ্জনী নামৰ ৰাজ মহিষী। এইটো আগতে কোৱা হৈছে যে তেওঁ যি যি প্ৰকাৰে সপোন অৱস্থাত বিকাৰ প্ৰাপ্ত হয় আৰু জাগ্ৰত অৱস্থাত ইন্দ্ৰিয় বিলাকক বিকৃত কৰি থাকে। তেওঁৰ গুণলীলাত লিপ্তহৈ জীৱইও সেই ৰূপত তেওঁৰ অৰ্থাৎ বুদ্ধিৰ বৃত্তি বিলাকক অনুকৰণ কৰিবলৈ বাধ্য হয়। অৱশ্যে বাস্তৱত জীৱ বুদ্ধিৰ নিৰ্বিকাৰ সাক্ষী মাত্ৰ।

হেৰ ৰাজন্, যিখন দ্ৰুতগামী ৰথত উঠি ৰজা পুৰঞ্জনে চিকাৰৰ কাৰণে গৈছিল তাৰ তাৎপৰ্য্য কও শুনা। শৰীৰটোৱে সেই ৰথখন। তাত জ্ঞানেন্দ্ৰিৰূপী পাচটা ঘোঁৰা জোটি থোৱা আছে। দেখাত সম্বৎসৰৰূপী কালৰ সমান।

ইয়াৰ চণ্ডবেগ (গতি) অপ্ৰতিহত। কিন্তু বাস্তৱত ই গতিহীন। পাপ আৰু পুণ্য এই দুই প্ৰকাৰ কৰ্মই ইয়াৰ চকা। তিনি গুণেই ইয়াৰ পতকা। পঞ্চ প্ৰাণেই ইয়াৰ জৰি। মন হ'ল বাঘজৰি। বুদ্ধি সাৰথি। হৃদয় ইয়াৰ থকা ঠাই। শোক মোহ জুৱলীৰ দণ্ড শোল। ইন্দ্ৰিয় বিলাকৰ পঞ্চবিষয় তাত ৰাখি থোৱা আয়ুধ (অস্ত্ৰ-শস্ত্ৰ)। ছালকে আদি কৰি সপ্তধাতু ইয়াৰ পৰ্দ্দা (ঢাকনী) স্বৰূপ আৰু পঞ্চ কৰ্মেন্দ্ৰিয় ইয়াৰ পাচ প্ৰকাৰ গতি। এই ৰথত আৰোহণ কৰি ৰথৰূপী জীৱাত্মাই মৃগতৃষ্ণাৰ নিচিনা মিছা বিষয় ভোগৰ ফালে বেগাই গতি কৰে। একাদশ ইন্দ্ৰিয় ইয়াৰ সেনা। পঞ্চ জ্ঞানেন্দ্ৰিয়ৰ দ্বাৰা সেই ইন্দ্ৰিয়ৰ বিষয়বোৰ অন্যায় ভাবে গ্ৰহণ কৰাটোৱেই চিকাৰৰ খেলা। যাৰ দ্বাৰাই কাল অৰ্থাৎ সময়ৰ জ্ঞান হয় সেই সম্বৎসৰ ৰূপী সময়েই চণ্ডবেগ নামৰ গন্ধৰ্ব ৰজা হয়। তেওঁৰ অধীন যি ৩৬০ জন গন্ধৰ্ব বুলি কোৱা হৈছে সেইবোৰ দিন

আৰু ৩৬০ জনী গন্ধৰ্বীয়ে হ'ল ৰাতি। ইহঁতে পাল পাতি ঘূৰি থাকি মানুহৰ আয়ুস হৰণ কৰে। বুঢ়া কালেই হৈছে সাক্ষাৎ কাল কন্যা জৰা। এওঁক কোনো পুৰুষে পছন্দ নকৰে। তেনে অৱস্থাত মৃত্যুৰূপী যৱন (চৌষষ্ঠি ৰোগ) বজাই লোকক সংহাৰ কৰাৰ কাৰণে তেওঁক ভনী ভাবে স্বীকাৰ কৰে। যৱন ৰজাৰ আধি (মানসিক ক্লেশ) ব্যাধি (শাৰীৰিক ক্লেশ) হৈছে পদাতিক সেনা। আৰু প্ৰাণীবোৰক দুখ কষ্টদি সোনকালে মৃত্যুৰ মুখলৈকে যোৱা শীত আৰু উষ্ম দুই প্ৰকাৰৰ জ্বৰেই হৈছে প্ৰজ্বাৰ নামৰ কালযবনৰ সৰু ভায়েক।

হে ৰাজন, এনেকৈয়ে এই দেহ অভিমানী জীৱই অজ্ঞানৰ দ্বাৰাই আচ্ছাদিতহৈ নানা ধৰণৰ আধিদৈবিক, আধিভৌতিক আৰু আধ্যাত্মিক কষ্ট ভোগী থাকি এশ বছৰ পৰ্য্যন্ত মনুষ্য শৰীৰ ধৰি পৰ্য্যটন কৰি থাকে। বাস্তৱতে ই নিৰ্গুণ। কিন্তু প্ৰাণে ইন্দ্ৰিয় আৰু মনৰ ধৰ্মবোৰক নিজৰ ওপৰত আৰোপিত কৰি মই মোৰ আদি ভাৰত বান্ধ খাই ক্ষুদ্ৰ বিষয়ৰ লালসাত নানা প্ৰকাৰৰ কৰ্ম কৰে। ই যদিও স্বয়ং প্ৰকাশ হয় তথাপি যেতিয়ালৈকে সকলোৰে পৰম গুৰু আত্মাস্বৰূপ ভগৱানৰ স্বৰূপক নাজানে, তেতিয়ালৈকে প্ৰকৃতিৰ গুণতেই আৱদ্ধহৈ থাকে। আকৌ সেই গুণ বোৰৰ অভিমানী হোৱা বাবে বাধ্য হৈ সাত্ত্বিক, ৰাজসিক আৰু তামসিক কৰ্ম কৰি থাকে আৰু সেই কৰ্ম অনুসৰি ভিন্য ভিন্য যোনিত জন্ম হয়। ই কেতিয়াবা সাত্ত্বিক কৰ্মৰ দ্বাৰা প্ৰকাশ বহুল স্বৰ্গ আদি লোক প্ৰাপ্ত কৰে। কেতিয়াবা ৰাজসিক কৰ্মৰ দ্বাৰা দুখময় ৰজোগুণী লোক বোৰলৈ ধাৱমান হয়, য'ত ই নানা ধৰণৰ কৰ্মৰ ক্লেশ ভোগীৰ লগাত পৰে। আৰু কেতিয়াবা তমোগুণী কৰ্মৰদ্বাৰা শোক বহুল তমোময়ী যোনি বোৰত জন্ম লয়। এনেকৈয়ে নিজৰ কৰ্ম আৰু গুণ অনুসৰি দেৱযোনি, মনুষ্যযোনি নাইবা তিৰ্য্যক যোনি বোৰত জন্মলৈ এই অজ্ঞান জীৱে কেতিয়াবা পুৰুষ আৰু কেতিয়াবা স্ত্ৰী আৰু কেতিয়াবা নপুংসক হৈ জন্ম লয়। যেনেকৈ অতি ভোকাতুৰ কুকুৰে দুৱাৰে দুৱাৰে ঘূৰি থাকি নিজৰ প্ৰাৰব্ধ কৰ্মৰ ফল অনুসৰি কৰবাত কোবখাই আৰু কৰবাত আহাৰ খাবলৈ পায়। তেনেদৰে ই চিত্তত অনেক ধৰণৰ বাসনা বোৰলৈ উচ্চ নীচ পথৰে ওপৰলৈ, তললৈ নাইবা মধ্যলোকতে ঘূৰি থাকি নিজৰ কৰ্ম অনুসৰি সুখ দুখ ভোগ কৰি থাকে।

হে ৰজা, তুমি হয়তো ভাবিব পাৰা যে সেই দুখবোৰ আতৰাবলৈকে কিবা উপায় আছেনে? আচলতে কিন্তু এনে নহয়। কাৰণ জীৱে ত্ৰিতাপৰ এটাকো সম্পূৰ্ণৰূপে এৰাব নোৱাৰে। ইয়াৰ যি তৎকালিন বা সাময়িক নিবৃত্তি হব পাৰে সেইটো এনেকুৱা যেন কোনোবাই মূৰৰ গধুৰ বোজাটো কান্ধত ললে মূৰটো পাতল যেন পালে যদিও আচলতে কান্ধৰ বোজাটো ভাৰ হৈয়ে থাকিল। এনেকৈ যদি কিবা উপায়েৰে এফালে দুখৰ পৰা অব্যহতি পায় আৰু আন ফালে দুখে আহি পুনৰ মূৰত উঠে। যেনেকৈ সপোনত হোৱা স্বপ্নান্তৰ সেই সপোনত সম্পূৰ্ণ এৰা দিয়াৰ উপায় নাই। তেনেদৰে কৰ্মফল ভোগেৰে সম্পূৰ্ণৰূপে এৰাবৰ উপায় কেৱল জ্ঞান ৰহিত কৰ্ম হ'ব নোৱাৰে। কাৰণ কৰ্ম আৰু কৰ্মফল ভোগ দুয়োটা অবিদ্যাযুক্ত। যেনেকৈ সপোন অৱস্থাত নিজৰ মনোময় লিঙ্গ শৰীৰৰে বিচৰণ কৰা প্ৰাণীয়ে সপোনত বস্তু নহলেও থকা যেন দেখে। তেনেদৰে এই দৃশ্য পদাৰ্থ বাস্তৱত নাথাকিলেও যেতিয়ালৈকে অজ্ঞান নিদ্ৰা





নাভাঙে তেতিয়ালৈকে সেইবোৰ বস্তু হৈয়ে থাকে। আৰু জীৱে জন্ম মৰণৰূপ সংসাৰৰ পৰা মুক্তি নেপায়। গতিকে ইয়াৰ আত্যান্তিক নিবৃত্তিৰ উপায় একমাত্ৰ আত্ম-জ্ঞান।

হে ৰাজন, যি অবিদ্যাৰ কাৰণে পৰমাৰ্থ স্বৰূপ আত্মাই এই জন্ম মৰণৰূপী পৰম্পৰা পাইছে ইয়াৰ নিবৃত্তি গুৰু স্বৰূপ শ্ৰীহৰিত সুদৃঢ় ভক্তি হলেহে হবপাৰে। ভগৱান বাসুদেৱত একাগ্ৰ ভাবে সম্যক প্ৰকাৰে কৰা ভক্তি ভাবে জ্ঞান আৰু বৈৰাগ্যক আবিৰ্ভাব কৰে।

হে ৰাজ ঋষি এই ভক্তি ভাব ভগৱানৰ গুণানু কীৰ্ত্তনত আশ্ৰিত হৈ থাকে। এই বাবে যিজনে শ্ৰদ্ধা সহকাৰে ইয়াক প্ৰতিদিনে শুনে, পঢ়ে আৰু কীৰ্ত্তন কৰে সেইজনে ইয়াক অতি সোনকালে লাভ কৰে। হে ৰজা যি ঠাইত ভগৱানৰ গুণানুবাদ বোৰ শুনে বা শুনোৱাত তৎপৰ হৈ থকা বিশুদ্ধ চিত্তৰ ভক্ত থাকে সেই সাধু সমাজত চাৰিওফালে সমাপুৰুষ বোৰৰ মুখৰ পৰা ওলোৱা শ্ৰীমধুসূদনৰ চৰিত্ৰৰূপ অমৃতৰ অনেক নদী বৈ থাকে। যিলোকে অতৃপ্ত চিত্তে শুনাত তৎপৰ সেই লোকে নিজৰ কৰ্ণপথৰ দ্বাৰা সেই অমৃত পৰ্য্যাপ্ত পৰিমানে পান কৰে আৰু তাৰ ফলত তেওঁলোকক ভোকপিয়াহ, ভয়-শোক, মোহ আদিয়ে কোনো ধৰণৰ বাধা বিঘিনি ঘটাব নোৱাৰে। হাই হাই জন্ম জন্মান্তৰৰ সংস্কাৰবোৰে স্বাভাবিক ভাবে পোৱা এই ক্ষুধা, পিপাসা আদি বিঘিনিৰে আগুৰি থকা কাৰণে জীৱৰ শ্ৰীহৰিৰ কথামৃত সিন্ধুত প্ৰেম নোপজে। বিশেষতঃ সাক্ষাৎ প্ৰজাপতিবোৰৰ স্বামী ব্ৰহ্মা, ভগৱান শিৱ, স্বায়াম্ভুব মনু, দক্ষ, আদি প্ৰজাপতি গণ, সনক আদি উৰ্দ্ধৰেতা ব্ৰহ্মচাৰী চতুঃ, মৰীচি, অত্ৰি, অঙ্গিৰা, পুলস্থ, পুলহ, ক্ৰতু, ভৃগু, বশিষ্ঠ আৰু মোকে (নাৰদ) আদি কৰি যিমান বোৰ বেদবিদ্ মুনি আছে, নানা ধৰণৰ ব্যাখ্যা কৰাত পাকৈত হোৱা সত্ত্বেও উপাসনা আৰু সমাধিৰ দ্বাৰা বিচাৰি বিচাৰি ভাগৰি পৰিছে। তত্ৰাচ আজি পৰ্য্যন্ত সেই সৰ্ব্ব সাক্ষী পৰমেশ্বৰৰ প্ৰকৃত স্বৰূপ দেখা নাপালে। বেদবোৰ অতিশয় বিস্তৃত। ইয়াৰ পাৰাপাৰ পোৱা সহজ নহয়। অনেক মহানুভৱ পুৰুষে ইয়াৰ আলোচনা কৰি মন্ত্ৰৰ দ্বাৰা কোৱা বজ্ৰহস্ত আদি গুণৰে যুক্ত ইন্দ্ৰ আদি দেৱতা বোৰৰ ৰূপত ভিন্ ভিন্ কৰ্মৰ দ্বাৰাই যদিও সেই পৰমাত্মাকে যজন কৰে তথাপিও তেওঁৰ স্বৰূপ তেওঁলোকেও নাজানে। হৃদয়ত বাৰে বাৰে চিন্তা কৰি থাকিলেও ভগৱানে যি সময়ত যি জীৱৰ ওপৰত কৃপাদৃষ্টি কৰে সেই সময়তেই সেইজন লৌকিক ব্যৱহাৰ আৰু বৈদিক কৰ্ম মাৰ্গৰ বদ্ধমূল অৱস্থাৰ পৰা নিবৃত্তি পায়।

হে বৰ্হিস্মান, তুমি এই কৰ্মবোৰত পৰমাৰ্থ বুদ্ধি নকৰিবা। এইবোৰ গুণতহে ভাল যেন লাগে যদিও পৰমাৰ্থক স্পৰ্শ নকৰে। অজ্ঞানতাৰ কাৰণেহে এইবোৰক এনে দেখি। যি মলমতি কৰ্মবাদী লোকে বেদকে কৰ্মপন্থ বুলি কয় তেওঁলোকে প্ৰকৃততে ইয়াৰ যথাৰ্থ মৰ্ম নেজানে। ইয়াৰ প্ৰকৃত কাৰণ এয়ে যে তেওঁলোকে নিজৰ স্বৰূপ (আত্মতত্ত্ব) নাজানে, য'ত সাক্ষাৎ জনাৰ্দ্দন ভগৱান বিৰাজমান হৈ থাকে। কেৱল কৰ্ম কাণ্ডৰ দ্বাৰা নানা ধৰণৰ পশুবধ কৰি তুমি বৰ কৰ্ম অভিমানী আৰু গৰ্বিত হৈ গৈছা। কিন্তু প্ৰকৃততে তোমাৰ কোনো কৰ্ম বা উপাসনাৰ কোনো এটা ৰহস্যৰে জ্ঞান নাই। আচলতে কৰ্ম সেইটোহে যাৰ দ্বাৰাই শ্ৰীহৰি প্ৰসন্ন হয়। আৰু বিদ্যাও সেইটোহে যাৰ দ্বাৰা ভগৱানত চিত্ত নিমগ্নহৈ থাকে। শ্ৰীহৰি সম্পূৰ্ণ দেহধাৰী আত্মা

নিয়মক আৰু স্বতন্ত্ৰ কাৰণ হয়। গতিকে তেওঁৰ চৰণ তলতেই মানুহৰ একমাত্ৰ আশ্ৰয় আৰু তেওঁৰ দ্বাৰা সংসাৰৰ সমস্ত জীৱৰ কল্যাণ হব পাৰে যাৰ পৰা কোনেও অনুমাত্ৰও ভয় নেপায় সেয়েহে তেওঁৰ প্ৰিয়তম আত্মা। এইটো যিজনে জানে সেই জনেই জ্ঞানী আৰু যি জ্ঞানী হয় সেই জনেই গুৰু আৰু সাক্ষাৎ শ্ৰীহৰি সদৃশ।

দেৱৰ্ষিয়ে পুনৰ কলে হে পুৰুষ শ্ৰেষ্ঠ, এতিয়ালৈকে যিমান বোৰ কোৱা হল তোমাৰ প্ৰশ্নবোৰৰ উত্তৰ ইয়াৰ মাজতে আছে। এতিয়া মই তোমাৰ কল্যাণৰ বাবে ভাবি চিন্তি নিশ্চিত হব পৰা এটি গুপ্ত সাধনাৰ কথা কওঁ। সাৱধানে শুনা।

এখন বাৰে-বৰণীয়া ফুলৰ বাগিছাত নিজৰ প্ৰাণ-প্ৰিয় হৰিণীৰ সৈতে বিনোদ-বিহাৰ কৰি থকা এটা হৰিণে ইন্দ্ৰিয় সুখত উন্মত্তহৈ ঘূৰি ফাকি আছে। সি দুবৰি আদি সৰু সৰু তৃণবোৰ খাই আছে। তাৰ কাণ দুখনে ভ্ৰমৰাৰ মধুৰ গুঞ্জণ শুনি বিভোৰহৈ আছে। তাৰ চকুৰ আগতে আন আন জীৱবোৰক মাৰি পেট প্ৰবৰ্ত্তন কৰা ককুৰ নেচীয়া বাঘ আদি থিয়হৈ আছে। হঠাৎ পিছফালৰ পৰা ব্যাধে শৰ মাৰি তাক বিন্ধি পেলালে। কিন্তু কি আচৰিত হৰিণটো ইমান তন্ময়হৈ আছে যে এইবোৰৰ সি একো গমকে ধৰিব পৰা নাই। এবাৰ এই হৰিণাৰ অৱস্থাটো ভাবি ছোৱা চোন?

হে ৰজা এই ৰূপকটোৰ অৰ্থ হ'ল - এই ইন্দ্ৰিয় সুখত মত্তহৈ থকা হৰিণ তুমিয়েই। তুমি এবাৰ নিজৰ অৱস্থা ভাবি চোৱা চোন? ফুলৰ নিচিনা নিমজ আৰু গন্ধযুক্ত স্ত্ৰীবোৰ মাত্ৰ দেখাতহে সুন্দৰ কিন্তু পৰমাৰ্থ বিচাৰত মৰহি যোৱা ফুল পাহিৰ দৰে দুখৰহে ভাণ্ডাৰ। এই স্ত্ৰীবোৰৰ থকা ঠাই বোৰেই হ'ল ফুলৰ বাগিছা। ইয়াৰ সান্নিধ্যত থাকি তুমি ফুলৰ মৌ আৰু গন্ধযুক্ত ক্ষুদ্ৰ সকাম কৰ্মৰ ফলৰূপ জিভাই স্বাদ পোৱা নানা ধৰণৰ ভোজন আৰু জননেন্দ্ৰিয়ৰ বাসনা পূৰ্ণ কৰা। স্ত্ৰীসংগ আদি নিকৃষ্ট ভোগ বোৰক বিচাৰি বিচাৰি কামিনী বোৰৰ দ্বাৰা বেষ্টিত হৈ মনক সেই বোৰতে আবদ্ধ কৰি ৰাখি আত্ম-ঘাট কৰিবলৈ ওলাইছা। ইয়াত স্ত্ৰী আৰু পুত্ৰ পুত্ৰীৰ মধুৰ মাতেই ভোমোৰাৰ মধুৰ গুঞ্জন। তোমাৰ কাণ তাতেই অত্যন্ত আসক্ত হৈ আছে। সমুখত বাঘৰ পালৰ নিচিনা কালৰ অংশ দিন আৰু ৰাতিয়ে তোমাৰ আয়ু সূৰ্য্য হৰণ কৰি আছে। কিন্তু তুমি মায়া মৰীচিকাত বিভোৰ হৈ থাকি তালৈ ভ্ৰূক্ষেপ নকৰি গৃহ সুখতে আসক্তহৈ আছা। তোমাৰ পিছফালে গোপনে ৰৈ থকা চিকাৰী স্বৰূপ কালে নিজৰ অব্যক্ত বাণেৰে তোমাৰ হৃদয় বিদাৰণ কৰিছে। তুমি হয়তো মদান্ধ হেতুকে গমকে ধৰিব পৰা নাই। সেই বাবে হৰিণৰ নিচিনা অৱস্থা দেখি তুমি নিজৰ চঞ্চল মনক হৃদয়ত নিৰুদ্ধ কৰা আৰু কৰ্ণ আদি ইন্দ্ৰিয় বোৰৰ বৰ্হিমুখী বৃত্তিবোৰ অন্তৰমুখী কৰা। তদুপৰি যি ঠাইত কামী পুৰুষৰ চৰ্চ্চাহৈ থাকে সেই বিষময় গৃহস্থ আশ্ৰমক পৰিত্যাগ কৰি পৰম হংসৰ আশ্ৰয় স্থল শ্ৰীহৰিক প্ৰসন্ন কৰা আৰু ক্ৰমান্বয়ে সকলো বিষয়ৰ পৰা বিৰত হোৱা।

ৰজা প্ৰাচীন বৰ্হিষে কলে, হে দেৱৰ্ষি, আপুনি কৃপা কৰি যি উপদেশ দিলে সেইটো মোৰ কৰ্ণগোচৰ হ'ল। মোৰ উপলব্ধি হৈছে যে জীৱৰ কল্যাণ ইয়াতে হয়। মোক উপদেশ দিয়া আচাৰ্য্য সকলৰ নিশ্চয় এই সম্পৰ্কে জ্ঞানৰ অভাৱ। যদি তেওঁলোকে নিজে এই বিষয়টো





জানিলে হেতেন তেনেহলে মোক ইয়াৰ আধ্যাত্মিক উপদেশ কিয় নিদিলেহেতেন? বিপ্ৰবৰ - এই আচাৰ্য্যবোৰে বেদ বাক্যবোৰত বিৰোধ দেখুৱাই মোৰ হৃদয়ত বেদ বিহিত কৰ্ম সমৰ্থক নে জ্ঞানমাৰ্গ সমৰ্থক এইটো এটা ডাঙৰ সংশয় জন্মাইছিল। কিন্তু আপোনাৰ তত্বপূৰ্ণ উপদেশ বাক্যবোৰে মোৰ সংশয় নাশ কৰি দিলে। আৰু এনে সংশয়ৰ মাজত পৰি মন্ত্ৰ দ্ৰষ্টা ঋষি বোৰেও মোহ পাশত আবদ্ধ হয়। এতিয়া কৰ্মকাণ্ড বিষয়তো মোৰ এটা সন্দেহ আছে। অনুগ্ৰহ কৰি সেইটোও নিবৃত্তি কৰক। বেদবাদী বোৰৰ কথন ঠায়ে ঠায়ে শুনা যায় যে পুৰুষে ইহলোকত যিহৰ দ্বাৰাই কৰ্ম কৰে সেই স্থূল শৰীৰটো ইয়াতে এৰি থৈ পৰলোকত কৰ্মৰ দ্বাৰা গঠিত হোৱা অন্য লিংগ শৰীৰেৰে তাৰ ফল ভোগ কৰে। কিন্তু এইটো যেনেকৈ সম্ভৱ হব পাৰে। কাৰণ যি যি কৰ্ম ইয়াত কৰা যায় সেইবোৰ লগে লগে অদৃশ্য হৈ যায়। সেইবোৰে পৰলোকত ফল দিয়াৰ কাৰণে পুনৰ কেনেকৈ প্ৰকত হৈ পৰে?

নাৰদে কলে ৰজা - যি মন প্ৰধান লিঙ্গ শৰীৰৰ সহায়েৰে মানুহে কৰ্ম কৰে সেইটো মৰাৰ পিছতো তাৰ লগতে থাকে। গতিকে ই পৰলোকত অপৰোক্ষ ৰূপে নিজে তাৰ দ্বাৰা সেইবোৰৰ ফল ভোগ কৰে। চোৱা সপোন অৱস্থাত মানুহে জীৱিত শৰীৰৰ অহংকাৰ এৰি দিয়ে কিন্তু ইয়াৰ সমানেই নাইবা ইয়াতকৈ ভিন্ন প্ৰকাৰৰ পশু পক্ষী আদিৰ শৰীৰৰ দ্বাৰা সি মনৰ বাসনা ৰূপে স্থিতহৈ থকা কৰ্মবোৰৰ ফল ভোগ কৰি থাকে। এই মনৰ দ্বাৰা জীৱে যি স্ত্ৰীপুত্ৰ আদিক এইবোৰ মোৰ আৰু শৰীৰ আদিক এইটো মই এনেকৈ ধৰি লয় সিহঁতে কৰা পাপ পুণ্য আদি কৰ্ম বোৰকো নিজৰ ওপৰত আৰোপ কৰি লয়। আৰু সিহঁতৰ কাৰণে ই মিছাত আকৌ জন্ম লব লগা হয়। যেনেকৈ জ্ঞান আৰু কৰ্ম দুয়ো প্ৰকাৰৰ ইন্দ্ৰিয় বোৰৰ চেষ্টাৰ দ্বাৰা সিহঁতৰ প্ৰেৰক চিত্তৰ অনুমান কৰা যায় তেনেকৈয়ে চিত্তৰ ভিন্ন ভিন্ন প্ৰকাৰ বৃত্তি বোৰৰ দ্বাৰাই পূৰ্ব জন্মৰ কৰ্মবো অনুমান হয়। কেতিয়াবা কেতিয়াবা দেখা যায়যে যি বস্তু এই শৰীৰেৰে কেতিয়াও অনুভৱ কৰা নাই, যাক কেতিয়াও দেখা নাই, শুনাও নাই, সেই বস্তুটো সপোনত যেনেকুৱা দেখি ঠিক তেনেকুৱাই অনুভৱহৈ যায়। হে ৰাজন, ইয়াৰ দ্বাৰা তুমি নিশ্চিত হোৱা যে লিঙ্গ দেহৰ অভিমানী দেহে তাৰ অনুভৱ পূৰ্ব জন্মতে হৈ গৈছে। কাৰণ যি বস্তুৰ আগতে অনুভৱ হোৱা নাই সেই বস্তুলৈ মনত বাসনাও হব নোৱাৰে।

হে ৰজা তোমাৰ কল্যাণ হঁওক - চোৱা মনেই মানুহৰ পূৰ্ব্বৰ ৰূপবোৰক আৰু ভবিষ্যতে হব লগা শৰীৰ আদিও কৈ দিয়ে। আৰু ভবিষ্যতে যাৰ জন্ম লব লগা নহয় সেই তত্ত্ববিদ সকলৰ বিদেহ (দেহ জ্ঞান শূন্য) মুক্তিৰ কথাও তেওঁলোকৰ মনৰ পৰা গম পোৱা যায়। কেতিয়াবা কেতিয়াবা সপোনত দেশ কাল অথবা ক্ৰিয়া সম্বন্ধীয় এনে কিছুমান কথা দেখা যায় যিটো আগতে কেতিয়াও দেখা শুনা নাই। যেনে পৰ্ব্বতৰ শিখৰত সমুদ্ৰ, দিবা ভাগত তৰা দৰ্শন অথবা নিজৰ মূৰটো কটা দেখা ইত্যাদি। এইবোৰ নিদ্ৰা দোষকে কাৰণ বুলি ধৰিব লাগিব। মনৰ সমুখত ইন্দ্ৰিয়ৰে অনুভৱ হব পৰা পদাৰ্থহে ভোগ ৰূপে বাৰে বাৰে আহে আৰু ভোগ শেষ হলে ই আতৰি যায়। এনেকুৱা কোনো পদাৰ্থ আহি নপৰে যাৰ ইন্দ্ৰিয়ই অনুভৱেই কৰিব নোৱাৰে। ইয়াৰ কাৰণ এইটোৱে যে সকলো জীৱৰ লগত মন সন্নিবিষ্ট থাকে। এই

কাৰণে সাধাৰণতে, সকলো পদাৰ্থৰে ক্ৰমান্বয়ে সামান্য জ্ঞান হয়। কিন্তু যদি কেতিয়াবা ভগৱৎ চিন্তাত লাগি থকা মন বিশুদ্ধ চিত্তত স্থিত হয় তেতিয়া তাত ভগৱানৰ সংসৰ্গ ঘটা বাবে একেলগে সমস্ত বিশ্বখনৰো আভাষ হব পাৰে। যেনে ৰাহু দৃষ্টিৰ বিষয় নোহোৱা সত্বেও প্ৰকাশাত্মতক চন্দ্ৰৰ সংসৰ্গত দেখা পোৱা যায়। হে ৰজা - যি পৰ্য্যন্ত গুণবোৰৰ পৰিণাম আৰু বুদ্ধি মন ইন্দ্ৰিয় আৰু শব্দ আদি বিষয়বোৰৰ সংঘাট স্থূলী এই অনাদি লিংগদেহ গঠিত হৈ আছে সেই পৰ্য্যন্ত জীৱৰ ভিতৰত স্থূল দেহৰ প্ৰতি মই মোৰ এই ভাবটো নোহোৱা হব নোৱাৰে। সুষুপ্তি, মূৰ্চ্ছা, শোক তথা মৃত্যু আৰু তীব্ৰ জ্বৰ আদিৰ সময়ত ইন্দ্ৰিয়বোৰৰ বেপাৰ বন্ধহৈ যোৱা কাৰণে অহংকাৰৰ মাত্ৰাও নাথাকে যদিও সূক্ষ্ম ৰূপত কিন্তু ই বিদ্যামান হৈ থাকে। যেনেকৈ অমাৱস্যাৰ ৰাতি চন্দ্ৰ থকা সত্বেও দেখা নেপায় ঠিক তেনেকৈ ডেকা কালত স্পষ্টহৈ দেখা দিয়া এই একাদশ ইন্দ্ৰিয় বিশিষ্ট লিংগ শৰীৰ গৰ্ভাৱস্থা আৰু বাল্য কালত থকা সত্বেও ইন্দ্ৰিয় বোৰৰ পূৰ্ণ বিকাশ নোহোৱা কাৰণে গম নেপায়। চোৱা - যেনেকৈ সপোনত কোনো বস্তুৰ অস্তিত্ব নোহোৱা সত্বেও সাৰ নোপোৱালৈকে সপোনৰ মিচা ভ্ৰমৰ নিবৃত্তি নহয়। তেনেকৈয়ে সাংসাৰিক বস্তুবোৰ যদিও অসৎ (অস্থায়ী) তথাপিও অজ্ঞান বশতঃ জীৱে তাক অনবৰত চিন্তা কৰি থাকে। এই কাৰণে ইয়াৰ জন্ম মৰণ ৰূপ সংসাৰৰ পৰা পৰিত্ৰাণ নেপায়। এইদৰে পঞ্চ তন্মাত্ৰ বোৰৰে গঠিত হোৱা আৰু ষোড়শ তত্ত্বৰ ৰূপত বিকশিত হোৱা এই ত্ৰিগুণ ময় সংঘাতে লিঙ্গ শৰীৰ আৰু ইয়ে চৈতন্য শক্তি যুক্তহৈ জীৱ নাম লয়। ইয়াৰ দ্বাৰাই পুৰুষে ভিন্ ভিন্ দেহ গ্ৰহণ কৰে আৰু ত্যাগ কৰে। ইয়াৰ দ্বাৰাই ই হৰ্ষ, দুখ, ভয়,-শোক আৰু সুখ আদি অনুভৱ কৰে। যেনেকৈ ঘাঁহত আশ্ৰয় লৈ থকা জোকে অন্য এডাল তৃণত ধৰি নোলোৱালৈকে আগৰ ডাল এৰি নিদিয়ে। তেনেকৈয়ে জীৱৰ মৰণ কাল উপস্থিত হোৱা সত্বেও যেতিয়ালৈকে প্ৰাৰব্ধ শেষহৈ অন্য শৰীৰ নাপায় তেতিয়া পৰ্য্যন্ত আগৰ শৰীৰৰ অহংকাৰ ত্যাগ নকৰে।

হে ৰাজন এই মন প্ৰধান লিংগ শৰীৰেই জন্ম মৃত্যুৰ কাৰণ। যেতিয়া জীৱে ইন্দ্ৰিয় জনিত ভোগ বোৰক চিন্তন কৰি কৰি বাৰে বাৰে সিহঁতৰ কাৰণে কৰ্ম কৰি থাকে তেতিয়া সেই কৰ্ম বোৰ হৈ থাকিলে অবিদ্যা বশতঃ ই দেহাদিৰ কৰ্মবোৰত আবদ্ধ হৈ থাকে। অতত্ৰব সেই কৰ্ম বন্ধনৰ পৰা মুক্তি পাবৰ কাৰণে সম্পূৰ্ণ বিশ্বকে ভগৱৎৰূপ জ্ঞান কৰি সকলো প্ৰকাৰে শ্ৰীহৰিৰে ভজনা কৰা। তেওঁয়ে এই জগত খনৰ উৎপত্তি, স্থিতি আৰু লয় কৰোতা।

মৈত্ৰয়ে কলে, হে কুৰুবীৰ (বিদুৰ) এনেকৈ ভক্তশ্ৰেষ্ঠ নাৰদে ৰজা প্ৰাচীন বৰ্হিষক জীৱ আৰু ঈশ্বৰৰ স্বৰূপ দিক্ দৰ্শন কৰোৱায়। দেৱৰ্ষি নাৰদে বৰ্ণনা কৰা এই পৰোক্ষ আত্ম-জ্ঞান যিজনে শুনে বা শুনাই তেওঁ অতি সোনকালে লিংগদেহৰ বন্ধনৰ পৰা মুক্তি পায়। হে বিদুৰ, গৃহস্থাশ্ৰমী পুৰুষৰ ৰূপকত পৰোক্ষ ৰূপে বৰ্ণনা কৰা সেই অদ্ভুত আত্ম-জ্ঞানৰ তাৎপৰ্য্য বুলি ল'লে বুদ্ধি যুক্ত জীৱৰ দেহাভিমান নিবৃত্ত হয় আৰু পৰলোকত জীৱে কেনেকৈ কৰ্মৰ ফল ভোগ কৰে সেই সংশয়ো আঁতৰ হয়।

**********





# গুৰু দামোদৰ দেৱ

গুৰু দামোদৰ ভকত বৎসল
তুমি কল্পতৰু হৰি।

সন্যাসী ভেশৰ নাৰদৰ পৰা
দীক্ষা মন্ত্ৰ ললা তুমি।।

তব পাদ পদ্মে সহস্ৰ প্ৰণাম
সঙ্গে যায় জীৱ তৰি।।

কৰি চূড়ামণি বেদত পাৰ্গত
হাজোত নিবাস স্থান।

সদানন্দ পিতৃ সুশীলা জননী
সদাচাৰী স্নেহশীলা।

শ্ৰীক্ষেত্ৰ প্ৰভুৰ উদ্দেশ্যে বঢ়োৱা
দ্ৰব্যক কৰিলে দান।।

নগাঁও জিলাৰ নলচা গাঁৱত
উপজি আনন্দ দিলা।।

মহাপুৰুষৰ লক্ষণ জানিয়া
সৱেও বিস্ময় ভৈল।

তুৱা আৱিৰ্ভাৱ হ'ল জনা-জনি
সাধু সন্ত আসি ভৈল।

ইকাণে-সিকাণে লোক নিৰন্তৰে
ইকথা বিদিত হৈল।।

শঙ্কৰ গুৰুৰ মুখ বাজ হন্ত
দামোদৰ নাম থৈল।।

পৰীক্ষিত ৰজা মহা লৌৱা-লপা
তোমাক নিচিনি হায়।

বিষ্ণু অংশে তুমি ভৈলাহা উদিত
বিদিত কৰিলা জ্ঞান।

নগৰৰ পৰা বিদায় দিয়ালে
কুমন্ত্ৰ কুবুদ্ধি পায়।।

মহৰ্ষি গৌতম বংশধৰ য'ত
সৱাকো কৰিলা ত্ৰাণ।।

তটস্থ তুমিও কূৰ্চুট ৰজাৰ
নগৰীৰ বাজ হৈল।

কলাপ চন্দ্ৰক শিক্ষা গুৰু মানি
বেদান্তৰ জ্ঞান পালা।

বুধগণ য'ত আছিল গ্ৰামত
সঁবেও ব্যথিত ভৈল।।

কৰম কাণ্ডক বাতকৰ্ম বুলি
লোকক বুজনি দিলা।।

পাট বাউসীতে মণিকূট বান্ধি
ধৰ্মৰ পাতিলা সত্ৰ।

ৰত্নেশ্বৰ গ্ৰামে যেতিয়া আছিলা
পবিত্ৰ কৰিলা ভূমি।

শঙ্কৰ মাধৱ হৰিদেৱ আসি
মেলিলে ধৰ্মৰ পত্ৰ।।

দ্বাদশ প্ৰসঙ্গ সত্ৰত স্থাপিলা
বোৱালা অমৃত বাণী।
পুৱাৰ প্ৰসঙ্গ চাৰি প্ৰকৰণ
সুমধুৰ সুৰ টানি।।
আবেলিৰ চাৰি প্ৰসঙ্গ মধুৰ
গীতা ভাগৱত ব্যাখ্যা।
ভক্তগণে মিলি প্ৰাণ ভৰি শুনে
দূৰ হয় সৱ কক্ষা।।
ৰজনীৰ চাৰি কোকিল কণ্ঠৰে
কীৰ্ত্তন ঘোষাৰ ধ্বনি।
সত্ৰৰ চৌহদ মুখৰিত কৰে
তোমাৰে অমৃত বাণী।।
প্ৰপন্ন আচাৰ্য্য আছিল তোমাৰ
কবিৰত্ন ভট্টদেৱ।
ৰাম ৰায়, হৰি, মধু, পৰ্বানন্দ
ভগৱান, বলদেৱ।।
গোপাল চৰণ, ভাগৱত মিশ্ৰ
বনমালী, নিৰঞ্জন।
কেশৱ চৰণ কপিল, শ্ৰীহৰি
ৰামকৃষ্ণ, নাৰায়ণ।।
ভট্ট পুৰুষৰ ভক্তিসাৰ তত্ত্ব
যেবে অৱগত হৈল।
সন্ত নিৰ্ণয়ক গ্ৰন্থদ্বয়ে তেবে
ভক্তক মুহিবে লৈল।।

তোমাৰ আশীস কথা ভাগৱত
অপূৰ্ব সৃষ্টিৰ ধাৰা।
গদ্য সাহিত্যৰ যশস্যা বঢ়ালা
জগত বাসীৰ পৰা।।
সছঙ্গ গৃহৰ মহিমা অপাৰ
সন্তক কৰালা মান।
ভক্ত ভগৱন্ত প্ৰেম প্ৰীতি ভাৱে
আত্ম-জ্ঞান দিলা দান।।
অন্য দেৱী দেৱ সেৱ্য নোহে তব
কৃষ্ণ প্ৰভু ইষ্ট দেৱ।
তাহান চৰণ সেৱিবাক প্ৰতি
লোকত কহিলা কেৱ।।
কোচবেহাৰত ভূতদেহ এৰি
বৈকুণ্ঠ ধামলৈ গতি।
আধ্যাত্মিক তত্ত্ব সবাকো বুজালা
বঢ়ালা ধৰ্মত মতি।।
আজি এই পূত পবিত্ৰ ক্ষণত
সুমৰিছো বাৰে বাৰে।
দিয়া আশীৰ্বাদ শত শত বাৰ
কায়া ক্লেশ যাতে হৰে।।

*******

ওম্ শান্তি, ওম্ শান্তি, ওম্ শান্তি।